# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ CHANDRADHAR BARUAH | |
| Title: আসাম-সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asaāma Saāhaitaya Sabhaā Patarikaā | |
| Translated Title: Magazine of Assam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat. |
| Year: 1929-30 (1850-51 Sak) | Edition: |
| Size: 22 cms - 260 pages | Genre: Magazine |
| Volumes: 3 - 6 issues | Condition of the original: Not bad. |
| Remarks: First published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# আসাম সাহিত্য-সভা-পত্ৰিকা।

জেঠ—আহাৰ, ১৮৫০—৫১

তৃতীয় বছৰ ]　　　　মুঠ সংখ্যা—১৩　　　　[ পঞ্চম সংখ্যা


## দুটি লাগতিয়াল কাম।

তাহানি ১৮৯২ চন মানতে, কলিকতাৰ অ. ভা. উ. সভাই, অসমীয়া কিতাপৰ তালিকা এখন সংগ্ৰহ কৰিছিল। সেই তালিকাখন ছপা হ'লনে নহল আমি ক'ব নোৱাৰো ; হৈছিল যদিও এতিয়া পাবলৈ নাই। তাত ভালেখিনি কিতাপৰ নাম আছিল। তেতিয়াৰে পৰা আজিলৈকে আৰু ভালেখিনি কিতাপ ওলাইছে। এই সকলোখিনি কিতাপৰ বিস্তৃত তালিকা এখনি থকাটো অতি দৰ্কাৰ বুলি সকলোৱে স্বীকাৰ কৰিব। দুজন এজনে এনে তালিকা লিখিছে বুলিও শুনিছিলোঁ।

আমাৰ মনেৰে এই কামটো সাহিত্য সভাই হাতত লোৱা উচিত। এতেকে, কথাটো সাহিত্য সভাৰ সকলোখিনি সভ্যৰ কাণ চুৱালোঁ। সভাই কামটো এবাৰ হাতত লৈ পাচত এৰি দিলে বুলি আমি জানো। এতিয়া মানে আকৌ এবাৰ ইয়াক ধৰাটো আমি ভাল দেখোঁ। এই পত্ৰিকাৰ ভৱিষ্যতে আমাৰ সকলোখিনি শিক্ষিত মানুহৰ কাণতো কথাটো পেলাই থলোঁ। কোনো-বাই দিলে, এনে এখন তালিকা পত্ৰিকাত ছোৱা-ছোৱে উলিয়াই থাকিবলৈকো আমি গাত লব পাৰোঁ।

এই চলতে আৰু এটি বন সাহিত্য সভাৰ চকুত পেলাই থওঁ—কন্দলীসকলৰ দিনৰেপৰা আজিলৈকে স্বৰ্গী হোৱা আমাৰ সকলোবিলাক ভাল ভাল লিখকৰ সকলোখিনি লিখাকে গ্ৰন্থাৱলী স্বৰূপে ছপাই উলিয়াব লাগে ; যেনে গুণাভিৰাম গ্ৰন্থাৱলী, হেম গোস্বামী গ্ৰন্থাৱলী, ইত্যাদি। কিতাপ-পত্ৰ আদিৰ স্বত্বাধিকাৰীসকলে সৈতে গোট খাই, এই বিষয়ে কিবা এটা দিহা কৰাটো বৰ লাগতিয়াল কাম। বঙ্গদেশত, "বঙ্গবাসী" "বসুমতী", "হিতবাদী"য়ে এই উপায়েৰেই দেশ গোটেইখন সাহিত্যৰ ধলেৰে বুৱাই পেলালে। আমাৰ দেশত সাহিত্য সভাই কাণ নকৰিলে এই কামলৈ কাণ কৰোঁতা নোলায়।

কথাটোৰ প্ৰমাণ বুজিবলৈকে বুলি হলেও, কোনোবা এজন বিখ্যাত লিখকৰ সকলোখিনি লিখা একেলগে পোৱাকৈ কিতাপ এখন ছপা কৰাই চোৱাটো বেয়া হ'ব নে? সস্তা কাগজত, সস্তা ভাৱত ছপাই, কিতাপৰ দাম যিমান পাৰি সস্তা কৰিব লাগিব। যদি ইয়াৰপৰা কিবা ভাল ফল হোৱা দেখা যায়, তেনেহলে এই অনু-ক্ৰমেই আনবিলাক লিখকৰো লিখা ছপাই যাব লাগে। যদিহে ইয়াৰ পৰা একো উপকাৰ নহয়, তেতিয়া হলে, সিমানতে এৰি দিলেই লেঠা ছিগিব। সেই এখন কিতাপ ছপোৱাৰ ৰূপ কেইটকা কেনেবাকৈ পানীত পৰে বুলি আশঙ্কা থাকিলেও, ই এটা কৰি চাবলগীয়া কাম। যি পৰা যায় অৰ্থ সাহায্য কৰি লোকৰ হতুৱাইও এই কাম কৰাবলৈ যত্ন কৰিব পাৰিলে, তাকো ভাবি চোৱা বেয়া নহয়।

# মুক্তিকোপনিষদ্‌।

( আৰম্ভণী )

উপনিষদবিলাক অশেষ জ্ঞানৰ আকৰ। উপনিষদ বহুত আছে। তাৰে ভিতৰত অষ্টোত্তৰ শত উপনিষদ প্ৰধান। এই ১০৮ খন উপনিষদৰ শেষখন হৈছে মুক্তিকোপনিষদ। গীতাত ভগৱান শ্ৰীকৃষ্ণই অৰ্জ্জুনক বহুত জ্ঞানপূৰ্ণ আধ্যাত্মিক ভাবৰ আৰু লগতে ৰাজনীতি সমাজ-নীতি আদিৰ বিষয়েও অনেক উপদেশ দিয়ে। ই সকলোৰে জনা কথা। পুৰাণ ভাগৱত আদিত ভগৱান শ্ৰীকৃষ্ণদেৱৰ চৰিত্ৰ আদি বৰ্ণোৱা থাকিলেও গীতাশাস্ত্ৰ নপঢ়িলে ভগৱান প্ৰদত্ত উপদেশাৱলী বুজিবলৈ বহুত বাকী থাকে। এই দৰে ৰামায়ণ আদিত ভগৱান শ্ৰীৰামচন্দ্ৰৰ চৰিত্ৰাদি কাৰ্য্য-কলাপ বৰ্ণাই কোৱা থাকিলেও, আৰু নিজ মুখৰ বাণী তাতো কিছু পৰিমাণে আছে যদিও, তেওঁৰ উপ-দেশাৱলী পাবলৈ উপনিষদ পঢ়িব লাগে। যিবিলাক উপনিষদত ভগৱান শ্ৰীৰামচন্দ্ৰৰ উপদেশাৱলী পোৱা যায়, তাৰে ভিতৰত মুক্তিক-উপনিষদো এখন। ইয়াক ভগৱান শ্ৰীৰামচন্দ্ৰই, গীতাত শ্ৰীকৃষ্ণই অৰ্জ্জুনৰ আগত কোৱাদি হনুমানৰ আগত কৈছে। তাৰে অসমীয়া অনুবাদ তলত দিয়া হ'ল।

ইয়াত আৰু এটা কথালৈ মন কৰিব লগীয়া আছে। সি হৈছে, উপনিষদবিলাকৰ সংক্ষিপ্ত ঐতিহাসিক বিৱৰণ। ঐতিহাসিক বিৱৰণ বোলাৰ অৰ্থ এয়ে যে ইয়াত ১০৮ খন উপনিষদৰ নাম আৰু কোনখন উপনিষদ কোন বেদৰ অন্তৰ্গত তাকো উল্লেখ কৰিছে। গতিকে বেদৰ কাল বিভাগ অনুসাৰে এই উপনিষদবিলাকৰো এটা মোটামোটি কাল অনুমান কৰিব পাৰি। অৱশ্যে ই প্ৰত্নতত্ত্ববিদ পণ্ডিতসকলৰ কথা।

## প্ৰথম অধ্যায়।

কোনো এসময়ত ৰঘুকুলপ্ৰদীপ শ্ৰীৰামচন্দ্ৰ অযোধ্যা নগৰৰ মনোহৰ ৰত্নমণ্ডপৰ ভিতৰত সীতা দেৱীৰে সৈতে ৰত্নসিংহাসনত বহি আছিল। তেওঁৰ ওচৰতে লক্ষ্মণ, [illegible] আৰু শত্ৰুঘ্নও আছিল। চাৰিওফালে আন আন পাত্[illegible] বৰ্গ, সনকাদি মুনিসকল, বশিষ্ঠাদি ঋষিসকল আৰু [illegible] দেৱকে আদি কৰি পৰম ভাগৱতীসকলে বেঢ়ি আছ[illegible] আৰু তেওঁলোকে ভগৱান শ্ৰীৰামচন্দ্ৰক স্তৱ কৰিছি[illegible] এওঁ অসীম অসংখ্য বুদ্ধি-বৃত্তিৰ সাক্ষীস্বৰূপ, [illegible] নিৰ্ব্বিকাৰ আৰু আত্মধ্যানপৰায়ণ।

বায়ুপুত্ৰ হনুমন্তই শ্ৰীৰামচন্দ্ৰক ভক্তিভাবে প্ৰণ[illegible] কৰি থাকি সমাধিৰ শেষত প্ৰশ্ন কৰিলে, প্ৰভু! আ[illegible] সচ্চিদানন্দস্বৰূপ, আৰু পৰমাত্মৰূপ ; হে ৰঘুশ্ৰেষ্ঠ! [illegible] আপোনাক শতকোটি দণ্ডৱৎ কৰো, প্ৰভু! এতিয়া[illegible] মুক্তি পাবৰ কাৰণে আপোনাৰ প্ৰকৃত স্বৰূপ [illegible] খোজোঁ। আপোনাৰ যি ৰূপ জানিলে ভৱ-বন্ধন [illegible] অনায়াসে মুক্তি লভিব পাৰি, আপুনি দয়া কৰি [illegible] আগত আপোনাৰ সেই স্বৰূপ প্ৰকাশ কৰক। [illegible] প্ৰভাৱত মই অক্লেশে মুক্তি লভিব পাৰিম।

হনুমন্তৰ এনে প্ৰশ্ন শুনি ভগৱান শ্ৰীৰামচন্দ্ৰই ক[illegible] আৰম্ভ কৰিলে, -হে মহাবাহু! তুমি অতি উত্ত[illegible] কৰিলা। মই প্ৰকৃত কথা কওঁ, শুনা। মোৰ [illegible] সি বেদান্তত নিহিত আছে ; এতেকে তুমি বে[illegible] আশ্ৰয় লোৱা।

হনুমন্তই সুধিলে,—প্ৰভু! ৰঘুকুলতিলক! বেদান্ত [illegible] বোলে? আৰু তাক ক'ত পোৱা যায়? মোক বিস্ত[illegible] ৰূপে কওক।

শ্ৰীৰামচন্দ্ৰই কলে,—হনুমান! বেদান্ত শাস্ত্ৰৰ [illegible] কথা কওঁ, মন দি শুনা। উশাহ-নিশাহ লোৱা [illegible] যেনেকৈ মানুহৰ অনায়াসে চলে, তেনেকৈ বিষ্ণু [illegible] মোৰ পৰা বেদসকল প্ৰকাশিত হৈছে। তিলৰ [illegible] যেনেকৈ তেল থাকে, তেনেকৈ বেদৰ ভিতৰত [illegible] সোমাই আছে।



মান—প্ৰভু ৰাম! বেদ কেই ভাগত বিভক্ত? আৰু সেই বেদৰ শাখানো কিমান? আৰু সেই বেদৰ শাখাৰ ভিতৰতনো বেদান্ত বা উপনিষদ কোন-বিলাক? কৃপা কৰি মোক বুজাই দিয়ক।

ৰামচন্দ্ৰ—ঋগ্বেদাদি বিভাগ মতে বেদ চাৰি প্ৰকাৰ, যেনে ঋগ্বেদ, যজুৰ্ব্বেদ, সামবেদ, আৰু অথৰ্ব্ববেদ। এই চাৰি বেদৰ শাখা বহুত। আৰু সেই শাখা-বিলাকৰ ভিতৰত বেদান্ত বা উপনিষদ বিদ্যমান। হনুমান! —বাৰু অলপ বহলাই কওঁ শুনা। ঋগ্বেদৰ শাখা একৈশটি যজুৰ্ব্বেদৰ শাখা এশ-নটি সামবেদৰ শাখা এহেজাৰ আৰু অথৰ্ব্ববেদৰ পঞ্চাশটি। এইবিলাক প্ৰত্যেকটি শাখাতে একো-একোখন বেদান্ত বা উপনিষদ আছে। মোত একান্ত ভক্তি ৰাখি যি মানুহে এই উপনিষদবিলাকৰ যেই সেই এটি মন্ত্ৰ পাঠ কৰে, তেওঁ মুনিসকলৰো দুৰ্ল্লভ মোৰ সাযুজ্য পদ পায়।

মান—প্ৰভু! কোনো ২ শ্ৰেষ্ঠ মুনিয়ে মুক্তি একেবিধ বুলি কয়। কোনোৱে বা আপোনাৰ নাম ভজিলে মুক্তি পোৱা যায় বুলি কয়! কোনো জনে কয় যে মৰিবৰ সময়ত প্ৰণৱ উপদেশ লভি কাশীধামত মৰিব পাৰিলেহে মুক্তি মিলে। কিছুমানে আকৌ কয় সাংখ্যযোগৰ অনুশীলন কৰিলেহে মুক্তি ঘটে। কোনো কোনোৰ মতে ভক্তিযোগতহে মুক্তি। বহুত মহৰ্ষিৰ মত যে বেদান্ত বিচাৰৰ দ্বাৰাতে মুক্তি লাভ ঘটে। আৰু এটা কথা এই যে কিছুমান পণ্ডিতে মুক্তি চাৰি প্ৰকাৰ বুলি ব্যাখ্যা কৰে। যেনে সালোক্য মুক্তি, সাৰূপ্য মুক্তি, সামীপ্যমুক্তি, আৰু সাযুজ্য মুক্তি।

ৰামচন্দ্ৰ—হনুমান, এই চাৰি বিধ মুক্তিৰ বাহিৰেও আৰু একবিধ মুক্তি আছে। তাক কৈবল্য মুক্তি বোলে। এই মুক্তিয়েই প্ৰকৃত মুক্তি। ই পৰমাৰ্থস্বৰূপ। হে কপিশ্ৰেষ্ঠ! কোনো অসৎ আচৰণ কৰাৰ পাছতো যদি মোৰ নাম একান্ত মনে ভজে, তেনে-দলে সালোক্য মুক্তি পাব পাৰে। মই যি লোকত থাকো সেই লোকত বসতি কৰাকে সালোক্য মুক্তি বোলে। এতেকে যি সালোক্য মুক্তি পায় সি মোৰ লোকত বসতি কৰে। আন লোকলৈ যাব নালাগে।

যি মানুহৰ কাশীধামৰ ব্ৰহ্মনালত মৃত্যু হয় সি মোৰ তাৰোপদেশ পায় আৰু পুনৰাবৃত্তিহীন মুক্তিলাভ কৰে। ব্ৰহ্মনালৰ বাহিৰে কাশীৰ যি কোনো ঠাইত মৰিলে মহেশ্বৰে তাৰ কাণত মোৰ তাৰক ব্ৰহ্মনাম উপদেশ দিয়ে ; ইয়াৰ গুণতেই সকলো পাপৰাশি দূৰ হয়, আৰু সি মোৰ সাৰূপ্য মুক্তি পায়। মোৰ দৰে ৰূপ পোৱাকে সাৰূপ্য মুক্তি বোলে। সালোক্য আৰু সাৰূপ্য মুক্তিৰ কথা সংক্ষেপতে এয়ে।

যিসকল দ্বিজাতিয়ে সদাচৰণ পালন কৰি মনৰ একা-গ্ৰতাৰে সৈতে সকলো পদাৰ্থৰাশিৰ আত্মস্বৰূপ মোত অভিনিৱিষ্ট হব পাৰে, সি সকলে মোৰ সামীপ্য মুক্তি পায়। মোৰ একেবাৰে ওচৰত থাকিবলৈ পোৱাকে সামীপ্য মুক্তি বোলে।

যিসকল দ্বিজে গুৰু প্ৰদৰ্শিত পথেদি মোৰ অবিনাশী স্বৰূপৰ ধ্যান কৰে, তেওঁলোকে ভ্ৰমৰ কীটৰ দৰে মোৰ সাযুজ্য মুক্তি লাভ কৰে। মোৰে সৈতে মিলি একে হৈ যোৱাকে সাযুজ্য মুক্তি বোলে। এই মুক্তি প্ৰাণীসকলৰ পৰম কল্যানদায়ক, আৰু ব্ৰহ্মানন্দৰ উদ্বোধক। সালোক্য মুক্তিকে আদি কৰি যি চাৰি বিধ মুক্তিৰ কথা কোৱা হল, ইয়াক পাবলৈ মোক একান্তমনে উপাসনা কৰিব লাগে। ধ্যান ধাৰণা আদি উপাসনাৰে মোক সন্তুষ্ট নকৰিলে ইয়াক পোৱা নাযায়।

কি উপায়েৰে কৈৱল্য মুক্তি সাধিত হয়, এতিয়া তাক কওঁ শুনা। অকল মাণ্ডুক্য উপনিষদেই মুক্তিকামী-সকলক কৈৱল্য মুক্তি দিব পাৰে। মাণ্ডুক্য উপনিষদ অধ্যয়ন কৰাতো যদি জ্ঞান নজন্মে, তেন্তে দহখন উপনিষদ ( দশোপনিষদ ) অধ্যয়ন কৰিব লাগে।

হনুমান! এই দশোপনিষদ পঢ়িলে শীঘ্ৰে জ্ঞান পাবা আৰু মোৰ ধামলৈ যাব পাৰিবা। হে অঞ্জনাসুত! দশোপনিষদ পঢ়ি শেষ কৰাতো যদি মনৰ দৃঢ়তা নজন্মে,

তেনেহলে বত্রিশখন উপনিষদ পঢ়ি সংসাৰ বন্ধনৰ পৰা মুক্ত হব পাৰিবা। বিদেহ মুক্তিতহে যদি তোমাৰ একান্ত অনুৰাগ আছে, তেনেহলে অষ্টোত্তৰশত উপনিষদ পঢ়িবা।

এই অষ্টোত্তৰশত উপনিষদ কি ক্ৰমত পঢ়িব লাগে আৰু সিবিলাকৰ শান্তিমন্ত্ৰ কি কি এইবোৰ কওঁ শুনা, কাৰণ উপনিষদ পঢ়িবলৈ এটা ক্ৰম আছে, সেই ক্ৰম মতেহে পঢ়িব লাগে, আৰু একোখন উপনিষদ পঢ়োতে একোটা একোটা শান্তিমন্ত্ৰ উচ্চাৰণ কৰিব লাগে; ক্ৰম ভঙ্গ কৰিলে আৰু শান্তিমন্ত্ৰ উচ্চাৰণ নকৰিলে ফলৰ ব্যাঘাত জন্মে।

বাৰু আগেয়ে অষ্টোত্তৰশত উপনিষদনো কি, কি, তাকে শুনি লোৱা, তেহে পাচত ক্ৰম আৰু শান্তিমন্ত্ৰ ঠিক কৰিবলৈ উজু হব।

(১) ঈশ (২) কেন (৩) কঠ (৪) প্ৰশ্ন (৫) মুণ্ড (৬) মাণ্ডুক্য (৭) তিত্তিৰি (৮) ঐতৰেয় (৯) ছান্দোগ্য (১০) বৃহদাৰণ্যক (১১) ব্ৰহ্ম (১২) কৈবল্য (১৩) জাবাল (১৪) শ্বেতাশ্ব (১৫) হংস (১৬) আৰুণি (১৭) গৰ্ভ (১৮) নাৰায়ণ (১৯) হংস [ পৰম হংসোপনিষদ ] (২০) বিন্দু [ অমৃত বিন্দুপনিষদ ] (২১) নাদ [ অমৃত নাদ ] (২২) শিৰ [ অথৰ্ব্বশিৰ ] (২৩) শিখা [ অথৰ্ব্ব শিখা ] (২৪) মৈত্ৰায়ণি (২৫) কৌশিতকী (২৬) বৃহজ্জাবাল (২৭) তাপনী [নৃসিংহ তাপনী ] (২৮) কালাগ্নিৰুদ্ৰ (২৯) মৈত্ৰেয়ী (৩০) সুবল (৩১) ক্ষুৰি (৩২) মন্ত্ৰিকা (৩৩) সৰ্ব্বসাৰা (৩৪) নিৰালম্ব (৩৫) ৰহস্য [ শুকৰহস্য ] (৩৬) বজ্ৰস্থচিক (৩৭) তেজ [ তেজোবিন্দু ] (৩৮) নাদ [ নাদবিন্দু ] (৩৯) ধ্যান [ ধ্যানবিন্দু ] (৪০) বিদ্যা [ ব্ৰহ্মবিদ্যোপনিষদ্ ] (৪১) যোগতত্ত্ব (৪২) আত্মবোধক (৪৩) পৰিব্ৰাট্ [ নাৰদ পৰিব্ৰাট্ ] (৪৪) ত্ৰিশিখী [ ত্ৰিশিখী ব্ৰাহ্মণোপনিষদ ] (৪৫) সীতা (৪৬) চূড়া [ যোগচূড়ামণি ] (৪৭) নিৰ্ব্বাণ (৪৮) মণ্ডল [মণ্ডলব্ৰাহ্মণোপনিষদ ] (৪৯) দক্ষিণা [ দক্ষিণামূৰ্ত্ত্যুপনিষদ্ ] (৫০) শৰভ (৫১) স্কন্দ (৫২) মহানাৰায়ণ (৫৩) অদ্বয় [ তাৰকোপনিষদ ] (৫৪) ৰহস্য [ ৰামৰহস্যোপনিষদ ] (৫৫) ৰামতাপন (৫৬) বাসুদেৱ (৫৭) মুদ্গল (৫৮) শাণ্ডিল্য (৫৯) পৈঙ্গল (৬০) ভিক্ষু (৬১) মহৎ [ মহোপনিষদ্ ] (৬২) শাৰীৰক (৬৩) শিখা [ যোগশিখোপনিষদ ] (৬৪) তুৰীয়াতীত (৬৫) সংন্যা… (৬৬) পৰিব্ৰাজ [ পৰমহংসপৰিব্ৰাজকোপনিষদ্ (৬৭) অক্ষ… মালিকা (৬৮) অব্যক্ত (৬৯) একাক্ষৰ (৭০) পূৰ্ণ… [ অন্নপূৰ্ণোপনিষদ ] (৭১) সূৰ্য্য (৭২) অক্ষি (৭৩) অধ্যা… (৭৪) কুণ্ডিকা (৭৫) সাবিত্ৰী (৭৬) আত্মা (৭৭) পাশুপ… (৭৮) পৰমব্ৰহ্ম. (৭৯) অবধূত. (৮০) ত্ৰিপুৰাতপন (৮১)… দেৱী. (৮২) ত্ৰিপুৰা, (৮৩) কঠ, (কঠৰুদ্ৰোপনিষদ্ ) (৮৪)… ভাবনা. (৮৫) হৃদয়, (৮৬) কুণ্ডলী ( যোগকুণ্ডলী ) (৮৭) ভস্ম… ( ভস্মজাবাল ) (৮৮) ৰুদ্ৰাক্ষ (৮৯) গণ ( গণপত্যুপনিষদ্ ) (৯০) দৰ্শন (জাবালদৰ্শনোপনিষদ্ (৯১) তাৰ সাৰ (৯২) মহা… বাক্য (৯৩) পঞ্চব্ৰহ্ম (৯৪) অগ্নিহোত্ৰ ( প্ৰাণাগ্নি হোত্ৰোপনি… ষদ ) (৯৫) গোপালতপন (৯৬) কৃষ্ণ (৯৭) যাজ্ঞবল্ক্য (৯৮)… বৰাহ (৯৯) শাট্যায়নী (১০০) হয়গ্ৰীৱ (১০১) দত্তাত্ৰে… (১০২) গাৰুড় (১০৩) কলি ( কলিসন্তৰণোপনিষদ ) (১০৪) জাবালি (১০৫) সৌভাগ্য (১০৬) ৰহস্য ( সৰস্বতী ৰহস্য ) (১০৭) ঋচ (১০৮) মুক্তিক ( মুক্তিকোপনিষদ্ )।

এইবিলাকেই অষ্টোত্তৰশত উপনিষদ্। ই আধ্যাত্মিক আধিদৈৱিক আৰু আধিভৌতিক এই ত্ৰিতাপ নষ্ট কৰে… নিৰ্ম্মল জ্ঞান দিয়ে, মনত বৈৰাগ্য জন্মায় আৰু… লোকবাসনা, শাস্ত্ৰবাসনা আৰু দেহবাসনা, এই ত্ৰিবিধ… বাসনা দূৰ কৰে।

যি দ্বিজশ্ৰেষ্ঠসকলে, বেদবিদ্যাসম্পন্ন ব্ৰতপৰায়ণ… সুস্নাত. আৰু আত্মতত্ত্বজ্ঞ গুৰুৰ মুখৰ পৰা এই অষ্টোত্তৰ… শত উপনিষদ্ গ্ৰহণ কৰি পাঠৰ আদি আৰু অন্ত… স্ব স্ব শান্তিমন্ত্ৰ উচ্চাৰণপূৰ্ব্বক পাঠ কৰে ( উপনিষদ… পাঠ কৰিবৰ সময়ত যি উপনিষদৰ যি শান্তিমন্ত্ৰ উক্ত… আছে সেই শান্তিমন্ত্ৰ আদি আৰু অন্তত উচ্চাৰণ… কৰি উপনিষদ্ পাঠ কৰিব লাগে; যিসকলে তেনেকৈ… কৰে) তেওঁলোক প্ৰাৰব্ধ কৰ্ম্মক্ষয় পৰ্য্যন্ত জীৱন্মুক্ত… অৱস্থাত থাকি, প্ৰাৰব্ধ কৰ্ম্মক্ষয় হলে মোৰ সাযুজ্য… বিদেহ মুক্তি লাভ ক'ৰে। ইয়াত অকণো সন্দেহ নাই…

আৰু বহুত উপনিষদ আছে কিন্তু সকলোকিনি… উপনিষদৰ ভিতৰত এই এশ আঠখন উপনিষদ… শ্ৰেষ্ঠ। এবাৰ মাথোন ইয়াক শুনিলেই সকলো পাপ… ৰাশি নিৰ্ম্মূল হয়। হে বায়ুপুত্ৰ! তুমি মোৰ প্ৰিয়…



শিষ্য আৰু প্ৰধান ভক্ত; সেই দেখিহে. এই অষ্টোত্তৰশত উপনিষদ অতি গোপনীয় হোৱাতো মই তোমাৰ আগত প্ৰকাশ কৰিলো। জ্ঞানতেই হওক বা অজ্ঞানতেই হওক ইয়াক এবাৰ মাথোন পাঠ কৰিলেই সংসাৰ বন্ধনৰ পৰা মুক্ত হব পাৰি।

যাচকৰ মনোবাঞ্ছা পূৰণৰ বাবে লাগিলে ৰাজ্য দান কৰিবা. নাইবা সমস্ত সম্পত্তিকে দি দিবা. তথাপি এই অষ্টোত্তৰশত উপনিষদ্ যাকে তাকে নিদিবা। কথাটি সিমান স্পষ্ট নহল। অলপ বহলাই স্পষ্টকৈ কওঁ শুনা, যি বোৰ নাস্তিক, ঈশ্বৰৰ অস্তিত্বত বিশ্বাস নকৰে, কৃতঘ্ন, উপকাৰীৰ উপকাৰ মনত নাৰাখে. বৰং উপকাৰীক হিংসাহে কৰে, অত্যাচাৰী, বেদ বিধি উল্লঙ্ঘন কৰি অসৎ কাৰ্য্যত প্ৰবৃত্ত হয়, যিবোৰৰ মোত ভক্তি নাই, আৰু যিবোৰ শাস্ত্ৰজ্ঞানহীন অথচ অন্ধবিশ্বাসকে আকোৱালি ধৰি শাস্ত্ৰৰূপ গৰ্ত্তত পৰি থাকে, আৰু বিশেষকৈ যিবোৰ গুৰু-ভক্তিহীন, সেইবোৰক কদাপি এই উপনিষদ বিদ্যা ( ব্ৰহ্মবিদ্যা ) দান নকৰিবা।

হে মাৰুতি, যি শিষ্য গুৰু-ভক্তিপৰায়ণ, সৎকাৰ্য্যত প্ৰবীন, আৰু যাৰ মোলৈ দৃঢ় ভক্তি আছে, যাৰ স্বভাৱ চৰিত্ৰ ভাল, যাৰ বুদ্ধি বৰ তীক্ষ্ণ আৰু ধাৰনাশীল, যাৰ গাত নৱবিধ সজ্জ লক্ষণ থাকে, অৰ্থাৎ আচাৰ, বিনয়, বিদ্যা, প্ৰতিষ্ঠা. তীৰ্থদৰ্শন. নিষ্ঠা, শান্তি, তপস্যা আৰু দান, এই ন বিধ যাৰ আছে, তেনে লোককহে ভালদৰে পৰীক্ষা কৰি চাই চিন্তেহে এই অষ্টোত্তৰশত উপনিষদ্ বিদ্যা শিক্ষা দিবা। যি জনে এই উপনিষদ্ বিদ্যা অধ্যয়ন কৰে নাইবা যি ভক্তিপূৰ্ব্বক শ্ৰৱণ কৰে সি নিশ্চয় মোক পাবই পাব, ইয়াত তিলমানো সন্দেহ নাই।

এই উপনিষদ্ বিদ্যা দানৰ বিষয়ে বেদত কি কৈছে চোৱা।—উপনিষদ্ বিদ্যাই ব্ৰাহ্মণৰ ওচৰ চাপি কলে, "হে ব্ৰাহ্মণ, তুমি মোক গুপ্ত ভাবে ৰক্ষা কৰিবা আৰু মোৰ সেৱা শুশ্ৰূষা কৰিবা। যিবোৰ মানুহ পৰশ্ৰীকাতৰ, যিবোৰ হিংসুক, যিবোৰ মিছলীয়া, আৰু যিবোৰ প্ৰবঞ্চনাকাৰী, সিহঁতৰ ওচৰত মোক প্ৰকাশ নকৰিবা।—তেহে মই সম্পূৰ্ণ ফলৱতী হম।

আৰু যিলোক শিক্ষিত জ্ঞানী স্থিৰ গম্ভীৰ, মেধাৱী আৰু ব্ৰহ্মচৰ্য্যপৰায়ণ, তেনে লোকক গুৰুৱে ভালকৈ পৰীক্ষা কৰিহে এই আত্মতত্ত্ব বিষয়ক বৈষ্ণৱী বিদ্যা দান কৰিব।"

হনুমান—প্ৰভু! ঋগ্বেদাদি ক্ৰম অনুসাৰে উপনিষদ্ বিলাকৰ শান্তিমন্ত্ৰ কি, কি, অনুগ্ৰহ কৰি প্ৰকাশ কৰক।

শ্ৰীৰামচন্দ্ৰ—১। ঐতৰেয় ২। কৌষিতকী ৩। নাদবিন্দু ৪। আত্ম-প্ৰবোধ. ৫। নিৰ্ব্বান ৬। মুদ্গল ৭। অক্ষমালিকা ৮। ত্ৰিপুৰা ৯। সৌভাগ্য ১০। বহ্বৃচ; এই দহখন উপনিষদ্ ঋগ্বেদৰ ভিতৰুৱা আৰু এইবিলাকৰ শান্তিমন্ত্ৰ হৈছে.—"বাঙ্মেমনসি" ইত্যাদি।

১। ঈশ, ২। বৃহদাৰণ্যক, ৩। জাবাল, ৪। হংস. ৫। পৰমহংস, ৬। সুবাল ৭। মন্ত্ৰিকা ৮। ত্ৰিপুৰা ৯। সৌভাগ্য ১০। ব্ৰাহ্মণমণ্ডল ১১। ব্ৰাহ্মণদ্বয়তাৰক ১২। পৈঙ্গল ১৩। ভিক্ষু ১৪। তুৰীয় ১৫। অতীতাধ্যায় ১৬। তাৰসাৰ ১৭। যাজ্ঞবল্ক্য ১৮। শাট্যায়নী ১৯। মুক্তিক; এই উনৈশখন উপনিষদ্ শুক্ল যজুৰ্ব্বেদৰ ভিতৰুৱা আৰু এইবিলাকৰ শান্তিমন্ত্ৰ, "পূৰ্ণমদঃ" ইত্যাদি।

১। কঠবল্লী ২। তৈত্তিৰীয়ক ৩। ব্ৰহ্ম ৪। কৈবল্য ৫। শ্বেতাশ্বতৰ ৬। গৰ্ভ ৭। নাৰায়ণ ৮। অমৃতবিন্দু ৯। অমৃতনাদ ১০। কালাগ্নিৰুদ্ৰ ১১। ক্ষুৰিকা ১২। সৰ্ব্বসাৰ ১৩। শুকৰহস্য ১৪। তেজোবিন্দু ১৫। ধ্যানবিন্দু ১৬। ব্ৰহ্মবিদ্যা ১৭। যোগতত্ত্ব ১৮। দক্ষিণামূৰ্ত্তি ১৯। স্কন্দ ২০। শাৰীৰক ২১। যোগশিখা ২২। একাক্ষৰ ২৩। অক্ষি ২৪। অবধূত ২৫। কঠৰুদ্ৰ ২৬। হৃদয় ২৭। যোগকুণ্ডলী ২৮। পঞ্চব্ৰহ্ম ২৯। প্ৰানাগ্নিহোত্ৰ ৩০ বৰাহ ৩১। কলিসন্তৰণ ৩২। সৰস্বতী ৰহস্য, এই বত্রিশখন উপনিষদ্ কৃষ্ণযজুৰ্ব্বেদৰ অন্তৰ্গত। এই বিলাকৰ শান্তিমন্ত্ৰ "সহনাববতু" ইত্যাদি।

১। কেন ২। ছান্দোগ্য ৩। আৰুণি ৪। মৈত্ৰেয়ী ৫। বজ্ৰস্থচিক ৬। যোগচূড়ামণি ৭। বাসুদেৱ ৮। মহৎ

৯। সংন্যাস ১০। অব্যক্ত ১১। কুণ্ডিকা ১২। সাবিত্ৰী ১৩। ৰুদ্ৰাক্ষ ১৪। জাবাল দৰ্শন ১৫। মৈত্ৰায়ণী ১৬। জাবালী, এই যোলখন উপনিষদ সামবেদৰ ভিতৰুৱা, আৰু এই এই বিলাকৰ শান্তিমন্ত্ৰ হৈছে "আপ্যায়ন্ত্ব" ইত্যাদি।

১। প্ৰশ্ন ২। মুণ্ডক ৩। মাণ্ডুক্য ৪। অথৰ্ব্বশিৰ ৫। অথৰ্ব্বশিখা ৬। বৃহজ্জাবাল ৭। নৃসিংহতাপনি ৮। নাৰদ পৰিব্ৰাজ ৯। সীতা ১০। সৰভ ১১। মহানাৰায়ণ ১২। ৰামৰহস্য ১৩। ৰামতাপনি ১৪। শাণ্ডিল্য ১৫। পৰমহংস পৰিব্ৰাজ ১৬। অন্নপূৰ্ণা ১৭। সূৰ্য্যাত্ম ১৮। পাশুপত ১৯। পৰব্ৰহ্ম ২০। ত্ৰিপুৰাতপন ২১। দেৱী ২২। ভাৱনা ২৩। ভস্ম ২৪। জাবাল ২৫। গণপতি ২৬। মহাবাক্য ২৭। গোপালতপন ২৮। কৃষ্ণ ২৯। হয়-গ্ৰীৱ ৩০। দত্তাত্ৰেয় ৩১। গাৰুড়, এই একত্ৰিশখন উপনিষদ অথৰ্ব্ব বেদৰ অন্তৰ্গত আৰু এই বিলাকৰ শান্তিমন্ত্ৰ "ভদ্ৰং কৰ্ণেভিঃ" ইত্যাদি।

মুক্তিকামী লোকসকলে চতুঃসাধনৰ আশ্ৰয় লব আৰু সমিধাদি উপহাৰ বস্তু হাতত লৈ সদ্ গুৰুৰ ওচৰত উপস্থিত হৈ তেওঁৰ পৰা শাস্ত্ৰৰ বিধানমতে এই এশ আঠখন উপনিষদ অধ্যয়ন কৰি সদায় শ্ৰৱণ, (১) মনন আৰু নিদিধ্যাসন আদি আচৰণ কৰিব। এনে আচৰণ কৰোঁতে কৰোঁতে প্ৰাৰব্ধ কৰ্ম্ম ক্ষয় হব আৰু ত্ৰিদেহ অৰ্থাৎ সূক্ষ্মদেহ স্থূলদেহ আৰু অধি-ষ্ঠানদেহ (সূক্ষ্মদেহৰ আশ্ৰয়দেহ) এই তিনি প্ৰকাৰ দেহ বিনষ্ট হব। তেতিয়া উপাধিমুক্ত ঘটাকাশৰ (২) দৰে পৰিপূৰ্ণতাৰূপ বিদেহ মুক্তি লাভ কৰিব। ইয়াকেই কৈবল্য মুক্তি বোলে।

চাৰি বিধ সাধনকে চতুঃসাধন বোলে। সেই চাৰি বিধ এই:—(১) জগতৰ কি বস্তু নিত্য আৰু কি অনিত্য ইয়াৰ বিচাৰ, (২) ইহকাল আৰু পৰকালত কৰ্ম্মফলৰ কামনা শূন্যতা। (৩) শম-দমাদি সাধন। (৪) মুক্তিৰ স্পৃহা। এই চাৰিবিধ সাধনৰ নাম চতুঃসাধন বা সাধন-চতুষ্টয়।

আগতে সদ্গুৰুৰ কথা কৈ অহা হৈছে, এতিয়া সদ্গুৰু কাক বোলে কওঁ শুনা:—যাৰ ঈশ্বৰত আৰু শাস্ত্ৰবাক্যত শ্ৰদ্ধা আছে; যি সৎ বিপ্ৰকুলত জন্ম লভিছে; যি বেদজ্ঞ আৰু শাস্ত্ৰবৎসল; যি সকলো সদ্গুণৰ আধাৰ; যাৰ হৃদয় সৰল; যি সমস্ত প্ৰাণীৰ হিতকৰ কাৰ্য্যত সদায় একাগ্ৰতাৰে নিযুক্ত থাকে; আৰু যাৰ অন্তঃকৰণ দয়াৰে পৰিপূৰ্ণ, এনে গুৰুকে সদ্গুৰু বোলে।

আন কি, যি সকলে নিজ২ সৎকৰ্ম্মৰ ফলত ব্ৰহ্ম-লোকত বাস কৰিছেগৈ, সেইসকলেও তাত ব্ৰহ্মাৰ মুখৰ পৰা বেদান্ত (উপনিষদ্) শুনে আৰু শ্ৰৱণ মনন আদি অনুষ্ঠান কৰি তেওঁৰে সৈতে কৈবল্য মুক্তি লাভ কৰে। এতেকে সকলোৱে নিৰ্ম্মল বেদান্ত জ্ঞানৰ দ্বাৰাহে কৈবল্য মুক্তি লাভ হয়। অকল কৰ্ম্মযোগ, সাংখ্য-যোগ নাইবা উপাসনাৰে কৈবল্য মুক্তি পোৱা নাযায়। কৈবল্য মুক্তিৰ একমাত্ৰ উপায় জ্ঞানযোগ।

## দ্বিতীয় অধ্যায়।

হনুমান — প্ৰভু! শ্ৰীৰামচন্দ্ৰ! জীৱন্মুক্তি আৰু বিদেহ-মুক্তি কাক বোলে? আৰু এই দুবিধ মুক্তিৰ প্ৰমাণ কি? এই মুক্তি কেনেকৈ সিদ্ধ হয়? আৰু এই মুক্তি সাধিত হলে তাৰপৰানো কি প্ৰয়োজন সিজে?

শ্ৰীৰামচন্দ্ৰ— মই এই কাম কৰিলোঁ, মই সুখ পাইছোঁ নাইবা দুখত পৰিছোঁ—এনে প্ৰকাৰৰ দেহকে আত্ম-বোধ কৰোঁৱা চিত্তবৃত্তিয়েই মানুহৰ বন্ধনৰ কাৰণ। এনে-বোৰ দেহাত্মবোধৰ নিবৃত্তিকে জীৱন্মুক্তি বোলে। জীৱ-ন্মুক্ত পুৰুষৰ দেহাভিমান বা অলীক দেহাত্মবোধ দূৰ

(১) বেদবাক্যৰ দ্বাৰা আত্মতত্ত্ব শুনাকে শ্ৰৱণ বোলে। সাংখ্য আদি দৰ্শনৰ যুক্তিৰে সেই শুনা কথা প্ৰমাণিত কৰাকে মনন বোলে আৰু মননৰ পাচত সেই বিষয় ধ্যান কৰাকে নিদিধ্যাসন বোলে।

(২) যেতিয়ালৈকে ঘট থাকে তেতিয়ালৈকে ঘটৰ ভিতৰত থকা আকাশক ঘটাকাশ বোলা যায়, কিন্তু ঘট ভাগি গলে ঘটৰ ভিতৰত থকা আকাশৰ ঘটাকাশ নাম নেথাকে। তেতিয়া সি মহাকাশৰ লগত মিলি যায়।



হয়। আৰু উপাধিবিমুক্ত ঘটাকাশৰ দৰে (ঘটৰ ভিতৰত থকা আকাশ, ঘটাকাশ নামেৰে অভিহিত হলেও ঘট ভগাৰ পাচত সি মহাকাশত মিলি মহাকাশ নাম পায় আৰু সংকীৰ্ণতাবোধক ঘটাকাশ উপাধি বা নাম দূৰ হয়) প্ৰাৰব্ধ কৰ্ম্ম ক্ষয় হলে তাৰ লগে লগে ত্ৰিদেহ নষ্ট হয়। তাকে বিদেহ মুক্তি বোলে। এই অষ্টোত্তৰশত উপনিষদেই জীৱন্মুক্তি আৰু বিদেহ মুক্তিৰ অকাট্য প্ৰমাণ।

যেতিয়া মানুহৰ মনৰ পৰা 'মই কৰ্ত্তা, মই ভোক্তা' ইত্যাদি অভিমান দূৰ হয়; তাৰ লগে লগে দুখো অন্ত-ৰ্হিত হয়। তেতিয়া বিমল নিত্যানন্দৰ উদয় হয়। এই বিমল নিত্যানন্দৰ কাৰণেই দুয়ো বিধ মুক্তিৰ প্ৰয়োজন। এই মুক্তি পাবলৈ মানুহে অশেষ সাধ্য-সাধনা কৰিব লাগে, অনায়াসে তাক পোৱা নাযায়।

যেনেকৈ পুত্ৰ পাবলৈ কামনা কৰা লোকে পুত্ৰেষ্টি যজ্ঞ কৰি পুত্ৰ পায়; ধন পাবলৈ একান্ত আগ্ৰহ থকা লোকে বাণিজ্য ব্যৱসায় চলাই ধন আৰ্জ্জে; আৰু স্বৰ্গবাসত অনুৰাগী লোকে জ্যোতিষ্টোম যজ্ঞ কৰি স্বৰ্গ পায়; তেনেকৈ মানুহে অশেষ কঠোৰ পৰিশ্ৰমেৰে বেদান্ত আদি শাস্ত্ৰ পঢ়ি শ্ৰৱণ, মনন, আৰু নিদিধ্যাসন আদিৰে সমাধি লাভ কৰে, আৰু শেষত সমাধিৰ দ্বাৰা সকলো প্ৰকাৰৰ বাসনা দূৰ হলে, জীৱন্মুক্তি আদি অৱস্থা পায়। সমস্ত বাসনাৰাশি দূৰ নহলে জীৱন্মুক্তি আদি অৱস্থা পোৱা অসম্ভৱ।

শ্ৰীৰামচন্দ্ৰই পুনঃ কবলৈ ধৰিলে—হনুমান! এই কথা-খিনি কোৱাত অতি সংক্ষেপ হল, এতিয়া তাক বহলাই কওঁ শুনা। মানুহৰ চেষ্টা দুবিধ,—এক হৈছে উচ্ছাস্ত্ৰ অৰ্থাৎ শাস্ত্ৰগৰ্হিত আন বিধ হৈছে শাস্ত্ৰিত অৰ্থাৎ শাস্ত্ৰানুমোদিত। ইয়াৰ ভিতৰত শাস্ত্ৰগৰ্হিত চেষ্টাৰ দ্বাৰা মানুহৰ মহৎ অনিষ্ট ঘটে। আৰু শাস্ত্ৰানুমোদিত বা শাস্ত্ৰবিহিত চেষ্টাৰ দ্বাৰা মানুহৰ পৰমাৰ্থ সাধিত হয়।

মানুহৰ বাসনা তিনি বিধ;—যেনে, লোকবাসনা, শাস্ত্ৰবাসনা, আৰু দেহবাসনা। এই বাসনা তিনি বিধৰ ভিতৰত কোনো এবিধৰ দ্বাৰাও সম্যক জ্ঞান নজন্মে। এই বাসনাবিলাকক দুভাগত ভগাব পাৰি। যেনে শুভ বাসনা আৰু অশুভ বাসনা। শুভ বাসনাবিলাকৰ পৰা ঈশ্বৰানুমান জন্মে। ঈশ্বৰক জানিব পাৰিলে শীঘ্ৰে মোৰ নিত্য-পদ পাব পাৰিবা। যদিহে অশুভ বাসনাৰ লগ লোৱা, তেনেহলে সি তোমাক সংসাৰ যন্ত্ৰণাত পেলাই মাৰিব। হে হনুমান! এতেকে তুমি অতি যত্নেৰে প্ৰাক্তনৰ (পূৰ্ব্বজন্মৰ) অশুভ বাসনাবোৰ ক্ষয় কৰি সিইতক বিসৰ্জ্জন দিয়া। বাসনা নদী, শুভ আৰু অশুভ এই দুই সুঁতিয়েদি দুধাৰা হৈ বৈ গৈছে। এতেকে অহোপুৰুষাৰ্থ কৰি তাক শুভ সুঁতিত বৈ যাবলৈ দিয়া, অৰ্থাৎ তোমাৰ বাসনা যাতে দুধাৰা নহৈ একধাৰা হৈ শুভ পথত গতি কৰে তাৰ বাবে একান্ত চেষ্টা কৰিবা।

অশুভ বাসনাত লিপ্ত হল গোজা মনক ঘূৰাই আনি শুভ বাসনাত নিযুক্ত কৰিব লাগে। অশুভ বাসনাৰ পৰা মনক আকৰ্ষণ কৰি আনিব পাৰিলে সি শুভ বাসনাৰ লগ লয়। কাৰণ সাধাৰণতে মন বাসনাহীন হৈ থাকিব নোৱাৰে, তাক আশ্ৰয় কৰিবলৈ এটা বাসনা বা বিষয় লাগেই লাগে। কিন্তু অতি যত্নেৰে তাক শুভ বাসনাতে নিযুক্ত কৰি ৰাখিব নোৱাৰিলে, সি অশুভ বাসনালৈ লৰ মাৰে। তেনেহলে বিপৰীত ফল ধৰে। এতেকে অতি সাৱধানে মনক শুভ বাসনাত নিযুক্ত কৰি ৰাখিব লাগে।

হে শত্ৰু নাশকৰোঁতা হনুমান! তুমি অতি সাৱধানে অতি যত্নেৰে চিত্ত-শিশুক লালন-পালন কৰিবা। পুনঃ পুনঃ চেষ্টা আৰু অভ্যাসৰ বলত প্ৰথমে শুভ বাসনাৰ আশ্ৰয় লৈ অশুভ বাসনা দূৰ কৰা, পিচত শুভ বাস-নাকো বিসৰ্জ্জন দিয়া। তেতিয়াহে অভ্যাস সফল হোৱা বুলি জানিবা। হে পৱননন্দন! শুভ বা অশুভ বাস-নাৰ সংশয় জন্মিলে শুভ বাসনাকে অৱলম্বন কৰিবা। কিয়নো, শুভ বাসনা বৃদ্ধি হলেও কদাপি কোনো দোষ নঘটে।

হে মহামতি হনুমান! বাসনাক্ষয়, বিজ্ঞান আৰু চিত্ত-নাশ এই তিনিওকো একে লগে (যুগপৎ) এক সময়ৰ পৰা অভ্যাস কৰিব লাগে। এনেকৈ দীৰ্ঘকাল অভ্যাস কৰিলেহে এইবোৰৰ ফল পোৱা যায়; অৰ্থাৎ বাসনা-ৰাশি ক্ষয় হয়, বিজ্ঞান জন্মে আৰু তেনে অৱস্থাত

মনে বাসনা গ্ৰহণৰ শক্তি হেৰুৱাই নিজে২ অকৰ্ম্মণ্য হয়। কিন্তু যেতিয়ালৈকে পুনঃ২ অভ্যাসৰ দ্বাৰা এই তিওনিটি অভ্যস্ত হৈ নুঠে, তেতিয়ালৈকে, শ শবছৰ পূৰ হলেও ঈশ্বৰপদ পোৱা নাযায়। অৰ্থাৎ বাসনাক্ষয়, বিজ্ঞান আৰু চিত্তনাশ নহলে, শ-শবছৰ চেষ্টা কৰিও মুক্তি পোৱা অসম্ভৱ।

আৰু যদি এই তিনিটিৰ ( বাসনাক্ষয়, বিজ্ঞান, আৰু চিত্তনাশৰ ) বেই সেই এটিহে অভ্যাস কৰা হয়, তেন্তে চিৰকাল অভ্যাস কৰি থাকিলেও সি অফলে যায়। উদাহৰণ চোৱাঁ,—যেনেকৈ কোনো মন্ত্ৰ সম্পূৰ্ণ পাঠ নকৰি তাৰ এটা ভাগ বা অংশ পাঠ কৰিলে সি ফল দিব নোৱাৰে, তেনেকৈ ইহঁতকো যুগপৎ অভ্যাস নকৰিলে ইহঁতৰ এটা এটাই কোনো ফল নিদিয়ে।

মৃণাল এডাল কাটি দোছোৱা কৰিলে তাৰ মাজত থকা সূতাবোৰো কটা যোৱাৰ দৰে, এই বাসনাক্ষয় বিজ্ঞান আৰু চিত্তনাশ এই তিনটিক দীৰ্ঘকাল অভ্যাস কৰিলে, তাৰ লগতে দৃঢ় চিত্তগ্ৰন্থিবোৰো নষ্ট হয়, ইয়াত অলপো সন্দেহ নাই। সংসাৰ বাসনা যদিও মিছা তথাপি সি যেতিয়া শত শত জন্ম জন্মান্তৰৰ পৰা অভ্যস্ত হৈ চলি আহিছে, তেনে স্থলত বহুকাল অভ্যাস নকৰিলে তাক কদাপি এৰিব নোৱাৰি। হে হনুমান! এতেকে তুমি ভালদৰে বিবেচনা কৰি চাই অশেষ পুৰুষাৰ্থ কৰি ভোগ বাসনাক দূৰতে বিদূৰ কৰা। আৰু বাসনাক্ষয়াদি কাৰ্য্য তিনিটিৰ আশ্ৰয় লোৱাঁ।

পণ্ডিতসকলে বাসনাযুক্ত মনক বদ্ধ আৰু সম্পূৰ্ণ বাসনাহীন মনক মুক্ত বুলি কয়। হনুমান! তোমাৰ মন যাতে বাসনাহীন কৰিব পাৰাঁ তাৰ বাবে তুমি তেনে আচৰণ কৰা। ভালদৰে ব্ৰহ্মতত্ত্বৰ আলোচনা কৰিলে মনৰ পৰা বাসনাৰাশি নিৰ্ম্মূল হয়। যেনেকৈ বতাহ নবলা ঠাইত চাকি নিশ্চল হৈ থকাৰ দৰে, বাসনাহীন মনো নিশ্চল হয়, আৰু সি শান্তি লাভ কৰে। যি লোকে সংসাৰৰ সকলো প্ৰকাৰ বাসনা পৰিত্যাগ কৰি চৈতন্য স্বৰূপ ( চিন্মাত্ৰবিগ্ৰহ ) মোত চিত্তস্থাপন কৰে, তেনে লোকৰ সংসাৰলৈ বাঞ্ছা বা আগ্ৰহ নাইকিয়া হয়। আৰু সি মোৰ স্বৰূপ লাভ কৰি সচ্চিদানন্দ ( নিত্য চৈতন্যস্বৰূপ বিমল আনন্দ ) উপভোগ কৰিব পাৰে।

যাৰ হৃদয়ৰ পৰা বাসনাৰাশি দূৰ হৈছে, তেনে পুৰুষে সমাধি বা অন্য কৰ্ম্ম কৰক বা নকৰক সৰ্ব্বদা আৰু মুক্ত পুৰুষ বুলি মানিবা। তেনে পুৰুষে নিজৰ কৰ্ম্মকো পৰিত্যাগ কৰিব পাৰে; সকাম কৰ্ম সমাধি বা জপ আদি কৰাৰ তো তেতিয়া আৱশ্যকেই নাথাকে। বাসনাসমূহ পৰিত্যাগ কৰি মৌনী হৈ নাথাকিলে পৰম পদ পাব নোৱাৰি। বাসনাযুক্ত চক্ষু কৰ্ণ, আদি ইন্দ্ৰিয়বিলাক বাহ্য বিষয়বিলাকত স্বভাৱিকতে লিপ্ত হয়; বাসনাই ইয়াৰ একমাত্ৰ মূল কাৰণ।

অনায়াসে দেখা পাব পৰা আৰু চাবলগীয়া বস্তুৰ ওপৰত বাৰে বাৰে মানুহৰ দৃষ্টি পৰে; ই স্বভাৱিক। তেনেকৈ ধীৰ আৰু স্থিৰ বুদ্ধিৰ মানুহেও বাসনাত অন্ধ প্ৰাণিত হৈ কাৰ্য্যত লিপ্ত হয়। হে বায়ুনন্দন! বিষয়ৰ জ্ঞানৰ দ্বাৰা প্ৰকটিত হোৱা বিষয়ৰ অনুকূল চিত্তবৃত্তি বিশেষকে বাসনা বোলে; এয়ে বাসনাৰ সম্বন্ধে মুনিসকলৰ অভিমত।

দৃঢ় অভ্যস্ত পদাৰ্থ, অৰ্থাৎ সদায় ব্যৱহাৰ কৰা বস্তু চিন্তাতে মানুহৰ চিত্ত চঞ্চল হয়, আৰু এনে চঞ্চল চিত্তই মানুহৰ জন্ম-মৃত্যু আৰু জৰাৰ কাৰণ। কিয়নো চিত্ত স্থিৰেৰে ৰাখি তত্ত্বজ্ঞান লভিব পাৰিলেহে মুক্তি পোৱা যায়। চঞ্চল চিত্তৰ দ্বাৰা মুক্তি পাব নোৱাৰি। সেই বাবে পুনঃ২ জন্ম মৃত্যু হৈ থাকে।

বাসনাৰ বাবেহে বিষয়ৰ প্ৰতি চিত্ত ধাবমান হয়। আৰু বিষয়ৰ প্ৰতি চিত্ত ধাবিত হলে বাসনা জন্মে। এতেকে বীজাঙ্কুৰৰ প্ৰণালীত ( গছৰ গুটিৰ ভিতৰত থকা কণটোৰ পৰা প্ৰথমে অঙ্কুৰ ওলায় আৰু সেই অঙ্কুৰেই কালত হৈ এজোপা বৃহৎ গছ হৈ উঠে আৰু তাৰ গুটি ধৰে। সেই গুটিৰ ভিতৰত আকৌ বীজ উৎপন্ন হয়, সেই বীজৰ পৰা আকৌ অঙ্কুৰ হয় ) প্ৰথমে বাসনা জন্মে, বাসনাৰ পৰা চিত্তৰ বিষয়প্ৰৱণতা আৰু চিত্তৰ বিষয়-প্ৰৱণতাৰ পৰা আকৌ বাসনাৰ উদয় হয়। চিত্ত-বৃক্ষৰ বীজ দুটা, প্ৰথম, প্ৰাণস্পন্দন, দ্বিতীয় বাসনা। এই দুটাৰ যেই যেই কোনো এটা নষ্ট হলেই আনটোও লগতে নষ্ট হয়।



যি লোকে একেবাৰে সঙ্গবৰ্জ্জিত হৈ চলে, যাৰ চিত্তৰ পৰা সংসাৰৰ চিন্তা-চৰ্চ্চা একেবাৰে দূৰ হৈছে; আৰু যি এই শৰীৰক ক্ষণস্থায়ী বুলি দৃঢ় বিশ্বাস কৰে, তেওঁৰ মনলৈ বাসনা আহিব নোৱাৰে। বাসনা পৰিত্যাগ কৰিব পাৰিলে তেতিয়া আৰু চিত্তৰ * চিত্তত্ব নাথাকে। চিত্তলয় যায়।

যেতিয়া মনৰ পৰা বাসনা একেবাৰে দূৰ হয়, মনে কোনোৰূপ বিষয় গ্ৰহণ নকৰে; তেতিয়া মনৰ অস্তিত্ব নাইকিয়া হয়। এতেকে সেই অৱস্থাত পৰম শান্তিদায়ক বিবেক বুদ্ধি জন্মে। হে হনুমান! যিমান দিনলৈকে তোমাৰ মন তেনেকুৱা বিষয় বাসনাবিহীন নহয়, তিমান দিন তুমি সেই পৰমপদ বুজিব নোৱাৰিবা। এতেকে পৰমপদ নোপোৱালৈকে তুমি গুৰু-প্ৰদৰ্শিত আৰু শাস্ত্ৰবিহিত কাৰ্য্যৰ অনুষ্ঠান কৰি চলিবা। যেতিয়া তোমাৰ জ্ঞান পৰিপক্ক হৈ উঠিব, তুমি প্ৰকৃত বস্তু ব্ৰহ্মতত্ত্ব বুজ পাবা, তেতিয়া তোমাৰ মনৰ পৰা শোক তাপ দূৰ হব আৰু তেতিয়া তুমি শুভ বাসনাকো পৰিত্যাগ কৰিব পাৰিবা।

সৰূপ আৰু অৰূপ ভেদে চিত্তনাশ দুই প্ৰকাৰ। জীৱন্মুক্তিৰ সৰূপ চিত্তনাশ আৰু বিদেহ মুক্তিক অৰূপ চিত্তনাশ বোলে। হে পৱননন্দন! এতিয়া তুমি চিত্ত নাশৰ কথা মনদি শুনি লোৱাঁ। যেতিয়া তোমাৰ চিত্তনাশ হব অৰ্থাৎ চিত্তৰ পৰা বাসনাৰাশি দূৰ হব, তেতিয়া মৈত্ৰী, কৰুণা, মুদিতা আৰু উপেক্ষা আদি গুণবোৰ আহি তোমাৰ চিত্তত আশ্ৰয় লব। আৰু তেনে সময়ত তোমাৰ মন অপূৰ্ব্ব শান্তিৰে উপচি পৰিব।

সুখ শান্তিত থকা মানুহৰ লগত বন্ধুত্ব কৰাৰ নাম মৈত্ৰী। দুখীয়া লোকক দয়া কৰাকে কৰুণা বোলে। পুণ্যশীল মানুহৰ নিমিত্তে সন্তুষ্ট চিত্তে থকাকে মুদিতা, আৰু পাপী লোকৰ প্ৰতি উদাসীন ভাবে থকাকে উপেক্ষা বোলা যায়।

জীৱন্মুক্ত পুৰুষৰ মনত পুনৰ্জ্জন্মৰ নিমিত্তে বাসনা নাথাকে। এনে অৱস্থাকে সৰূপ মনোনাশ বোলা হয়। ই কেৱল জীৱন্মুক্তি অৱস্থাত বৰ্ত্তমান থাকে। অৰূপ মনোনাশ অকল বিদেহ মুক্তিৰ লগতীয়া, আনত অসম্ভৱ।

এই সংসাৰবৃক্ষৰ হাজাৰ ২ শাখা-প্ৰশাখা, হাজাৰ ২ ফল-ফুল, হাজাৰ ২ ডাল-পাত আৰু হাজাৰ ২ অঙ্কুৰ বিৰাজমান। এইদৰে বৃহৎ সংসাৰ বৃক্ষৰ মূল হৈছে একমাত্ৰ মনটো। অকল মনক আশ্ৰয় কৰিয়েই, ই তিতাপি হয়।

এই মন সংকল্পাত্মক। এতেকে তুমি এনে আচৰণ কৰা, যাতে সংকল্প নাশ কৰি শীঘ্ৰে মনৰ অস্তিত্ব নাইকিয়া কৰিব পাৰাঁ আৰু তাৰ লগতে সংসাৰ বৃক্ষ স্থূপিও নষ্ট হয়। হে হনুমান! নিজৰ মনক নিগ্ৰহ কৰিবলৈ এটা মাথোন উপায় আছে। সি এয়ে,—মনৰ অভ্যুদয়েই নাশৰ কাৰণ। আৰু মনোনাশেই মহোদয়ৰ ( মুক্তিৰ ) প্ৰকৃষ্ট উপায়। পণ্ডিতসকলেহে মনোনাশ কৰিব পাৰে; মূৰ্খৰ পক্ষে মন আনিবা লোৰ শিকলি। বাতি বেতাল ( দৈত্য বিশেষ ) বিলাক বলবান হৈ উঠাৰ দৰে মূৰ্খ মানুহৰ মনতো বাসনা বদ্ধমূল হয়।

যেতিয়ালৈকে মনক জয় কৰিব পৰা নাযায় তেতিয়ালৈকে কোনো এটা তত্ত্ব বিষয়ৰ অভ্যাস কৰিব লাগে। ক্ৰমে সেই অভ্যাস দৃঢ় হলে চিত্ত আৰু অহঙ্কাৰ ক্ষীণ হব। আৰু তেতিয়া ইন্দ্ৰিয় শত্ৰুবোৰক দমাব পাৰিবা। তেনে কৰিলেহে হেমন্ত কালৰ পদুম পাহৰ দৰে ভোগবাসনা ক্ষীণ হব। হাতক হাতে মোহাৰি দাঁতক দাঁতে চোবাই আৰু অঙ্গক অঙ্গে মৰ্দ্দন কৰি, নিজ মনক বশীভূত কৰিব লাগে। অৰ্থাৎ যেন প্ৰথমে যি কোনো সৎউপায়েৰে মনক বশ কৰি লব লাগে।

পুনঃ ২ অৰুণশৰীয়া হৈ বাস কৰিলেও সৎযুক্তিত বাজে আন উপায়েৰে মনক বশীভূত কৰিব কেতিয়াও নোৱাৰে। যেনেকৈ অঙ্কুশ নাথাকিলে দুষ্ট মদমত্ত হস্তী বশীভূত

* মনসাম গতং বিকল্পাত্মিকাহংকৰণবৃত্তি। অনুসন্ধানাত্মিকাস্তঃ- কৰণবৃত্তিশ্চিত্তম্। ( বেদান্তসাৰঃ )

সাধাৰণতে মন আৰু চিত্ত এক অৰ্থত ব্যৱহৃত হলেও প্ৰকৃততে সিহঁত দুটা বস্তু। সংকল্প বিকল্প আদি বিবিধ কল্পনা কৰিবলৈ সক্ষম অন্তঃকৰণৰ শক্তিক মন বোলে। আৰু অনুসন্ধানাত্মক অন্তঃকৰণৰ শক্তি বিশেষক চিত্ত বোলে।

নহয়, তেনেকৈ আধ্যাত্মিক বিদ্যাশিক্ষা, সাধুসঙ্গতি, বাসনা পৰিত্যাগ আৰু প্ৰাণচেষ্টাৰ নিৰোধ, এইবোৰ নহলে চিত্তজয় কৰিব নোৱাৰি। কাৰণ এইবোৰেই চিত্তজয় কৰাৰ প্ৰধান উপায়।

এইবোৰ সংযুক্তি থাকোতেও যি লোকে হঠাৎ চিত্তজয় কৰিব খোজে, সি বলিয়া হৈতাল হাতীক মৃণালৰ সূতাৰে বান্ধি ৰাখিবলৈহে মন কৰে, আৰু তাৰ চেষ্টা একেবাৰেই নিষ্ফল হয়।

নিবৃত্তি পথাৱলম্বী চিত্তবৃক্ষৰ দুটি মাত্ৰ বীজ। প্ৰথমটি প্ৰানবায়ুৰ সঞ্চালন; দ্বিতীয়টি দৃঢ় ভাবনা। এই সৰ্ব্বগামী দৃঢ় ভাবনা প্ৰাণবায়ুৰ দ্বাৰাহে পৰিচালিত হয়।

চিত্তৰ একাগ্ৰতাৰ পৰা তত্ত্বজ্ঞান জন্মে। আৰু তত্ত্বজ্ঞান জন্মিলেহে মুক্তি পোৱা যায়। চিত্তৰ একাগ্ৰতা লাভ কৰিবলৈ কেনে সাধনা কৰিব লাগে, তাক সদ্‌গুৰুৰ পৰা শিকি লবা।

সংসাৰৰ সকলো বিষয়তে বিৰক্ত হৈ পুনৰ্জ্জন্ম পাবলৈ অনাস্থা কৰি, যশস্থাৰ্লৈ অভিলাষ আৰু অপায় অমঙ্গলৰ ভয় এই দুয়োকো এৰি সদায় চিদানন্দস্বৰূপ ব্ৰহ্ম বস্তুৰ চিন্তা কৰিবা।

অপান বায়ু অস্তমিত হোৱাৰ পাচত যেতিয়ালৈকে প্ৰাণ বায়ুৰ ক্ৰিয়া আৰম্ভ নহয়, সেই অৱস্থাৰ নাম কুম্ভকাৱস্থা। আৰু এই কুম্ভকাৱস্থা যোগীসকলৰ অনুভৱবেদ্য। প্ৰাণবায়ু বাহিৰত অস্তমিত হলে অৰ্থাৎ শ্বাস-প্ৰশ্বাসৰ কাৰ্য্য বাহিৰত বন্ধ হলে, যেতিয়ালৈকে অপান বায়ু উৰ্দ্ধগামী ( উদ্গত ) নহয়, সেই অৱস্থাকে বহিষ্ঠ কুম্ভকাৱস্থা বোলে।

যেতিয়া অহঙ্কাৰ বৃত্তি নিৰোধ হয়, কেৱল ব্ৰহ্ম আকাৰে চিত্তৰ বৃত্তি জন্মে বা ব্ৰহ্মতন্ময় অৱস্থা পায়, তাক সম্প্ৰজ্ঞাত সমাধি বোলে। ধ্যান অভ্যাসৰ উৎকৰ্ষতাৰ পৰাহে এই অৱস্থা লাভ হয়। কালত গৈ যেতিয়া চিত্তৰ সকলো প্ৰকাৰ বৃত্তি প্ৰশান্ত হয়, সেই অৱস্থা বিশেষৰ নাম অসম্প্ৰজ্ঞাত সমাধি। ই পৰমানন্দ বিধান কৰে, আৰু ই যোগীসকলৰ অতি প্ৰিয়তম বস্তু। যি কালত মন আৰু বুদ্ধিৰ ক্ৰিয়া একেবাৰে লুপ্ত হয়, কেৱল চিদাত্মাৰ জ্ঞান মাত্ৰ থাকে, তেনে সমাধি মুনিসকলৰ কামনাৰ বস্তু। এনে সমাধিৰ সময়ত কি উৰ্দ্ধ, কি অধঃ, কি মধ্য—সকলো ভাগেই শিৱাত্মক ব্ৰহ্মপৰিপূৰ্ণ হয়, ই অনুভৱবেদ্য; এই সমাধিয়েই প্ৰকৃত সমাধি।

আগতে বাসনাৰ স্বৰূপ নিৰ্দ্দেশ কৰি আহিলোঁ সঁচা, কিন্তু তাক বুজিবলৈ টান পাব পোৱা। এতেকে এতিয়া তাক সহজ কথাৰে কওঁ, শুনা।

বিষয়ৰ কথা সৰ্ব্বদায় একাগ্ৰমনে ভাবোতে ২ যেতিয়া সেই বিষয়ৰ ভাবনা একেবাৰে দৃঢ় হয় আৰু ক্ৰমে পূৰ্ব্বাপৰ বিচাৰ কৰা অভ্যাস তেনেই নাইকিয়া হয়, অকল বিষয় গ্ৰহণৰ ইচ্ছা বলৱতী হৈ উঠে, তেনে ইচ্ছা বিশেষকে "বাসনা" বোলে। হে কপিশ্ৰেষ্ঠ! মনৰ তীব্ৰ অনুপ্ৰেৰণাৰে সৈতে যেতিয়া কোনো এক বিষয় চিন্তা কৰা যায়, তেতিয়া অন্য বিষয়ক বাসনা অতি শীঘ্ৰে এৰা পৰে; আৰু সেই চিন্তিত বিষয়টিতহে বাসনা জন্মে।

যেনেকৈ মানুহ মতলীয়া হৈ হিতাহিত জ্ঞানশূন্য হলে, সকলোকে অৰ্থাৎ যাকে দেখে তাকেই মাত্ৰ বুলি ভাবে, তেনেকৈ বাসনাৰ বশীভূত লোকে সংবস্তু পাহৰি মুগ্ধ হয় আৰু সৎ বস্তুৰ স্বৰূপ গ্ৰহণ কৰিব নোৱাৰা হয় পৰে। নাইবা বিচাৰবুদ্ধি হেৰুৱা বাবে অসৎ বস্তু বিলাককে সৎ বস্তু বুলি ভাবে আৰু প্ৰকৃত সৎ বস্তু লাভৰ পৰা বঞ্চিত হয়। ইয়াৰ মূল কাৰণ বাসনা। কিয়নো, বাসনাৰ মহিমা অতি বিচিত্ৰতাপূৰ্ণ; আৰু বাসনাই কেতিয়াও নিজ প্ৰভাৱ বা স্বৰূপ পৰিত্যাগ নকৰে।

বাসনা দুবিধ। শুদ্ধা আৰু মলিনা। মলিনা বাসনা জন্ম-মৃত্যুৰ হেতুস্বৰূপ; আৰু শুদ্ধা বাসনা জন্ম বিনাশিনী। মলিনা বাসনাৰ স্বৰূপ আৰু অলপ বহলাই কওঁ, শুনা।

যি বাসনা অজ্ঞানবহুলা, ঘোৰ অহঙ্কাৰশালিনী আৰু পুনৰ্জ্জন্ম-কৰা, তেনে বাসনাকে মলিনা বাসনা বুলি পণ্ডিতসকলে কয়।

এতেকে পুনৰ্জ্জন্মৰ কাৰণস্বৰূপ মলিনা বাসনা পৰি ত্যাগ কৰা একান্ত আৱশ্যক। কাৰণ, ভুইত ভজা গুটিৰ ভিতৰত থকা কণে অঙ্কুৰ জন্মাব নোৱাৰে; এই মলিনা বাসনাও ভজা গুটিৰ দৰে। ইয়াৰ দ্বাৰা কোনো পৰমাৰ্থ সাধিত নহয়। দিনে ৰাতিয়ে তত্ত্ব বিষয়ক চিন্তা কৰিব লাগে; তত্ত্ব জ্ঞানলৈ পিঠি দি অকল পণ্ডিত বোলাবলৈ বহুত শাস্ত্ৰৰ চৰ্ব্বিত-চৰ্ব্বণ ৰূপ বাহিৰা আলোচনাৰ পৰা কোনো বিশেষ ফল পোৱা নাযায়। এতেকে হে পৱন-তনয়, অতি যত্নেৰে সৈতে অন্তৰ্নিহিত ( হৃদয়াভ্যন্তৰৱৰ্ত্তী ) জ্যোতিৰ্ম্ময় পৰম পদাৰ্থৰ বিচাৰত থাকিবা। দৰ্শনাদি শাস্ত্ৰৰ তৰ্কমূলক আলোচনা পৰিত্যাগ কৰি একমাত্ৰ আত্মস্বৰূপ চিন্তা কৰাটোহে একান্ত আৱশ্যকীয় কথা।

হে কপিশ্ৰেষ্ঠ! যি লোকে সদায় ব্ৰহ্মবিষয়ক কথাহে পাতে, কিন্তু নিজে হলে ব্ৰহ্মস্বৰূপৰ ভুকে নাপায়, আৰু যাৰ চাৰি বেদ ছৈধা শাস্ত্ৰ পঢ়িও ব্ৰহ্মতত্ত্বলৈ পিঠি দিয়া বাবে তাৰ অকণো জ্ঞান জন্মা নাই, তেনে লোকৰ পক্ষে অধ্যয়ন আৰু আলোচনাৰ পৰিশ্ৰম অথলে যায়; কাৰণ, অধ্যয়নৰ যি প্ৰকৃত ফল ব্ৰহ্মতত্ত্বৰ উপলব্ধি, সি তাকেই পাব পৰা নাই।

নিজ দেহৰ অশুচি পূতি গন্ধতো যি মানুহ বিৰক্ত নহয়, তাৰ সংসাৰত বিৰাগ জন্মিবলৈ নো মই তাক কি উপদেশ দিম।

এই দেহ অতিশয় মলিন; ইপোনে দেহী ( আত্মা ) পৰম নিৰ্ম্মল পদাৰ্থ। এতেকে দেহ আৰু দেহীৰ পাৰ্থক্য বুজিব পাৰিলে কাকনো শুচি কৰিবলৈ বিচাৰিবা? যেতিয়া দেহ আৰু আত্মাৰ প্ৰভেদ জ্ঞান জন্মিব, তেতিয়া লগে লগে "আত্মাই ব্ৰহ্ম পদাৰ্থ, এই শৰীৰ তেনেই অনিত্য" এনে জ্ঞান নাহি নোৱাৰে, নিশ্চয় আহিব। তেনে স্থলত আৰু পবিত্ৰ অপবিত্ৰ, কৰ্ত্তব্য অকৰ্ত্তব্য আদি সাধাৰণ বিধি নিষেধে ছুব নোৱাৰাত পৰিব। কাৰণ প্ৰকৃত ব্ৰহ্মজ্ঞানী সাধাৰণ বিধি নিষেধৰ বাহিৰত।

যি লোক বাসনা-পাশত আবদ্ধ তেওঁৱেই প্ৰকৃত বদ্ধ ( অমুক্ত ); আৰু যি বাসনা-শাসনৰ বাজ তেওঁৱেই আচল মুক্ত পুৰুষ। কিয়নো,—বাসনাৰাশি সমূলে নিৰ্ম্মূল হোৱা অৱস্থাৰ নামেই মুক্তি।

এতেকে হে হনুমান! বাসনাৰাশি পৰিত্যাগ কৰি শেষত মুক্তিৰ কামনাকো বিসৰ্জ্জন দিবা। প্ৰথম অৱস্থাত বাসনাহীন হৈ থাকিব নোখোজে। সেই বাবে তেতিয়া পূৰ্ব্বত কৈ অহা মৈত্ৰী আদি শুদ্ধা বাসনা গ্ৰহণ কৰিবা। পিচত ক্ৰমে ক্ৰমে সেই শুদ্ধা বাসনাকো পৰিত্যাগ কৰিবা। যদি অভ্যাসৰ অদৃঢ়তাৰ গুণে মাজে মাজে বাসনাৰ আশ্ৰয় লব লাগে, তেনে সময়ত শুদ্ধা বাসনাৰ আশ্ৰয় লবা। কাৰণ, আদি অৱস্থাত কেতিয়াবা আৱশ্যক মতে শুদ্ধা বাসনা ব্যৱহাৰ কৰাত বিশেষ ক্ষতি নহয়। কিন্তু সাৱধান হবা তেতিয়াও যেন তোমাৰ অন্তৰত শান্তি থাকে, আৰু এনে সতৰ্কতাৰে চলিবা, যাতে সেই শুদ্ধা বাসনাও চিন্মাত্ৰ পদাৰ্থতে আবদ্ধ থাকে, কদাপি আন বৈষয়িক বিষয়ৰ ফালে গতি নকৰে। আৰু তোমাৰ অসীম স্নেহ যাতে সকলোতে সমানে ব্যাপ্ত হৈ থাকে। পিচত গৈ মন আৰু বুদ্ধিৰে সৈতে সেই চিন্মাত্ৰ বিষয়ক বাসনাকো ত্যাগ কৰিবা। অৰ্থাৎ মন আৰু বুদ্ধিৰ বৈষয়িক কাৰ্য্যপ্ৰৱণতাৰে সৈতে তেনে শুদ্ধা বাসনাৰ সাৰ স্বৰূপ চিন্মাত্ৰ বিষয়ক বাসনাকো একেবাৰে নিৰ্ম্মূল কৰিবা। আৰু একেবাৰে শেষত নিলিপ্ত ভাৱে সমাধিস্থ হৈ মোত অনুৰক্ত হবা।

হে বায়ুপুত্ৰ,—মোৰ সচ্চিদানন্দৰূপ অশব্দ; সেইবাবে তাক শব্দেৰে ফুটাই কব নোৱাৰি, ই অস্পৰ্শ, সেই দেখি ত্বগিন্দ্ৰিয়ৰ গ্ৰাহ্যও নহয়; ই অৰূপ, সেই নিমিত্তে তাক চকুৰেও দেখা পোৱা নাযায়; ই অবিনাশী; ই অৰস, সেই হেতুকে ইয়াৰ মিঠা তিতা আদি সাধাৰণ কোনো ৰসো নাই। ই নিত্যপদাৰ্থ, ই গন্ধহীন, এতেকে ঘ্ৰাণেন্দ্ৰিয়ৰ সহায়ত ইয়াৰ কোনো সাধাৰণ গন্ধ পোৱা নাযায়; আৰু ইয়াৰ নাম বা গোত্ৰ একোৱেই নাই; কিন্তু ই সৰ্ব্বপ্ৰকাৰ অপায়-অমঙ্গলনাশক, আৰু অনুভৱবেদ্য। তুমি সদাই মোৰ এই সচ্চিদানন্দৰূপ একান্ত মনে ভজিবা।

মোৰ এই ৰূপ, সৰ্ব্বদৰ্শী কাৰণে, ই সকলোকে দেখে; ই আকাশৰ দৰে সৰ্ব্বব্যাপক; ই অতি শ্ৰেষ্ঠ পদাৰ্থ, অখণ্ড প্ৰকাশমান জন্মমৃত্যুৰহিত, অদ্বিতীয় আৰু পৰিবৰ্ত্তনহীন। এনে সৎ-চিৎ স্বৰূপ মই নিলিপ্ত, সৰ্ব্বগামী, অদ্বয় অৰ্থাৎ অখণ্ড, সৰ্ব্ব-স্বৰূপ আৰু সদায় বিমুক্ত। মই এই বিশ্বব্ৰহ্মাণ্ডৰ চক্ষু, শুদ্ধ আৰু বিকাৰশূন্য। মোৰ কোনো স্বাভাৱিক বিষয় নাই, এতেকে

মই কোনো এক দেশতে বা এক পদাৰ্থতে নাথাকো, অসংখ্য বিশ্বব্ৰহ্মাণ্ড ব্যাপি আছো; মই আগ পাচ আৰু তল ওপৰ সকলোতে পৰিপূৰ্ণ। তুমি মোক এনে সৰ্ব্বব্যাপক জ্যোতিৰ্ম্ময় অদ্বিতীয় পদাৰ্থ বুলি ধ্যান কৰিবা।

মোৰ জন্মও নাই মৃত্যুও নাই। মই কেতিয়াও বুঢ়া নহও, এতেকে অমৃতস্বৰূপ। মই স্বয়ং জ্যোতি-ৰ্ম্ময়; মোক কোনেও পোহৰাব নোৱাৰে, মই নিজে জ্যোতিপূৰ্ণ হৈ আনক জ্যোতি দান কৰোঁ; মই সৰ্ব্বগত আৰু অব্যয়স্বৰূপ। মোৰ কাৰণ নাই, ময়েহে সকলোৰে কাৰণ। মইয় কাৰ্য্যও নহও। মই সদায় অতি নিৰ্ম্মল, আৰু সদায় সকলোতে পৰিতৃপ্ত। তুমি মোক এনেৰূপে ভাবনা কৰা। এনেকৈ মোক ভজিলে প্ৰথমে জীৱন্মুক্তি অৱস্থা পাবা আৰু শেষত গৈ দেহত্ৰয় বিনষ্ট হলে, জীৱন্মুক্ত পদ পৰিত্যাগ কৰি বিদেহ মুক্তি লভি, স্পন্দনশীল বস্তত বতাহ প্ৰবেশ কৰাৰ দৰে, মোৰ পৰমপদত প্ৰবেশ কৰিব পাৰিবা। বেদত উক্ত আছে, যে:—

"পৰম জ্ঞানী পণ্ডিতবিলাকে পূৰ্ব্বোক্ত বিষ্ণুৰ পৰমপদ, আকাশত বিস্তৃত সূৰ্য্যৰ দৰে সদায় দেখা পায়। সদায় জাগৰণশীল আৰু ক্ৰোধ আদি দোষহীন পণ্ডিত সকলে বিষ্ণুৰ সেই পৰমপদ সদায় অন্বেষণ কৰে।

এই নিখিল বিশ্বব্ৰহ্মাণ্ডত পৰমব্ৰহ্মহে একমাত্ৰ নিত্য সত্য পদাৰ্থ।

ওঁ শান্তিঃ, ওঁ শান্তিঃ, ওঁ শান্তিঃ।

ইতি শুক্ল যজুৰ্ব্বেদৰ অন্তৰ্গত মুক্তিকোপনিষদ সমাপ্ত।

শ্ৰীউমাকান্ত মিশ্ৰ।

---

# গদাধৰ সিংহ।

আহোম ইতিহাসত গদাধৰ সিংহৰ নামেই, বোধ কৰো, সকলোৰে আগতে পৰে। সেই শ্ৰেণীৰ মানুহ খুবি আৰু অসম দেশত ন্থপজিল। অকল অসম কিয়?—আন আন দেশতো এনে লোক কেতিয়াবাহে একোজন ওপজে।

স্বাস্থ্যৰ ফালৰপৰা চালে, গদাধৰ এগৰাকী নিৰোগী, ডাঙৰ-দীঘল, দুখ কৰিব পৰা বলী পুৰুষ। তেওঁৰ কোনো ডাঙৰ বেমাৰৰ উল্লেখ নাই: তেওঁ বৰ ডাঙৰ দীঘল থকাৰ কথা আজিলৈকে মানুহৰ মুখে মুখে; দুখ কৰিব পৰাৰ চিন তেওঁৰ পলাই ফুৰা দিনৰ কথাখিনিতে ওলাই পৰিছে; আৰু তেওঁৰ বলৰ কথা শুনি আমাৰ এতিয়া সাধু-কথা যেনহে লাগে।

গদাধৰ ৰজাৰ আহাৰৰ পৰিমাণ বৰ সৰহ আছিল আৰু খোৱা বস্তুবিলাক মটহা আছিল, অৰ্থাৎ মিহি-বস্তুবোৰলৈ তেওঁৰ আন্তিক নাছিল। তেওঁ সৰহ খাইছিল বুলি কিন্তু সেই খোৱাৰ সাৰ্থকতা হৈছিল। তেওঁ কেতবোৰ সৰহকৈ খাই, ধোদ হৈ পৰি থকা বিধৰ কুম্ভকৰ্ণ মানুহ নাছিল; খোৱাৰ জোখাৰে চৰো কৰিব পাৰিছিল।

আজিলৈকে আহোম জাতিটোৰ এটা ঘাই বিশেষ-এই ভোলোঙ্গা প্ৰকৃতিটো—গদাধৰৰ গাতো আছিল; তাৰ লগতে কিন্তু, মনটোও তেওঁৰ থিৰ আৰু দৃঢ় আছিল; আৰু তেওঁ জীৱনৰ এটা উদ্দেশ্য স্থিৰ কৰি কৰ্ত্তব্য এটা বান্ধি লৈছিল। এই পাচত কোনটো এটা বৰ ডাঙৰ গুণ। এয়ে নহলে জীৱনটো বিফল যায় যেন লাগে। কৰ্ত্তব্যটো বান্ধি লোৱা বাবেই গদাধৰ আমাৰ ইতিহাসত এগৰাকী কৰ্ম্মী, বীৰ পুৰুষৰ আৰ্হি দেখুৱাইছে। সেই আৰ্হি জগতৰ আৰ্হি ভঁৰালত আৰ্হিৰ উপযুক্ত।

জয়মতীয়ে কৈছিল যদিও, তেওঁক জেৰেঙ্গা পথাৰত মৰোঁ মৰোঁ অৱস্থাত চাওদাঙ্গৰ হাতত এৰি থৈ যোৱাটো কেনেবা কেনেবা লাগে। কিন্তু গদাধৰৰ মন উচ্চ আশাৰে পৰিপূৰ্ণ আছিল, তেওঁৰ চকুৰ



পৰা যি কৰ্ত্তব্য এপন্তলৈকো নাতৰিছিল, যি উদ্দেশ্যই তেওঁক সকলো চিন্তা পাহৰাই অকল একেটা চিন্তাতে বিভোল কৰি থৈছিল—তেওঁৰ জীৱনৰ সেই মহাব্ৰতে তেওঁক কিবা এটা মহাতেজেৰে তেজস্বী কৰিছিল। সেই তেজৰ তাপতে, কোমল কোমল বা মিহি মিহি ভাবখিনি তেওঁৰ অন্তৰলৈ বেগতে চাপিব নোৱাৰিছিল। এই বাবেই গদাধৰৰ চৰিত্ৰত প্ৰেমৰ প্ৰভাৱ আমি দেখিবলৈ নেপাওঁ।

চা-জাহান বাদচাই তেওঁতৰ একেগৰাকী ৰাণীৰ মৃত্যু হ'লত, ডেকা বয়সতো, আকৌ বিয়া নকৰাই, বুঢ়া বয়সত প্ৰাণ এৰিলে। ৰাণীৰ মৰমত ধনৰ সোঁত বোৱাই, আন কামলৈ পিঠি দি, ১৭ বছৰ একেৰাহে লাগি থাকি, তেওঁৰ কবৰটো পৃথিবীৰ এটা অদ্ভুত বস্তু কৰিলে। আওৰঙ্গজেবে ৰাজপাটৰপৰা নমাই তেওঁক কাটকত সুমাই-থোৱাৰ ইয়েই মুখত লবলৈ ঘাই কাৰণ। তদুপৰি, মনত পৰিলে চকুলো ওলাই যায়, মৰিবৰ সময়ত যেতিয়া, কিবা প্ৰাৰ্থনা আছেনে বুলি আওৰঙ্গজেবে সোধালে, পত্নী-প্ৰাণ, প্ৰেমিক চা-জাহানে তেতিয়া সেই অন্তিম কালত প্ৰাৰ্থনা কৰি, তেওঁৰ পত্নীৰ কবৰটোলৈ চাই চাইহে চকু মুদিলে। পত্নীপ্ৰেমৰ কি মহৎ আৰু বিনন্দীয়া দৃষ্টান্ত!

গদাধৰৰ কিন্তু এইবিলাক একো নাই। যি জয়মতীয়ে তেওঁৰ মৰমতে, সেই শুনিলে গাৰ নোম শিয়ৰি যোৱা, ভীষণ শাস্তি সহিব লাগিছিল, সেই জয়মতীকে, ধাতু যাবৰ বেলিকা, শাস্তি কৰি থকাতে তেওঁ এৰি থৈ পলাই গল। তেওঁ থাকিও একো কৰিব নোৱাৰিলেহেতেন, সেইটো হয়। কিন্তু, এৰি যাবলৈ সত যোৱাটোও কম দৃঢ় মনৰ পৰিচয় নহয়। কোনো কোনোৰ মতে গদাধৰ পাচত বৰলা হৈও থকা নাই। জয়মতীৰ নামটোৰেই থাওক বুলিও গদাধৰে একো কৰি থৈ যোৱাও দেখা নেযায়। জয়মতী দ'ল আৰু জয়সাগৰো ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ মাতৃ-ভক্তিৰ স্মৃতিহে।

কিন্তু, আমি এই কথাও পাহৰিব নেলাগে—গদাধৰ প্ৰেমিক নহয়, গদাধৰ কৰ্ম্মী। প্ৰেমিক আৰু কৰ্ম্মীৰ ক্ষেত্ৰই বেলেগ বেলেগ। প্ৰেমৰ পাকত ভুগীয়া হলেও, কৰ্ম্মৰ পাকত হলে গদাধৰ ছমাগুনৰ সমনীয়া। তেওঁ আহোম শক্তিটো প্ৰবল আৰু উজ্জ্বল কৰি লৈ, তাক পিতাপিকৈ স্থাপন কৰিলে। আহোম ৰজাৰ পুৰুষনামাত মাজতে গদাধৰ নোহোৱা হ'লে আহোম-বুৰঞ্জী বহুত চুটি হ'লহেঁতেন।

সেই সময়ৰ ৰাজ্যৰ সকলো অৱস্থালৈ চাই, শাসন-কৰ্ত্তাজন কিছু স্বেচ্ছাচাৰী নহলে নচলিছিল। গদাধৰেও সেইবাবে কিছু স্বেচ্ছাচাৰ নকৰি নোৱাৰিছিল। তাকে নকৰা হলে, তেওঁ অসম দেশত শান্তি স্থাপন কৰি, শাসনৰ এটা শৃঙ্খলা লগাই, ৰাজ্যখনৰ পোতটো দ'কৈ দি যাব নোৱাৰিলেহেঁতেন। সেই দেখিয়েই গদাধৰে দোষ পালে, উগ্ৰ শাস্তি কৰিব লগীয়া হৈছিল: সকলোৰে অন্তৰত ভয় সঞ্চাৰ নকৰি নোৱাৰিছিল; আৰু গাৰ বলেৰে কোনো কোনো কাম কৰিব লগাত পৰিছিল।

গদাধৰৰ ৰুদ্ৰৰূপ আৰু প্ৰখৰ দৃষ্টিৰ আগত, ডাঙৰীয়া-সকলৰ কেৰামতালি কৰিবৰ সাধ্য নাছিল। সেইদেখি, ফেৰিয়া-ফেৰি, খিয়লা-খিয়লি, স্বাৰ্থপৰতা গুচিল, আৰু তাৰ পৰাই সকলো কাম দিহা লগাই কৰিবলৈ সুচল লাগিল। গদাধৰৰ মৃদু স্বভাৱ দেখা হ'লে, প্ৰথমতে ডাঙৰীয়াসকলেই তেওঁক নেমানিলেহেঁতেন। তেতিয়া হলে তেওঁৰ পৰা কোনো কামো নহলহেঁতেন। কি জানি তেওঁ ফুঁ-তে উৰিলেই হেঁতেন। কিন্তু, তেওঁৰ সুশাসনৰ আৰু অসীম শক্তিৰ গুণত, তেওঁ অলপ দিনতে ৰাজকীয় শক্তিটো দৃঢ় কৰি লৈ, অশান্তিৰ ঠাইত শান্তি স্থাপন কৰাৰ ওপৰেও, দ'ল-দেৱালয়, আলি-পদূলি, মাটি-পিয়ল আদি দেশৰ কামলৈকো কাণ কৰিব পাৰিছিল।

গোসাই-মহন্তসকলৰ প্ৰতি গদাধৰে দমন নীতি অৱলম্বন কৰিছিল। দেশত ৰাজকীয় শক্তি সুদৃঢ়ৰূপে স্থাপন কৰাই তেওঁৰ জীৱনৰ উদ্দেশ্য। তেওঁ একনিষ্ঠ কৰ্ম্মী পুৰুষ। সঁচাই হওক, মিছাই হওক, তেওঁৰ মনত দৃঢ় ধাৰণা হৈছিল, জাতিটো আগেয়ে এটা শক্তি-শালী জাতি কৰি ল'ব লাগে; তালৈ, ৰাজকীয় শক্তিটো আগ ধৰি প্ৰবল কৰি ল'ব লাগে; আৰু তাৰ পাচতহে ধৰ্ম্মলৈ কাণ কৰিব লাগে। গতিকে, তেওঁ ধৰ্ম্মক হোহো-

কাই পাচ কৰি থোৱাটোকেই বুদ্ধিমানৰ কাম বুলি ভাবিছিল।

গোঁসাই-মহন্তসকলক দেখিব নোৱাৰাৰ আৰু এটা কাৰণ থাকিব পাৰ। গদাধৰৰ হৃদয়ত প্ৰত্যুপকাৰ আৰু প্ৰতিশোধ, এই দুটা ভাব বৰ প্ৰবল আছিল। তেওঁ কাৰবাৰপৰা এধানমানো উপকাৰ পালে, হাজাৰ গুণে তাৰ গুণ লৈছিল। পলাই ফুৰা কালত পোৱা অল-পীয়া পুতৌ বা সৰু সৰু উপকাৰ সুঁৱৰি, তেওঁ তাৰ বিপুল প্ৰত্যুপকাৰ কৰি তৃপ্তি পাইছিল। ইও এটা মহত্ত্বৰ লক্ষণ। ইফালেও সেই দৰেই, যাৰপৰা অপকাৰ পাইছিল বা কিবা পুতৌ বিচাৰি লাজ হৈছিল, তাৰ তেওঁ আলুৰে-কলাপুলিয়ে খানিবলৈ পালেও বেয়া নেপা-ইছিল। কোনো কোনো গোঁসাই-মহন্তৰপৰা বিপদৰ কালত পুতৌ নোপোৱাৰ পক্ষত সকলো গোঁসাই মহন্তৰ ওপৰত তেওঁৰ ধাৰণা বেয়া হৈ পৰিছিল। সেই বুলি কিন্তু তেওঁক হিন্দু ধৰ্ম্মৰ বিৰোধী বুলি ভবাটো ডাঙৰ ভুল হ'ব। তেওঁ দ'ল-দেৱালয় সজোৱা আৰু ভূমি দান কৰা কথা বুৰঞ্জীসিদ্ধ।

গদাধৰৰ কোনো কোনো কথাত আজি কালিৰ কোনো কোনো জগৎবিখ্যাত শাসনকৰ্ত্তাৰ শাৰীৰ। তথাপি কিন্তু তেওঁক আজি কালিৰ চকুৰে চাব নেলাগে, তেওঁক আজি-কালিৰ পালা-পাল্লাৰে জুখিব নোৱাৰি। সেই কালৰে এই কালৰে বহুত প্ৰভেদ। বাণিজ্য, শিক্ষাবিস্তাৰ, শিল্প বিজ্ঞান, এইবিলাকৰ তেতিয়া যুগ নাছিল। দেশৰ অৱস্থা আৰু সমাজৰ অভাব চাই, সেই কালত গদাধৰে কৰাবিলাক কামৰহে প্ৰয়োজন আছিল। দুৰ্দ্দম, কুশাসিত, অশান্তিপূৰ্ণ অসম দেশক গদাধৰে প্ৰবল-প্ৰতাপী, সুশাসিত, শান্তিময় ৰাজ্যলৈ অকলে পৰিণত কৰি গ'ল। সেই পৰিণতিৰ ফলেই পাচলৈ কমি কমি আহি, শেহত মানৰ আক্ৰমণত চিৰকাললৈ কালৰ গৰ্ভত লীন হ'ল, আহোম-সূৰ্য্য অস্তমিত হ'ল, অসমীয়াৰ জাতীয় গৌৰৱ লুপ্ত হল। তেও বুলি গদাধৰ আহোম জাতিৰ পৰম গৌৰৱ, অসম বুৰঞ্জীৰ ধ্ৰুব-তাৰা, অসমীয়াৰ জাতীয় বীৰ, আৰু অসম দেশৰ ঘাই এগৰাকী কীৰ্ত্তিমন্ত, মহাকৰ্ম্মী মহা তেজস্বী, কালোপযোগী শ্ৰেষ্ঠ সন্তান বুলি, অসম দেশ থাকেমানে, চিন বহি ৰ'ল।

---

# আমাৰ ছোৱালীৰ বিবাহৰ বয়স।

আমাৰ দেশত শান্তি হোৱাৰ পিচতহে ছোৱালী শহুৰেকৰ ঘৰলৈ যায়; গতিকে বাল্য বিবাহৰ কুফল আমাৰ দেশত নাই। (১) কাৰণ সাধাৰণতঃ ১৪।১৫ বছৰ বয়সহে ছোৱালীৰ শান্তি হোৱাৰ সময়। শান্তি হোৱাৰ পিচতো প্ৰায়ভাগ ছোৱালী আৰু ১ বছৰ ১৷ বছৰ মাকৰ ঘৰত থাকে। তাৰ পিচতহে স্বামীৰ ঘৰলৈ যায়। আমাৰ দেশৰ ছোৱালীবিলাকৰ স্বামী সহবাসৰ বয়স ১৫।১৬ বছৰৰ কম নহয়। অতি কম কৰি ধৰিলেও ১৪ বছৰৰ কম প্ৰায় নহয়। এনে অৱস্থাত ছোৱালীৰ বিবাহৰ শাস্ত্ৰ-সঙ্গত বয়স কিমান এই প্ৰশ্ন লৈ আন দেশৰ মানুহৰ নিচিনা মূৰ ঘমোৱাৰ আমাৰ বিশেষ প্ৰয়োজন নাথাকিলেও সমূলি নাই বুলি কব নোৱাৰি, যিহেতু ১৪।১৫ বছৰ বয়সো ছোৱালীবিলাকৰ পক্ষে স্বামী সহবাসৰ যোগ্যকাল বুলি বিবেচনা কৰিব নোৱাৰি। আৰু অইন কাৰণেও এই প্ৰশ্নৰ আলোচনাৰ দৰকাৰ হৈ পৰিছে।

ভাৰতীয় ব্যৱস্থা পৰিষদত শ্ৰীযুত হৰবিলাস সাৰদাই বিবাহৰ বয়স নিৰ্দ্ধাৰণৰ অৰ্থে এখন বিল উপস্থাপিত কৰিছে। এই বিলৰ আলোচনা উপলক্ষে হিন্দুবিলাকৰ ভিতৰত দুটি মতৰ সৃষ্টি হৈছে। সকলো সংবাদ পত্ৰতে এই সম্পৰ্কে নানা প্ৰকাৰ আলোচনাও আজি পৰিমিত চলি আছে। প্ৰাচীন পন্থী অনেক হিন্দুৱে ছোৱালীৰ বিবাহৰ শাস্ত্ৰ-সম্মত মুখ্যকাল ৮ বছৰৰ পৰা ১০ বছৰলৈ আৰু গৌণকাল ৰজোদৰ্শনৰ আগখিনিলৈ বুলি দেশ জুৰি আন্দোলন আৰম্ভ কৰিছে। আন পক্ষে নব্য পন্থী হিন্দু আৰু আগৰ প্ৰাচীন পন্থী অনেক মনস্বী হিন্দু লোকো ছোৱালীৰ বিবাহৰ বয়স বঢ়াই দিয়াৰ সপক্ষে। তেওঁলোকৰ মতে ৰজস্বলা হোৱাৰ পিচতো ছোৱালীৰ বিবাহৰ মুখ্যকাল থাকে।

সিদিনাখন আমাৰ দেশৰ মহিলাসকলেও তেওঁলোকৰ সম্মিলনত সাৰদাৰ বিলৰ সমৰ্থন কৰিছে। আৰু ১৮ বছৰৰ কমে ছোৱালীৰ বিয়া হোৱা উচিত নহয় বুলি মত প্ৰকাশ কৰিছে। এনে অৱস্থাত বিবাহৰ প্ৰকৃত শাস্ত্ৰ-সম্মত বয়সনো কি, এই কথা অনেকৰে জানিবৰ ইচ্ছা হোৱা স্বাভাৱিক। সেইদেখি এই প্ৰবন্ধত ছোৱালীৰ বিবাহৰ শাস্ত্ৰসঙ্গত বয়সনো কি এই কথাৰ আলো-চনা কৰা হল।

শাস্ত্ৰজ্ঞ বুলি গৰ্ব্ব প্ৰকাশ কৰাৰ ধৃষ্টতা আমাৰ সমূলি নাই। কেৱল প্ৰসঙ্গক্ৰমে যি সকল শাস্ত্ৰীয় বচন আমাৰ চকুৰ আগত পৰিছে—তাকে যথাশক্তি আলোচনা কৰি ৰাইজৰ আগত দাঙি ধৰা হব। আৰু লগতে সামান্যভাৱে লৌকিক যুক্তিৰো দুটি এটি কথা কোৱা হব। এই প্ৰবন্ধ পঢ়ি আমাৰ মতকে ৰাইজে গ্ৰহণ কৰিব, (২) এনে আশাও আমাৰ নাই। কেৱল শাস্ত্ৰীয় বচন আৰু যুক্তি দেখি পাঠকে নিজৰ নিজৰ বুদ্ধি বিবেচনা অনুসাৰে মত স্থিৰ কৰি ললেই আমাৰ পৰিশ্ৰম সাৰ্থক হব।

প্ৰাচীন পন্থী হিন্দু মাত্ৰৰে ধাৰণা—সকতে ছোৱালী বিয়া দিয়াটোৱেই ধৰ্ম্মসঙ্গত। অধিক বয়সত বিয়া দিলে ধৰ্ম্মভ্ৰষ্ট হব লাগে। সেই দেখি ছোৱালীৰ ৮।৯ বছৰ বয়স হোৱা দেখিলেই পিতাক মাক আদি অভিভাৱক সকলে বিয়াৰ নিমিত্তে বিব্ৰত হৈ পৰে। এনেই ভাল বৰ পোৱা দুস্কৰ; তাৰ উপৰিও যদি ১০।১১ বছৰ বয়সত ছোৱালী বিয়া দিয়াটো অপৰিহাৰ্য্য হৈ পৰে, তেনেহলে ভাল বৰ পোৱা আৰু কঠিন হয়। ৮।১০ বছৰ বয়সত ছোৱালীৰ প্ৰতি বিশেষ আকৰ্ষণ থকাৰো বিশেষ কাৰণ নাথাকে। গতিকে বৰৰ বা বৰৰ অভিভাৱকবৰ্গৰ ছোৱালীতকৈও ছোৱালীৰ মাক-বাপেকৰ আৰ্থিক অৱস্থা, পদমৰ্য্যাদা, আৰু বিবাহৰ সম্ভাব্যমান যৌতুকৰ প্ৰতিহে বিশেষ আগ্ৰহ থাকে। এইটো বাঞ্ছনীয় নহয়। ই বিবাহৰ উদ্দেশ্যৰো বিপৰীত। ইয়াৰ ফলত অনেক সামাজিক কু-প্ৰথাইও পৰোক্ষে প্ৰশ্ৰয় পায়। আৰু ছোৱালীৰ জন্ম এটা দুৰ্ভাগ্যৰ কাৰণৰূপে পৰিণত হয়। ইয়াৰ কু ফল বঙ্গদেশে ভোগ কৰিবই লাগিছে। এই বঙালী ৰোগে আমাকো সমূলি নধৰা নহয়।

বয়স্থা ছোৱালীক শিক্ষা আদিৰ দ্বাৰা উপযুক্তা কৰি তুলিব পাৰি। আৰু তেনে উপযুক্তা শিক্ষিতা ছোৱালীৰ প্ৰতি শিক্ষিত লোকমাত্ৰৰে এটা স্বাভাৱিক আকৰ্ষণ থাকে। তাৰ ফলত শিক্ষিতা ছোৱালীৰ বাবে ভাল বৰ পোৱা সহজ হৈ পৰে। আৰু বিবাহৰ বয়স সম্বন্ধে কোনো ধৰা-বন্ধা নিয়ম নাথাকিলে বাপেক মাকেও ভালদৰে চাই চিন্তি ধীৰে সুস্থে বিয়া আদি পাতিবলৈ সুযোগ লাভ কৰে। বয়স্থা ছোৱালী বিয়া দিয়া নিয়ম প্ৰচলীত হলে ইয়াৰ বাহিৰেও আন এটা প্ৰশ্নৰো (আমাৰ দেশত বামুণ কায়স্থৰ) কিছু পৰিমাণে সমাধান হয়। সেই প্ৰশ্ন হৈছে বাল্য বিধৱাৰ সংখ্যাহ্ৰাস বিষয়ক। অধিক বয়সত ছোৱালী বিয়া দিয়া পদ্ধতি প্ৰচলিত হলে আপোনা আপুনি বাল্য বিধৱাৰ সংখ্যা অনেক পৰিমাণে কমি যাব আৰু বিয়া হোৱাৰ আগতে ছোৱালীৰ ভাল ধৰণৰ শিক্ষা আদি হোৱাৰ গতিকে কোনো ছোৱালী দুৰ্ভাগ্যক্ৰমে বিধৱা হলেও নিজৰ সজ শিক্ষাৰ গুণত সজভাৱে জীৱন যাপন কৰিবলৈ আন অৱস্থাৰ অশিক্ষিতা ছোৱালীতকৈ উজু পাব। কাৰো গলগ্ৰহস্বৰূপ বিবেচিত নহব। ইত্যাদি কাৰণত অনেকে যদি ছোৱালীক অধিক বয়সত বিয়া দিবৰ

(১) নাই কিয়? যথেষ্ট আছে। নোহোৱাহলে এই প্ৰবন্ধৰ অৱতাৰণাই নহলহেতেন। শ্ৰীগলেওবাসীয়ে জানো তেওঁবিলাকৰ মাসিক পত্ৰিকাত বৰকৰ চৰবৎ পাণ কৰাৰ আৱশ্যকতাৰ কথা লিখিব?—সঃ পত্ৰিকা।

(২) আজি নকৰিলেও কাইলৈ কৰিব। সঃ—পত্ৰিক

ইচ্ছাও কৰে তথাপি—শাস্ত্ৰ আৰু সমাজৰ ভয়ত তাক কৰিব নোৱাৰে। ( আমাৰ দেশত অৱশ্যে ব্ৰাহ্মণ আৰু কায়স্থৰ বাহিৰে আন জাতৰ ছোৱালীৰ বিবাহৰ বয়স সম্বন্ধে ধৰা-বন্ধা কোনো কটকটীয়া নিয়ম নাই ) এনে অৱস্থাত ছোৱালীৰ বিবাহৰ শাস্ত্ৰ-সঙ্গত বয়সনো কি এই কথা জনা থাকিলে আজি নহলেও কাল-ক্ৰমত অধিক বয়সত বিয়াৰ প্ৰথা চলন্তি হলেও হব পাৰে এই উদ্দেশ্যেও ছোৱালীৰ বিবাহৰ বয়স সম্বন্ধে হিন্দু শাস্ত্ৰত কি পোৱা যায় তাৰ আলোচনাৰ চেষ্টা কৰা হল।

ৰঘুনন্দন ভট্টাচাৰ্য্যৰ উদ্বাহ-তত্বত ৰাজমাৰ্ত্তণ্ডৰ পৰা তলত লিখা শ্লোকটি উদ্ধৃত কৰিছে ;

"অষ্টবৰ্ষা ভবেৎ গৌৰী নৱবৰ্ষাতু ৰোহিণী
দশমে কন্যকা প্ৰোক্তা অত উৰ্দ্ধং ৰজস্বলা ॥"

কম বয়সত কন্যা বিবাহ দিয়া সম্পৰ্কে এই বচনটোকে মূল বুলিব পাৰি। কিন্তু প্ৰমাণ হিচাবে চালে এই বচনৰ মূল্য বৰ বেচি নহয়। যিহেতু শাস্ত্ৰ বিচাৰৰ নিয়ম অনুসৰি শ্ৰুতি ( বেদ ) আৰু স্মৃতিৰ ( ঋষি প্ৰণীত আন গ্ৰন্থ ) মাজত মতৰ বিৰোধ দেখা গলে শ্ৰুতিহে প্ৰামাণ্য বুলি বিবেচিত হয়। আৰু যদি স্মৃতিৰ ভিতৰতে মতানৈক্য দেখা যায় তেনেহলে আন স্মৃতিতকৈ মনু স্মৃতিৰ প্ৰামাণ্য অধিক। "মন্বাৰ্থ বিপৰিতা যা স্মৃতি সা ন প্ৰশংস্যতে" ॥ মনুৰ অৰ্থৰ বিপৰীত যি স্মৃতি সি প্ৰসংশনীয় নহয়। ইয়াৰ বাহিৰে পৰম্পৰাগত শিষ্ট ব্যৱহাৰো স্পষ্টৰূপে শ্ৰুতি বা স্মৃতিৰ বিৰোধী নহলে প্ৰমাণ স্বৰূপে ব্যৱহাৰ কৰাৰ প্ৰথা প্ৰচলিত আছে। এতিয়া দেখা যাব ওপৰত উদ্ধৃত কৰা ৰাজমাৰ্ত্তণ্ডৰ বচনটি শ্ৰুতি, মনুস্মৃতি আৰু পৰম্পৰাগত শিষ্টাচাৰৰো বিৰোধী গতিকে ৰাজমাৰ্ত্তণ্ডৰ অষ্টবৰ্ষা ইত্যাদি বচন নাইবা তাৰে আন শ্ৰেণীৰ ৰজমাৰ্ত্তণ্ডৰে— "সম্প্ৰাপ্তে দ্বাদশে বৰ্ষে যঃ কন্যাং নপ্ৰযচ্ছতি মাসি মাসি ৰজস্তস্য পিতা পিবতি শোণিতম্" এই বচনৰ ওপৰত নিৰ্ভৰ কৰা শাস্ত্ৰীয় বিচাৰো নিৰাপদ নহয়। বিশেষতঃ একেখন পুথিৰে দুটা বচনৰ ভিতৰত সাদৃশ্য নথকাত এই বচনৰ মৌলিকতাৰ বিষয়েও সন্দেহ উপস্থিত হয়। আৰু বৰ্ষা ভবেৎ গৌৰী ইত্যাদি বচনে দশম বৰ্ষকে কন্যাকাল বুলি একেবাৰে নিদ্ধাৰণ কৰি দিলে। আৰু দশম বৰ্ষৰ উৰ্দ্ধ হলে কন্যাক ৰজস্বলা বুলিও নিৰ্দেশ কৰিলে। দ্বিতীয় বচনত অৰ্থাৎ সম্প্ৰাপ্তে দ্বাদশে বৰ্ষে ইত্যাদি বচনত ৰজস্বলাৰ বিবাহ অযুক্ত বুলি মত প্ৰকাশ কৰিও দ্বাদশ বৰ্ষত কন্যাৰ বিবাহকাল নিৰ্দেশ কৰিলে। গতিকে একেখন শাস্ত্ৰৰে দুটা বচন পৰস্পৰৰ ভিতৰত সাদৃশ্য নথকাত স্ববিৰোধী দোষ হোৱাত সেই দুই বচনৰে প্ৰামাণিকতাৰ হানি নহৈ নোৱাৰে।

পাৰস্কৰ গৃহ্যসূত্ৰত আছে—

"সোমঃ প্ৰথমো বিবিদে গন্ধৰ্ব্বো বিবিদোত্তৰঃ।
তৃতীয় অগ্নিস্তে পতি স্তুৰিয়াস্ত মনুষ্যজাঃ ॥
সোমো দদৎ গন্ধৰ্ব্বায়, গন্ধৰ্ব্বো দদদগ্নয়ে।
ৰয়িঞ্চ পুত্ৰাংশ্চাদা দখিৰ্মহ্য মথোইমাম্ ॥

এই দুটা বেদবচনত পোৱা যায় যে—কন্যাক প্ৰথমে সোম দেৱতাই দ্বিতীয়ত গন্ধৰ্ব্ব দেৱতাই তৃতীয়ত অগ্নি দেৱতাই আৰু চতুৰ্থত মানুহ পতিয়ে ভোগ কৰে। গতিকে সোমাদি দেৱতাৰ ভোগ কালৰ পিচত বিবাহ সংস্কাৰৰ দ্বাৰা কন্যা মানৱ পতিৰ ভোগ্যা হয়। এতিয়া সোমাদি দেৱতাৰ ভোগকাল নিৰূপণ কৰিব পাৰিলে মানৱ জাতিৰ ভোগৰ কাল বা বিবাহৰ মুখ্যকাল আপুনি জনা যাব।

গোভিল গৃহ্যসূত্ৰৰ পৰিশিষ্টত আছে—

"নগ্নিকাস্তু বদেৎ কন্যাং যাবন্নৰ্তুমতীভবেৎ।
ঋতুমতীংঅনাগ্নিকাং তাং প্ৰযচ্ছেতনাগ্নিকাম্।
অপ্ৰাপ্তা ৰজসো গৌৰী প্ৰাপ্তেৰজসা ৰোহিণী।
অব্যঞ্জিতা ভবেৎ কন্যা কুচহীনাতু নগ্নিকা ॥
ব্যঞ্জনৈস্তু সমুৎপন্নৈ সোমোভুঞ্জিত কন্যকাং
পয়োধৰৈস্তু গন্ধৰ্ব্বা ৰজসাগ্নি প্ৰকীৰ্ত্তিতা ॥
তস্মাদব্যঞ্জনোপেতা মৰজামপয়োধৰাম্।
অভুক্তাঞ্চৈৱ সোমাদ্যৈ কন্যকা ন প্ৰশস্যতে ॥

ইয়াৰ ভাবাৰ্থ—

ঋতুমতী নোহোৱালৈকে কন্যাক নগ্নিকা বোলে। ঋতুমতী কন্যাক আনাগ্নিকা বোলে। এই অনাগ্নিকা কন্যাহে দান কৰিব লাগে। অপ্ৰাপ্তৰজঃ কন্যাক গৌৰী



আৰু প্ৰাপ্তৰজঃ কন্যাক ৰোহিণী বোলে। যৌৱনোচিত চিহ্নাদি নথকা ছোৱালীক কন্যা আৰু স্তন উদ্গম নোহোৱা ছোৱালীক নগ্নিকা বোলে। যৌৱনোচিত লোমাদি চিহ্নযুক্তা কন্যাক সোম দেৱতাই ভোগ কৰে। স্তন উদ্গম হোৱা কন্যাক গন্ধৰ্ব্ব দেৱতাই ভোগ কৰে। ৰজস্বলা হোৱা কন্যাক অগ্নি দেৱতাই ভোগ কৰে। সেই নিমিত্তে যৌৱনোচিত লোমাদিশূন্যা ৰজস্বলা নোহোৱা আৰু স্তন নোহোৱা আৰু সোমাদি দেৱতাৰ অভুক্তা কন্যা প্ৰশস্তা নহয়। শ্ৰুতিৰ এই কথাকে স্মৰণ কৰি মনুস্মৃতিত মহাৰাজ মনুৱে লিখিছে :—"দেৱদত্তাং পতিভাৰ্য্যাং বিন্দতে নেচ্ছয়াত্মনঃ"। অৰ্থাৎ পূৰ্ব্বোক্ত সোমাদি দেৱতা কৰ্ত্তৃক দত্তা ভাৰ্য্যাকহে পতিয়ে লাভ কৰিব। নিজৰ ইচ্ছা অনুসাৰে যেই সেই অৰ্থাৎ যি কোনো বয়সৰ ভাৰ্য্যা গ্ৰহণ নকৰিব। মনুস্মৃতিতে আৰু আছে :—

"কামমামৰণাত্তিষ্ঠেৎ গৃহে কন্যাৰ্ত্তুমত্যপি।
নচৈবৈনাং প্ৰযচ্ছেত্তু গুণহীনায় কৰ্হিচিৎ ॥
ত্ৰীণিবৰ্ষাণ্যুদীক্ষেত কুমাৰ্য্যৃতুমতীসতী।
উৰ্দ্ধন্তু কালাদেতস্মাৎ বিন্দেত সদৃশঃ পতিম্" ॥

ভাবাৰ্থ :—মৃত্যু কাললৈকে কন্যাক ঋতুমতী হলেও ঘৰত ৰাখিব, তথাপি গুণহীন বৰক বিয়া নিদিব। কুমাৰী ঋতুমতী হলেও তিনি বছৰ পৰ্য্যন্ত মাক বাপেকলৈ অপেক্ষা কৰিব। তিনি বছৰতো যদি মাক বাপেকে ঋতুমতী কন্যাক বিয়া দিবলৈ বিহিত যত্ন নকৰে, তেনেহলে কন্যাই নিজেই নিজৰ সদৃশ পতি বিচাৰি লব। ওপৰত উল্লেখ কৰা মনুবচনত ঋতুমতী কন্যাৰ বিবাহৰ কথা স্পষ্ট উল্লিখিত আছে। ঋতুমতী হোৱাৰ আগতে যদি কন্যাৰ বিবাহ ধৰ্ম্মশাস্ত্ৰমতে অপৰিহাৰ্য্য বুলি কোৱা যায় তেনেহলে উক্ত মনুবচনৰ কোনো সাৰ্থকতা নেথাকে। গতিকে শাস্ত্ৰ বিচাৰৰ নিয়ম অনুসাৰে ৰাজমাৰ্ত্তণ্ডৰ "অষ্টবৰ্ষা ভবেৎ গৌৰী" ইত্যাদি বচন মনুস্মৃতিৰ বিৰোধী হোৱাত প্ৰামাণ্য বুলি বিবেচিত হব নোৱাৰে। আৰু গোভিল গৃহ্যসূত্ৰৰ পৰিশিষ্টৰ "অপ্ৰাপ্তা ৰজসা গৌৰী প্ৰাপ্তে ৰজসা ৰোহিণী" এই বচনত গৌৰী আৰু ৰোহিণীৰ লক্ষণ স্পষ্ট ভাষাত কোৱা হৈছে। তাত অষ্টবৰ্ষা বা নৱবৰ্ষাৰ কোনো প্ৰসঙ্গই নাই ; গতিকে অষ্টবৰ্ষা গৌৰী আৰু নৱবৰ্ষা ৰোহিণী এই কথা শ্ৰুতিবিৰুদ্ধও। ৰাজমাৰ্ত্তণ্ডৰ অষ্টবৰ্ষা ইত্যাদি বচন আৰু সম্প্ৰাপ্তে দ্বাদশে বৰ্ষে ইত্যাদি বচন ব্যৱহাৰবিৰুদ্ধও। কাৰণ, উক্ত বচনত ৮ বছৰৰ পৰা ১০ বছৰৰ ভিতৰত কন্যাৰ বিবাহৰ মুখ্যকাল বুলি স্পষ্ট নিৰ্দ্দেশ থাকিলেও এই নিৰ্দ্দেশ সকলোৱে মানি চলা নাই। ৮।৯।১০।১১।১২।১৩ বছৰ যিমানেই হওক তাৰ প্ৰতি লক্ষ্য নাৰাখি কেৱল ৰজস্বলা হোৱাৰ আগতে কন্যা বিয়া দিয়াৰ নিয়মহে প্ৰচলিত থকা দেখা যায়। গতিকে উক্ত বচন শিষ্ট ব্যৱহাৰৰ দ্বাৰাও সম্পূৰ্ণৰূপে সমৰ্থিত হোৱা নাই। যদি উক্ত বচনৰ অৰ্থ কিছু অতিক্ৰম কৰি যোৱাত সামাজিক কোনো বিশৃঙ্খলা ঘটা নাই আৰু তাৰ দ্বাৰা মানুহে নিজেও কোনো পাপ বা অপকৰ্ম্ম কৰা বুলি ভবা নাই, তেনেহলে দেশ কাল পাত্ৰ বিবেচনা কৰি সেই বচনৰ অৰ্থ আৰু কিছু অতিক্ৰম কৰিলে যে কিবা দোষ হব তাক বিবেচক বুদ্ধিমান লোকে ভাবিব নোৱাৰে।

হিন্দুৰ পঞ্চম বেদ মহাভাৰতত আছে :—

"ত্ৰিংশদ্বৰ্ষঃ ষোড়শবৰ্ষাং ভাৰ্য্যাং বিন্দেত নগ্নিকাং" অৰ্থাৎ দেৰকুৰি বছৰীয়া বৰে ষোল বছৰীয়া নগ্নিকা ভাৰ্য্যা লাভ কৰিব। ইয়াৰ বাহিৰেও মহাভাৰতৰ দ্ৰৌপদী, সুভদ্ৰা প্ৰভৃতি বৰেণ্য ক্ষত্ৰিয় কুলৰ কন্যাসকলৰ বিবাহৰ যি কাল পোৱা যায় তাৰ দ্বাৰাও অধিক বয়স্কা প্ৰাপ্ত-ৰজঃ কন্যাৰ বিবাহহে সমৰ্থন কৰিব পাৰি। স্বয়ম্বৰা যাজ্ঞসেনী ৮।৯ বছৰীয়া ছোৱালী নাছিল। ৮।৯ বছৰীয়া দেৱী সুভদ্ৰা মহাবীৰ অৰ্জ্জুনৰ ৰথৰ সাৰথি হোৱা নাছিল।

শৰীৰবিজ্ঞানবিশাৰদ শুশ্ৰুত মুনিয়ে কৈছে :—

"পঞ্চবিংশে ততোবৰ্ষে পুমান্ নাৰীতু ষোড়শে।
সমত্বা গতবীৰ্য্যো তৌ জানীয়াৎ কুশলোভিষক্ ॥
ঊনষোড়শ বৰ্ষায়ামপ্ৰাপ্তঃ পঞ্চবিংশতিম্।
যদ্যাধত্তে পুমান্ গৰ্ভং কুক্ষিস্থঃ স বিপদ্যতে ॥
যাতো বা নচিৰং জীৱেৎ জীৱেদ্বা দুৰ্ব্বলেন্দ্ৰিয়ঃ।
তাসাদত্যন্ত বালায়াং গৰ্ভধানং নকাৰয়েৎ ॥"

ভাবাৰ্থ :—পচিশ বছৰীয়া পুৰুষ আৰু ষোল বছৰীয়া নাৰীৰ বীৰ্য্য সমত্বপ্ৰাপ্ত হয় বুলি অভিজ্ঞ চিকিৎসক-

সকলে জানিব। ষোল বছৰৰ কম বয়সীয়া নাৰী ও পঁচিশ বছৰৰ কম বয়সৰ পুৰুষে গৰ্ভাধান কৰিলে সেই গৰ্ভ পেটত থাকোতে বিপন্ন হোৱাৰ সম্ভৱ। যদি তেনেকুৱা সন্তানে জন্ম লাভ কৰে তেনেহলে সি দীৰ্ঘজিৱী নহয়। যদিও বা জীৱাই থাকে তেনেহলে তাৰ ইন্দ্ৰিয়বিলাক দুৰ্ব্বল হব। সেই নিমিত্তে কম বয়সৰ বালিকাত গৰ্ভাধান নকৰিব। এইবিলাক বচনো বাল্য বিবাহৰ বিৰোধী। এইবিলাকৰ দ্বাৰাইও এইটো প্ৰতিপন্ন হয় যে, ষোল বছৰৰ আগেয়ে নাৰীৰ বিয়া হোৱা অনুচিত।

এনেকুৱা আৰু অনেক শাস্ত্ৰীয় বচন উদ্ধৃত কৰিব পাৰি, কিন্তু সেইবিলাক উদ্ধৃত কৰি প্ৰবন্ধ দীঘল কৰাৰ কোনো আৱশ্যকতা নাই। যিখিনি উদ্ধৃত কৰা হ'ল ইয়াৰ পৰাই ভালদৰে বুজা গৈছে যে:—ঋতুমতী কন্যা বিয়া দিয়াত শাস্ত্ৰমতে কোনো দোষ হব নোৱাৰে। বৰং ঋতুমতী হলেহে কন্যা বিয়া দিয়া উচিত। তথাপি আমি দেশাচাৰৰ বশবৰ্ত্তী হৈ কন্যাৰ বিবাহৰ কাল ঋতু হোৱাৰ আগখিনিলৈকে বুলি থিৰাংকৈ ধৰি থৈছোঁ। যেতিয়া দেখা গল যে—ঋতুমতী হোৱাৰ পিচত কন্যাৰ বিয়া দিলেও শাস্ত্ৰ অনুসাৰে কোনো দোষ হব নোৱাৰে তেতিয়া দেশাচাৰৰ বশবৰ্ত্তী হৈ ছোৱালীৰ শিক্ষা-দীক্ষাৰ অসুবিধা কৰা আৰু নিজেও ছোৱালীৰ ৮ বছৰ পাৰ নৌহওঁতেই বিয়াৰ বাবে দৰা বিচাৰি হায়ৰাণ হৈ অশান্তি ভোগ কৰাৰ কোনো সঙ্গত কাৰণ নাই।

অনেক লোকে দেশাচাৰ পৰিত্যাগ কৰি নিজেও কোনো পাপ কৰা বুলি নাভাবে আৰু সমাজতো সেই সকল লোকৰ কোনো অসুবিধা বা অসন্মান হোৱা দেখা নাযায়। এনে অৱস্থাত কেৱল ছোৱালীৰ বিয়াৰ বিষয়তে দেশাচাৰক সাবটি ধৰি সন্তানৰ শিক্ষাৰ অসুবিধা কৰা, সন্তানৰ স্বাস্থ্য হানিৰ কাৰণ হোৱা আৰু নিজেও নানা অশান্তি অসুবিধা ভোগ কৰা বুদ্ধিমান মানুহৰ কৰ্ত্তব্য নহয়।

ইয়াত আৰু এটি কথা উল্লেখ কৰিব লগীয়া আছে। যোৱা কাত্তি মাহত কাশীত বহা অখিল ভাৰতবৰ্ষীয় ব্ৰাহ্মণ মহাসম্মিলনলৈ আমাৰ দেশৰ (কামৰূপৰ) প্ৰায়বিলাক পণ্ডিতে নিমন্ত্ৰণ পাইছিল। তাত অন্য প্ৰশ্নৰ লগত বিবাহৰ বয়স সম্বন্ধেও মীমাংসা হো কথা আছিল। সভাৰ কৰ্ত্তৃপক্ষে সকলো প্ৰশ্নৰ বিষয় নিমন্ত্ৰিত পণ্ডিতসকলৰ মতামত বিচাৰিছিল। সেই মতে আমাৰ দেশৰ (কামৰূপৰ) পণ্ডিতসকলে সকলো প্ৰশ্ন শাস্ত্ৰসঙ্গত ব্যৱহাৰসঙ্গত আৰু বৰ্ত্তমান পৰিস্থিতি উপযোগী উত্তৰ দিবৰ অৰ্থে শাস্ত্ৰ আলোচনাৰ বাবে এই প্ৰবন্ধলিখকৰ ঘৰতে (নলবাৰী সত্ৰত) "কামৰূ সংস্কৃত সঞ্জীবনী সভাৰ" পক্ষৰপৰা এখন পণ্ডিত সভা আহ্বাহন কৰা হৈছিল। সেই পণ্ডিত সভাত কামৰূ অনেক বিখ্যাত পণ্ডিত উপস্থিত আছিল। তেওঁলোক সক লোৱে একবাক্যে ছোৱালীৰ বিবাহৰ মুখ্যকাল ৮ বছৰৰ পৰা ১৮ বছৰ আৰু গৌণ কাল আমৰণ বুলি স্থিৰ কৰিছিল কিন্তু দুখৰ বিষয় কাশীৰ সভাত সেই মত গৃহীত নহ প্ৰবন্ধলিখক নিমন্ত্ৰণ পাইও বিশেষ কাৰণত কাশী ব্ৰাহ্মণ সম্মিলনত উপস্থিত হব নোৱাৰিলে, সেইবাবে কাৰণত এই মত গৃহীত নহল, তেওঁ কব নোৱাৰে

ছোৱালীৰ বিবাহৰ বয়স যে অধিক হোৱা উচিত সম্পৰ্কে লৌকিক কথাও দু-আষাৰ ন'কৈ নোৱাৰিলো আমাৰ দেশত কোনো ভাল ধুনীয়া বস্তুৰ উপমা দি লাগিলে মানুহে কয় "যেন বামুণৰ কইনা।" অৰ্থাৎ বামু কইনা এনে ধুনীয়া তেজস্বিনী হৃষ্টাপুষ্টা শিক্ষিতা গুণবি আছিল যে কোনো ভাল বস্তুৰ তুলনা কৰিব লাগিলে প্ৰথ বামুণৰ কইনাৰ কথাহে মানুহৰ মনত পৰিছিল। কিন্তু অ দুখ আৰু বেজাৰৰ কথা যে আজি কালি বামুণৰ কইন দেখিলে শোক লগা হৈছে। কম বয়সীয়া কন্যা অলপ কাল ক্ষীণা দুৰ্ব্বলা, অকালবাৰ্দ্ধক্যযুক্তা হয়। এইবোৰ যে অক মাতৃত্বৰ দোষতে হৈছে তাক নকলেও হব। যি সকল আমাৰ দেশৰ সম্বন্ধে অলপো অভিজ্ঞতা আছে তেওঁলো চিন্তা কৰিলে জানিব পাৰিব যে বৰ্ত্তমান সময়ত ঘ বোৱা-কটা আদি গৃহস্থী কাৰ্য্যত আৰু ভাল গীত আদিৰ চৰ্চ্চাতো বামুণ কাইথৰ ছোৱালীৰ যিসকলৰ ভিতৰত বাল্য-বিবাহৰ কটকটীয়া বান্ধ সেইসকলৰ ছোৱালীবিলাক অধিক পটু; শাৰীৰিক সৌন্দৰ্য্য আদিতো আগ বঢ়া। বাল্য-বিবাহৰ প্ৰচলন নথকাই এই সৌভাগ্যৰ কাৰণ।*



সাধাৰণতঃ মানুহৰ স্বাস্থ্য সৌন্দৰ্য্য আদি পূৰ্ণতা লাভ কৰে ষোল বছৰৰ পিচৰপৰা। সেইখিনি বয়সৰপৰা মানুহৰ সৌন্দৰ্য্য বোধো বিকশিত হৈ উঠে। গতিকে শিল্প, সঙ্গীত আদি চৰ্চ্চাৰো সেইয়েহে উপযুক্ত সময়। কিন্তু জীৱনৰ এই লাগতিয়াল সময়খিনি আমাৰ ছোৱালীবিলাকে শিক্ষা বা শিল্প চৰ্চ্চাত সমূলি খৰচ কৰিব নোৱাৰা হয়। অনেক ছোৱালী ষোল বছৰ বয়সতে অকাল মাতৃত্ব লাভ কৰি ক্ষীণ, দুৰ্ব্বল অসুস্থ আৰু অল্পজিৱী সন্তানৰ জননী স্বৰূপে পতি-পুত্ৰ, শহুৰ-শাহু আদিৰ সেৱা শুশ্ৰূষাতে দিন কটাব লগীয়াত পৰে। কলা চৰ্চ্চা কৰা দূৰৰ কথা নিজৰ মুৰটোকে মেলাবলৈ সময় কৰিব নোৱাৰা হয়। গতিকে অকাল বাৰ্দ্ধক্য লাভ কৰি "তিৰীৰ কুৰি হলে বুঢ়ী" এই প্ৰবাদ বাক্যৰ সাৰ্থকতা সম্পাদন কৰে।

নাৰী জাতিৰ এই দুখ দুৰ্দ্দশা দূৰ কৰিবলৈ, মাতৃ জাতিক সঙ্কটময় মৰণ পথৰপৰা উদ্ধাৰ কৰিবলৈ, ছোৱালীবিলাকৰ বিবাহৰ বয়সৰ সীমা বঢ়াই দিবলৈ যত্ন কৰা প্ৰত্যেক দায়ীত্বজ্ঞানসম্পন্ন লোকৰে কৰ্ত্তব্য হোৱা উচিত। নহলে ভবিষ্যত বংশধৰসকলৰ অভিশাপ আমাৰ ওপৰত পৰিব। আৰু আমাৰ পাপৰ ফল আমাৰ পুত্ৰ-পৌত্ৰাদিয়ে ভোগ কৰিব। এই কাৰ্য্যত শাস্ত্ৰ আৰু যুক্তি দুয়ো অনুকূল; নাৰীসকলো ইয়াৰ সপক্ষে। কেৱল লাগে উৎসাহ, উদ্যম আৰু সৎসাহ।

শ্ৰীপ্ৰতাপচন্দ্ৰ গোস্বামী।

* এইখিনি কথা কামৰূপ জিলাৰ অভিজ্ঞতাৰপৰা কোৱা। কামৰূপত যি অৱস্থা আছে অসমৰ আন জিলাত যে তেনে হোৱা নাই ইয়াক ভাবিবৰ বিশেষ কাৰণ নাই।

---

# মান।

সকলোৰে অভিমান বিচাৰি নেপালে মান
আগে মানী হোৱাঁ নিজে তেহে পাবা মান
খুচিলে নসৰে মান খুজিলে নেপায় মান
মানীৰ মনটো পালে তেহে পাবা মান।
মনটো চেঁচুকে ঠেলি হাতত হাঁকোটা তুলি
নোৱাৰাঁ পাৰিব মান সৰু মন মেলি।
বুটলি বিচাৰি আনি মান বুলি বস্তুকণী
ধৰে গাত সানিলেও লাভ একো নাই
গাৱত নেথায় লীন সানিলে নেথাকে চিন
অপমান চিন মাত্ৰ উঠে তাত ফুটি
তাকে লই মানী বুলি থাকাঁ যদি মুৰ তুলি
অপমানে ছুলে ছুলে ভাবিবাঁ সদায়।

মান হৈছে ভক্তিকণা গপত নেথায় সনা
চৰিত্ৰৰ লগৰীয়া নহব সোণেৰে কিনা।
মানীক কৰিবাঁ মান বাঢ়িব তোমাৰ মান
নেযায় তোমাৰ মান মানীক মানিলে
কৰি যদি অপমান ভাবাঁ তুমি পাবা মান
নকমে মানীৰ মান তোমাৰো নেবাঢ়ে।
দেশক কৰিবাঁ মান দেশীক কৰিবাঁ মান
কৰ্ত্তব্যৰ অৰ্থ তুমি যেতিয়া বুজিবাঁ
পৰক আপোন কৰি নীচৰ হাতত ধৰি
নিজৰ মৰ্য্যাদা মান যেতিয়া জানিবাঁ।
পৰচৰ্চ্চা এৰি আৰু পৰ সেৱা কৰি বাৰু
লোকৰ ভালত ভাল লাগিব তোমাৰো।

স্বাৰ্থৰ কলিটি ছিঙ্গি দানৰ পাহিটি মেলি
অন্তৰৰ দেৱতাক দেখিবা যিদিনা
নিজক পাহৰি যাবা মধুৰ দেখিবা ধৰা
তেতিয়া নিজৰ মান নিজেই গঢ়িবা।

মানীৰেহে গাত লীন থাকে মানে চিৰদিন
মানীয়েহে বুজে মান মানীয়েহে কৰে মান
—একমাত্ৰ মান তাত অপমান নাই।
বীণ

---

# বিষ্ণুসাগৰৰ পাৰত। *

কোমল মনৰ হেব চিৰ সহচৰ,
মুকুতা বুলীয়া মোৰ চকু পানী টুপি;
সান্ত্বনাৰ দেৱদুত শান্তিৰ আকৰ,
নীল আকাশৰ যেন ঢলা তৰা থুপি।

যোৱা হেৰা শান্তি দেৱি নিছিগা ধাৰেৰে
উটি যক জগতৰ দুখ মায়াৰাশি,
শোকৰ গধুৰ বোজা এই অভাগাৰ,
পেলোৱা দুখৰ চিন্তা অাঁতৰতে নাশি।

একেই শৰত কাল নিৰ্ম্মল আকাশ
তিৰ্ বিৰ্ তৰাকুল জোনটিক বেৰি;
ছবিখনি ঘূৰি আহি একে আকাশৰ
হইছে ব্যাকুল বিষ্ণুসাগৰত পৰি।

লৰি চৰি পানী টুপি আছে নাচি নাচি,
ঘূৰি আহি আকাশেও নাচিছে লগত;
নতুন এখনি যেন স্ৰজিলে বিধিয়ে
ধুনীয়া আকাশ ছবি পানীৰ তলত।

* * * *

নিয়ৰৰ টোপা টোপ আজিওতো সৰি,
নিৰৱতা ভাঙি পৰে শুকান পাতত;
অাঁতৰত নগৰৰ হলি-গলিবোৰ
এতিয়াও ঘৰমুৱা ৰজাৰ বাটত।

ওচৰত হজুৱাৰ অতি আদৰৰ
মৰমৰ গৰু গাই এটি দুটি কৰি;
লগ এৰি ৰাতি দেখি ঘৰমুৱা হই,
আপোন মনেৰে যায় লাহে লাহে চৰি।

* * * * *

এই শেহ স্বাধীনতা শ্মশান ক্ষেত্ৰৰ,
নগৰৰ শেহ চিন বিষ্ণুসাগৰৰ;
সোণৰ শিকলি বন্ধা, নিৰাশাৰ বাজে
সকলোটি একেদৰে আছে নিৰন্তৰ।

আজি কিন্তু নাই সেই সুন্দৰ সঙ্গীত,
বননি কঁপাই তোলা শুৱলা কণ্ঠৰ;
আদৰৰ নাই আজি সেই বন্ধুবোৰ,
হিয়া যোৱা অভাগাৰ গাহেন্দ্ৰ ক্ষণৰ।

চাৰি পিনে গভীৰতা নীৰৱ জগত,
কাণে হায় শুনা নাই আজি সেই গান,
যিটি সঙ্গীতৰ তানে এই বলিয়াক,
সৰগ অমিয়া আনি কৰিছিলে দান।

সেই কণ্ঠ নাই আজি পুখুৰী-পাৰত,
শুঠে আজি সেই তান শুৱলা স্বৰৰ,
সকলোটি আজি হায় চকুৰ অাঁতৰ,
চিন্তাহীন সুখীয়াৰো বহুত দূৰৰ।

* * * * *

* লিখকৰ মৰমৰ বন্ধু ৺ইন্দ্ৰকান্ত সন্দিকৈৰ অকাল মৃত্যুৰ পিচত লিখা। বিষ্ণু সাগৰ যোৰহাটৰ কাছাৰি-পুখুৰীৰ ৰজাই দিয়া নাম



কোনো উড়ি সংসাৰৰ কাল পাচোৱাত,
চুকে কাণে আছে বৈ বনেদলে ধৰি;
বিৰোধী কোনোটি হই সংসাৰ মায়াত,
অাঁতৰতে আছে সুখ তুচ্ছ প্ৰাণ কৰি।

কোনোবা নেদেখা দেশ বিচাৰি কোনোৱে,
কেনিবাদি এই দেশ পাৰ হই যায়;
আধাফুটা গোলাপৰ ঢোপা কলি যেন,
কাল পোকে আকালতে দিলে সকৰাই।

কেতিয়াবা দুজনক পাব পাৰো লগ,
শুনিবও পাৰোঁ পুনু শুৱলা সঙ্গীত;
অকালতে যিটি কিন্তু সৰি পৰি গল,
নাহে আৰু শুঠে আহি কালৰ দণ্ডিত।

এনে যদি আছে আৰু বেলেগ সংসাৰ,
মৰাৰ পাচত যদি জীৱ থাকে তাত;
তেন্তে কিন্তু পাব পাৰোঁ কোনো সময়ত,
নতুন দেশৰ এক শান্তিময় ছাঁত।

ভবিষ্যত পতিয়ন নহয় মনৰ,
সেইদেখি মন মোৰ কোনোবা পৰীয়া
এদিন লগেৰে যত লভিছিলোঁ সুখ,
তাত আজি মই হায় অকলশৰীয়া।

* * * * *

সেই দেখি চকু-পানী যোৱা ধাৰেমাৰ
সেয়ে মাথো অভাগাৰ শান্তি ভৰা বাৰি,
শুকালে চকুৰ পানী অশান্তি মিলিব
হিয়াৰ বেজাৰ আৰু যাব মোৰ চৰি।

শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা।

---

# স্ত্ৰীশিক্ষা সম্বন্ধে একাষাৰ। *

অভ্যৰ্থনা সমিতিৰ পৰা কিছু দিনৰ আগেয়ে এই সন্মিলনত পাঠ কৰিবলৈ যি কোনো বিষয়ৰ এটি প্ৰবন্ধ লেখি পঠাবলৈ অনুৰোধ পত্ৰ পাইছিলোঁ। কিন্তু সাহিত্য সন্মিলনহে নেলাগে সাধাৰণ সভা সমিতিত পাঠ কৰাৰ উপযুক্ত প্ৰবন্ধ লেখিবলৈকে মোৰ তেনে অভিজ্ঞতা নাই। তথাপি জনাই নজনাই দুআষাৰিমান কথা সন্মিলনলৈ বুলি প্ৰবন্ধ স্বৰূপে লিখিলোঁ। ইয়াত মোৰ অনভিজ্ঞতাৰ কাৰণে বহুতো ভুল-ভ্ৰান্তি থাকি যাব পাৰে। আশা কৰোঁ আপোনালোকে তাক নিজগুণে শুধৰাই লব।

আমৰ গৌৰৱৰ বিষয় যে কিছু দিনৰপৰা এখন সাহিত্য সন্মিলন স্থাপন কৰা হৈছে আৰু সাহিত্য বিষয়ক গৱেষণাপূৰ্ণ এখনি কাকত "সাহিত্য-সভা-পত্ৰিকা" উপযুক্ত যোগ্য লোকৰ দ্বাৰাই পৰিচালিত হৈ চলি আছে। তথাপি আমাৰ দেশ সাহিত্য সেৱাত কিয় ইমান উদাসীন? কিয় আমাৰ দেশ সাহিত্য ক্ষেত্ৰত আগবাঢ়িব পৰা নাই? বোধ কৰোঁ শিক্ষাৰ অভাৱেই ইয়াৰ ঘাই কাৰণ। শিক্ষাৰ বল প্ৰচাৰ নহলে, সাহিত্যও আগুৱাব নোৱাৰে। জাতিয়ে আজি অধঃপতনৰ শেষ সীমাত ভৰি দিছেহি। এই যুগত জাতীয় জীৱনৰ দুঃখ দৈন্য হাহাকাৰৰ পিনে সকলোৰে চকু পৰিছে। আমি আজি দেখিছোঁ, আমাৰ সমাজ বিশৃঙ্খল, আমাৰ শিক্ষা অসম্পুৰ্ণ; আমি অশিক্ষিত, আমি আজি ক্ষুদ্ৰ ক্ষুদ্ৰ কথাত দন্দ হাই কৰি জীৱনৰ সুগম পথ দুৰ্গম কৰি লৈছোঁ। আৰ্থিক অৱস্থাত আমি নগণ্য, আমাৰ ভবিষ্যৎ আন্ধাৰ, আমাৰ নৈতিক জীৱন বিপন্ন। যোৱা অৰ্দ্ধ শতাব্দী ধৰি ভাৰতৰ শ্ৰেষ্ঠ নেতাসকলে এই জাতীয় দৈন্যতা আৰু অৱনতিৰ প্ৰতিকাৰ কল্পে নানা

* সন্মিলনৰ প্ৰবন্ধ।

অনুষ্ঠান, নানা সংগঠন গঢ়ি তুলিছে— কংগ্ৰেচ, জাতীয় শিক্ষা পৰিষৎ, ( বম্বেত ) মহিলা বিশ্ববিদ্যালয় ইত্যাদি অনেক মঙ্গলকৰ সদ্ অনুষ্ঠান পাতিছে। তথাপি ভালকৈ ভাবি-চালে দেখা যায় দেশে অতি অলপহে আগুৱাইছে। ইয়াৰ কাৰণ কি? শিক্ষাৰ অভাৱো ইয়ৰ কাৰণ।

বৰ্ত্তমান সময়ত সৰ্ব্বসাধাৰণতে দেখিবলৈ পোৱা যায় কৰ্ম্মী দুদল। এদলে ৰাজনীতিৰ ভিতৰেদি দেশক সবল সচেতন কৰিবৰ যত্ন কৰে। আন দলে অলপ অলপকৈ জাতিৰ জীৰ্ণ মন্দিৰ সংস্কাৰ কৰিবলৈ ব্যস্ত। অৱশ্যে এই দুই শ্ৰেণীৰ মাজতো অনেক দল আছে।

গঠণ কাৰ্য্যত আগুৱাবলৈ সাধনা লাগে। সাধনাত সিদ্ধিলাভ হলেহে আগুৱাব পাৰিব। সাধনাৰ ফলতহে প্ৰকৃত নেতৃত্ব পদ লাভিব পাৰে।

কিন্তু দুঃখৰ বিষয় দেশ গঠণ কৰিবলৈ দ্বিতীয়টি বাটৰ ফালে নেতাসকল উদাসীন হৈ আছে। উপেক্ষা কৰি আছিছে বুলিলেও কি জানি বঢ়াই কোৱা ন'হব, এই পথ যে দেশৰ শক্তি জাগ্ৰৎ হ'বৰ উপায়, তাক মুখেৰে বক্তৃতা দিলেও কাৰ্য্যত অতি কম ঘটায়।

আমি চকুৰ আগতে সদায় দেখিছোঁ, খৃষ্টান পাদুৰী-বিলাকৰ কিমান কষ্ট-সহিষ্ণুতা, সংযম আৰু সাধনা; তাৰ ফলতেই হাজাৰ বিজাৰ মানুহে ধৰ্ম্মান্তৰ গ্ৰহণ কৰিছে। যদিও পাদুৰীসকলৰ যথেষ্ট অৰ্থশক্তি ( আৰু ৰাজশক্তিও ) আছে, আমাৰ যে নাই তাকো বেগেতে কব নোৱাৰি। আমাৰ আৰ্থিক অৱস্থা নিতান্ত নগণ্য হলেও চেষ্টা কৰিলেই অৰ্থ পোৱা যায়। দেশত যেই সেই অনুষ্ঠান, সভা, সন্মিলন বা আন ৰাজহুৱা কাম আদিত বৰঙনি তুলিলে কিছু ধন সুঠা নহয়; এয়েহে পৰিতাপৰ বিষয় যে, সকলো সময়তে ধনৰ মিতব্যয় নহয়। এইবিলাক কাৰণেই সময়ে সময়ে ধনৰ অভাৱতকৈও আমাৰ মানুহৰ অভাৱহে বেচি হয়। সঙ্ঘ গঠণত শক্তিৰ উদয় হয়। ইয়াৰ কাৰণে যথেষ্ট শিক্ষা লাগে। শিক্ষাৰ বিস্তাৰ নহলে একো ফল নহয়। ঘাইকৈ স্ত্ৰীশিক্ষাৰ আৱশ্যকতা বেচি।

আজি আমাৰ সমাজৰ বহুত উন্নতি হ'লহেতেন, বহুত সমস্যাৰ সমাধান হ'লহেতেন, যদি এই নাৰী শক্তিক কেৱল পুৰুষৰ চাঁ কৰি নেৰাখি নাৰী জাতীক পুৰুষ লগে লগেই শিক্ষা দিয়া হ'লহেতেন। জাতিৰ আধা শক্তি নাৰীয়ে আজি নিজৰ অসীম দুৰ্ব্বলতাৰ কাৰণেহে ঠায়ে ঠায়ে অপমানিত লাঞ্ছিত হব লগা হৈছে। কিন্তু সমাজে সেই পিনে কাণসৰালি মাৰি আছে, যেন নিৰ্ব্বিকাৰ ভাব। আৰু কিছুদিন এইদৰে ধীৰ মন্থৰ গতিৰে সমাজ চলিলে, চকুৰ আগতে দেখি থকা সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে নাৰী জাতীৰ অৱস্থা দিনক দিনে আৰু শোচনীয় হৈ আহিব। নাৰীসকলৰ উন্নতিৰ বিষয়ে সমাজ ইমান উদাসীন যে সমাজ বুলি এটা বাক্যোন আছে নে নাই আমি উমানকে নেপাওঁ। সমাজে সামান্য কথাবোৰতহে মনোযোগ দিয়ে আৰু কেতিয়াবা কেতিয়াবা তেনে কথাতে অতিশয় উত্তেজিত হৈ পৰে। সমাজ সজীৱ হৈ দায়িত্ব ভাব পাবলৈ হলে নাৰীসকলক ন্যায্য অধিকাৰৰপৰা বঞ্চিত নকৰি, এই সুযোগতে তেওঁবিলাকৰ শিক্ষাৰ পথ সুগম কৰি দিয়াটো প্ৰধান দৰকাৰ।

নাৰীজাতি সুশিক্ষিতা হৈ শাৰীৰিক আৰু মানসিক উন্নতি কৰি পুৰুষৰ কামত সহায় কৰিলেই পুৰুষৰ তেওঁ-বিলাকৰ প্ৰতি কৰ্ত্তব্য সাধন হব, আৰু দেশৰ উন্নতিৰে অনেক সুবিধা হব।

আমাৰ এফাকি কথা আছে বোলে জ্ঞানীজনে কয়—— "তিৰীক বিশ্বাস নকৰিব।" ক'ব নোৱাৰোঁ কোন নাৰী হিতকাঙ্ক্ষী, জাতিৰ কল্যাণ-কামী মহানুভৱ পুৰুষে এই ফাকি নীতিব্যাক্য—অতুলনীয় লেখনীৰে লেখি থৈ গৈছে। মোটৰ ওপৰতে নাৰীৰ প্ৰতি এনে হীন ভাব ৰখা নিতান্ত অন্যায়; মাতৃজাতি বুলি সমাজে তিৰোতাক সমুচিত বিশ্বাস আৰু শ্ৰদ্ধাৰ পাত্ৰ বুলি গ্ৰহণ নকৰালৈকে সমাজৰ মঙ্গল নহয়।

নাৰী জাতিৰ ন্যায্য অধিকাৰ অক্ষুণ্ণ ৰাখিবলৈ শক্তিৰ আৱশ্যক। শিক্ষাৰ অভৱাত কত অত্যাচাৰ, অনাচাৰ শুনা যায়। দুৰ্ব্বলৰ ওপৰত সবলৰ অত্যাচাৰ চিৰদিন চলি আহিছে। ইপিনে চণ্ডীৰ ৰুদ্ৰতেজৰ ওচৰত পশু প্ৰকৃতি দানৱৰ পৰাজয় কেৱল পুৰণি উপাখ্যান নহয়। — ই সদায় সঁচা।

সংক্ষেপকৈ কওঁ সেই কাৰণেই নাৰী জাতিক এনে



শিক্ষা লাগে যি শিক্ষাৰ দ্বাৰাই সংযম, আত্মনিৰ্ভৰশীলতা বেচি পৰিমানে হয়; সময়ত আত্মৰক্ষা কৰিব পাৰে, দৈনন্দিন গৃহ-সংসাৰৰ জীৱনযাত্ৰা সুনিয়মে নিৰ্ব্বাহ কৰিব পাৰে যাতে নাৰীসুলভ কোমলতা আদি গুণবিলাক নষ্ট নহয়; অথচ ৰণলৈকো বীৰ বেশে সাজু হব পাৰে।

ইয়াৰ কাৰণে আমাৰ মুখিয়াল জনাবুজা লোক-সকলে সঙ্ঘবদ্ধ হৈ নানা প্ৰতিষ্ঠান গঢ়ি নাৰীশিক্ষাৰ সুবাৱস্থা কৰিব পাৰে। এনেকৈ প্ৰতিষ্ঠান গঢ়িব তাত যাতে সক, ডাঙৰ, আন কি বিবাহিতা তিৰোতায়ো নিজৰ অভিলষিত শিক্ষা পায়।

এই নাৰী-শিক্ষা সুবাৱস্থাৰ কাৰণে সাহিত্য সভাৰ ওচৰত যথেষ্ট আশা কৰা গল। বোম্বাই অঞ্চলত অধ্যাপক কাৰ্ভেৰ স্ত্ৰী মহাবিদ্যালয়ৰ দৰে এখন আসামতো স্থাপন কৰি আৰু তাকে কেন্দ্ৰ কৰি আন আন স্ত্ৰীশিক্ষাৰ অনুষ্ঠান কৰিব পাৰিলে মহৎ উপকাৰ হয়। সম্প্ৰতি অন্ততঃ সাহিত্য সভাৰে এটা স্ত্ৰীশিক্ষাৰ বিভাগ হোৱা উচিত।

আজিলৈ ইমানতে প্ৰবন্ধৰ সামৰণি মাৰিলোঁ।

শ্ৰীকণকলতা চলিহা,
শিৱসাগৰ।

---

# সাহিত্য বিষয়ক আলোচনা *

'সাহিত্য' শব্দটো আমাৰ দেশত কিছু প্ৰাচীন কালৰে পৰাই ব্যৱহৃত হৈ আহিছে। যি সময়ত কাব্যৰ স্বৰূপ আৰু অলঙ্কাৰ সম্বন্ধে প্ৰথম আলোচনা হয়, আৰু "শব্দাৰ্থৌ সগুণৌ কাব্যম্" প্ৰভৃতি কাব্যৰ লক্ষণ কৰা হয়, ঠিক সেই সময়ৰ পৰাই কাব্য নাটকাদি শাস্ত্ৰবিলাকৰ সাধাৰণ নাম স্বৰূপে 'সাহিত্য' শব্দটো স্বাভাৱিকতে প্ৰচলিত হয়। সহিত শব্দৰপৰা সাহিত্য শব্দৰ ব্যুৎপত্তি।

পণ্ডিত ভামহ খৃষ্টীয় পঞ্চম শতাব্দীৰ অলঙ্কাৰ-গ্ৰন্থকাৰ। তেওঁ 'কাব্যালঙ্কাৰ' গ্ৰন্থত কাব্যৰ লক্ষণ লিখিছে। "শব্দাৰ্থৌ সগুণৌ কাব্যম্", শব্দ আৰু অৰ্থৰ সমন্বয়ক কাব্য বোলে। তেওঁৰ গ্ৰন্থত সাহিত্য শব্দৰ উল্লেখ নাই। তেওঁৰ পৰবৰ্ত্তী ৰাজশেখৰ খৃষ্টীয় দশম শতিকাৰ সাহিত্যিক। তেওঁ 'সাহিত্য' শব্দৰ ব্যুৎপত্তি এইদৰে লিখিছে "শব্দাৰ্থয়ো-ৰ্যথাবৎ সহভাবেনে বিদ্যা সাহিত্যবিদ্যা" অৰ্থাৎ শব্দ আৰু অৰ্থৰ সুচাৰুৰূপে য'ত মিলন হয় সেয়ে 'সাহিত্য'। ৰাজশেখৰৰ আগতো অনেক গ্ৰন্থকাৰে 'সাহিত্য' শব্দৰ ব্যৱহাৰ কৰিছে। এতেকে অনুমান হয় খৃষ্টীয় সপ্তম নাইবা অষ্টম শতাব্দীৰ পাচৰপৰা আমাৰ দেশত সাহিত্য নামটোৰ প্ৰচলন হয়।

প্ৰাচীন আলঙ্কাৰিকসকলে সাহিত্য শব্দৰ প্ৰায় একেভাবেই ব্যাখ্যা কৰিছে—সাহিত্য, শব্দ আৰু অৰ্থৰ সহভাব অৰ্থাৎ ভাষা আৰু ভাবৰ যথোচিত সমন্বয়। তেওঁলোকে কাব্যনাটকাদিৰ উদ্দেশেই প্ৰধানতঃ সাহিত্যৰ এইৰূপ ব্যাখ্যা কৰিছে। অতএব কাব্যাদিৰ ভাষা আৰু ভাব একত্ৰ যেন গলিত হৈ পাঠক বা দৰ্শকৰ মনত স্থায়ী ভাবসমূহৰ সঞ্চাৰ কৰিব পাৰিলেই সিবিলাক উপযোগী হয়।

সাহিত্য শব্দই মুখ্যতঃ কাব্যনাটকাদিক আৰু গৌণ ভাবে সমগ্ৰ শব্দশাস্ত্ৰ অৰ্থাৎ ব্যাকৰণ তৰ্ক মীমাংসাদি গ্ৰন্থকো বুজায়। মুখ্য সাহিত্যৰ অৰ্থাৎ কাব্যনাটকাদিৰ বিকাশ কি কি প্ৰকাৰে হয় তাৰ আলোচনাৰ ফল অলঙ্কাৰ শাস্ত্ৰ।

কাব্য অৰ্থে কেৱল পদ্যাত্মক প্ৰবন্ধ মাথোন নহয়, পদ্যকাব্য, গদ্যকাব্য ও নাটকাদি সমস্তই ইয়াৰ ভিতৰুৱা। আধুনিক উপন্যাসাদিও এই শ্ৰেণীৰ ভিতৰতে পৰে।

* সম্মিলনৰ প্ৰবন্ধ।

আলঙ্কাৰিকসকলে কাব্যক এটা অখণ্ড শৰীৰিভাবে বৰ্ণনা কৰিছে। ইয়াৰ শৰীৰ কি? "শৰীৰং তাবদিষ্টাৰ্থ ব্যবচ্ছিন্না পদাৱলী" অৰ্থাৎ সহৃদয়সকলৰ হৃদয়ত অলৌকিক আনন্দ দিব পৰা পদাৱলীয়েই ইয়াৰ শৰীৰ। এই পদাৱলীত শব্দাৰ্থৰ সমন্বয় থাকিব লাগিব। ইয়াৰ প্ৰধান গুণ এই যে নিপুন চিত্ৰকৰৰ চিত্ৰই যেনেকৈ দৰ্শকৰ মনত যথাৰ্থত্বৰ ভ্ৰম জন্মাই দিয়ে, তেনেকৈ কবিয়েও কাব্যৰ পদাৱলীৰ দ্বাৰাই শ্ৰোতা আৰু দৰ্শকৰ মনত নিজবৰ্ণিত বিষয়ৰ যাথাৰ্থ্য ভ্ৰম উৎপাদন কৰি অলৌকিক আনন্দ সঞ্চাৰিত কৰে। এই শক্তিটোকে 'ৰস' আখ্যা দিয়া হৈছে। এই শক্তি সঞ্চাৰ কৰি কবিসকলে কাব্যৰ দ্বাৰা লোকক ব্যৱহাৰ শিক্ষা দিয়ে।

পুনশ্চ শৰীৰৰ শোভাবৰ্দ্ধক যেনে স্বৰ্ণালঙ্কাৰাদি, তেনেকৈ কাব্যৰো শোভাকৰ ধৰ্ম্মবিলাকক অলঙ্কাৰ নাম দিছে। শৰীৰৰ সাৰ যেনে আত্মা, কাব্যৰো সাৰ তেনে এটা আত্মাৰ লক্ষণ নিৰূপণ কৰিবলৈ গৈ আলঙ্কাৰিকসকলে নিজৰ ভিতৰত প্ৰচুৰ মতভেদৰ সৃষ্টি কৰিছে। ইংৰাজ লেখকসকলৰ ভিতৰতো কাব্য-লক্ষণা সম্বন্ধে অনেক মতানৈক্য দেখা যায়। কিন্তু কাব্যৰ লক্ষণা সম্বন্ধে মতভেদ থাকিলেও কাব্য পদাৰ্থটো স্বৰূপতে এক; আৰু কাব্যৰ লক্ষণ ঠিককৈ বুজাব নোৱাৰিলেও কাব্য-প্ৰিয় লোকসকলে তাক অনায়াসে অনুভৱ কৰিব পাৰে। এতেকে কাব্যৰ লক্ষণ বিভাগাদি ইয়াত নিষ্প্ৰয়োজন।

গৌণ সাহিত্য সম্বন্ধে কোনো লক্ষণাদি বিচাৰ কি প্ৰাচীন কি আধুনিক কোনো গ্ৰন্থকাৰেই কৰা নাই। কিন্তু এইটো স্পষ্টকৈ দেখা যায় যে সাহিত্যই গৌণভাৱে ব্যাকৰণ, তৰ্ক, জীৱনী, গৱেষণা, দৰ্শন, বিজ্ঞান, প্ৰভৃতি-মূলক সমস্ত জ্ঞানবিষয়ক প্ৰবন্ধকেই ইয়াৰ অন্তভুৰ্ক্ত কৰিছে। পাৰিভাষিক বিজ্ঞান আৰু দৰ্শনৰ বাজে আন সকলো বিষয়ক প্ৰবন্ধকেই ইয়াৰ ভিতৰুৱা বুলিব পাৰি। জগতৰ জ্ঞানালোচনাৰ নিখিল ভাবসমূহৰ সহভাব আৰু বিচ্ছিন্ন জ্ঞানশাখাসমূহৰ একীভাব ইয়াতে হয় বুলি গৌণভাৱেও সাহিত্য নামৰ সাৰ্থকতা হয়।

সাহিত্য প্ৰধানতঃ সমাজ আৰু জাতিৰ আৰু সামান্যতঃ বিশ্বজগতৰে প্ৰকাশস্বৰূপ। এই কথাটো কিঞ্চিৎ বিশদভাৱে আলোচনা কৰিলে সাহিত্যৰ স্বৰূপ আৰু তাৰ উদ্দেশ্য ভালদৰে বুজা যাব।

সভ্যতাৰ আদিতে মানৱসমূহ পৰস্পৰৰপৰা বিচ্ছিন্ন আছিল। তেতিয়া সিবিলাকৰ ভিতৰত পৰস্পৰ ভাৱৰ আদান-প্ৰদানাদি নাছিল। কিন্তু ক্ৰমাৎ সভ্যতাৰ বিস্তাৰৰ লগে লগে সিবিলাকে পৰস্পৰৰ প্ৰতি সহানুভূতি দেখুৱাবলৈ ধৰিলে আৰু লাহে লাহে সমাজ-বদ্ধ হৈ পৰিল। সমাজৰ লগত প্ৰত্যেক ব্যক্তিৰে এটা অঙ্গাঙ্গীভাৱ হৈ ব্যক্তি আৰু সমাজ পৰস্পৰ অভেদাত্মক হৈ উঠিল। এইদৰে ব্যক্তিৰূপ প্ৰত্যেক বিচ্ছিন্ন অঙ্গসমূহেৰে সমষ্টিৰূপ সমাজ গঠিত হোৱাৰ লগে লগে, ব্যক্তিগত বিচ্ছিন্ন ভাববিলাক সমষ্টিৰূপে সহভাৱত গঠিত হৈ সাহিত্যৰূপে পৰিণত হ'ল আৰু সমাজৰ নিজৰ বিষয়ীভূত কৰি তুলিলে। তাৰেপৰা সাহিত্য সমাজৰ একাধাৰে আদৰ্শ আৰু ইতিহাস স্বৰূপ হৈ উঠিল। এই আদৰ্শত সমাজৰ প্ৰতিবিম্ব দেখিব পোৱা যায় আৰু এই ইতিহাসত অতীত কালৰেপৰা বৰ্ত্তমান পৰ্য্যন্ত সমাজ কি নীতি ও পন্থ অবলম্বন কৰি চলি আহিছে তাৰ বিবৰণ পোৱা যায়; আৰু ভবিষ্যতেও কিৰূপে সমাজ চলিব বা চলা উচিত সিও ব্যক্ত হয়। এইখিনিৰ পৰাই সমাজৰ লগত সাহিত্যৰ সম্বন্ধ আৰু সাহিত্যৰ উদ্দেশ্যও প্ৰয়োজন ফুটি ওলায়। আমি জানিব পাৰোঁ যে সাহিত্য সমাজৰ এটা বিকাশ আৰু সাহিত্যৰ মুখ্য উদ্দেশ্য লোকৰ চিত্তোৎকৰ্ষসাধন কৰা আৰু সাধাৰণ মনোৰঞ্জনৰ লগে লগে নীতি ও ব্যৱহাৰ শিক্ষা দিয়া। সৎসাহিত্য আলোচনাৰপৰা মানুহৰ চিত্ত-বৃত্তিসমূহৰ উৎকৃষ্টতা জন্মে অথচ লগে লগে মানসিক আনন্দও হয় আৰু সামাজিক উন্নতিৰ সহায়তাও হয় আৰু উচ্ছৃঙ্খল জনসমূহে সুসংযত ভাব ধাৰণ কৰে। সাহিত্যৰ উদ্দেশ্য— ই নিজে যেনেকৈ নিজৰ ভিতৰত বিশিষ্ট অসংখ্য ভাবৰাশিৰ সমন্বয় সাধন কৰি নিজ নাম সাৰ্থক কৰে, তেনেকৈ সমগ্ৰ বিশ্বৰ মাজতো ঐক্যভাব স্থাপন কৰা। বিশ্বজগতৰ হৃৎস্পন্দন সাহিত্যত যেতিয়া প্ৰতিধ্বনিত হয় আৰু যেতিয়া বিশ্বৰ প্ৰত্যেক ব্যক্তিয়ে তাৰ ভিতৰত নিজ নিজ প্ৰতিবিম্ব দেখা পায় আৰু নিজা আদৰ্শ বিচাৰি পায়, তেতিয়াই সাহিত্যৰ চৰম উদ্দেশ্য সাধিত হয় আৰু তাৰ চৰম বিকাশ হয়। কালিদাস, চেক্সপিয়াৰ প্ৰভৃতি কবিসকলৰ নিৰ্ম্মিত সাহিত্য বিশ্বজনীন্ বস্তু। ইয়াত জগতৰ সকলো মানৱেই নিজৰ অভিলষিত বস্তু দেখা পায়।



সাহিত্য সম্বন্ধে এইখিনি আলোচনাৰ পাচত বৰ্ত্তমান অসমীয়া সাহিত্য সম্বন্ধে দুই আষাৰমান কথা বোধ কৰোঁ অপ্ৰাসঙ্গিক নহব। বৰ্ত্তমান অসমীয়া সাহিত্যত এতিয়াও অনেক ক্ৰটী আছে, যাৰ পূৰণৰ ভাৰ বৰ্ত্তমান লেখক শ্ৰেণীৰ গাত। মুখ্য সাহিত্য অৰ্থাৎ কাব্য নাটকাদি প্ৰবন্ধত বাজেও ইতিহাস, দৰ্শন, বিজ্ঞানাদি বিষয়তো অসমীয়া সাহিত্য অনেক পিচ পৰা। সুপাঠ্য বৈজ্ঞানিক ধাৰাত লিখা ইতিহাস এতিয়াও হোৱা নাই। প্ৰাচীন অসমীয়া দাৰ্শনিক ভাবৰ এনে আৱশ্যকীয় বিশেষত্ব আছে যাক উদ্ধৃত কৰি আকাৰবদ্ধ কৰাৰ উদ্যোগ এতিয়াও লেশ মাত্ৰও হোৱা নাই। উদাহৰণ স্বৰূপে ক'ব পাৰি যে অসমীয়া বৈষ্ণৱ ভাবুকসকলৰ মতসমূহ পূৰ্ণাঙ্গ কৰি তুলিব পাৰিলে এটা অতি উপাদেয় বস্তু হৈ উঠিব পাৰে। অসমীয়া বৈষ্ণৱসকলৰ ভক্তিবাদ ঈশ্বৰবাদাদি সম্বন্ধে অনেক মৌলিক সাম্প্ৰদায়িক সংস্কৃত পুথিও আছে, সেইবিলাক সুসংলগ্ন কৰি ভাষাগত কৰি তুলিলে সৰ্ব্বজনীন্ ভাবৰ গ্ৰন্থৰ লগত ঠাই পাবৰ যোগ্য হব।

চতুৰ্ব্বৰ্গসাধনেই মানৱ জীৱনৰ আৱশ্যক। সমাজ-বন্ধন ব্যতিৰেকে উচ্ছৃঙ্খল জনসমূহৰ দ্বাৰা জীৱন সংগ্ৰামত কৃতকাৰ্য্য হব নোৱাৰি। সৈন্যদল যেনে যুদ্ধ ক্ষেত্ৰত একীভূত ও সুসংযত হোৱা আৱশ্যক, তেনেকৈ মানৱ জাতি দেশীয়ভাৱে তেনে হোৱা আৱশ্যক। ব্যক্তি সংযমনেই সমষ্টিগত সংযমনৰ সাধন আৰু সমষ্টিগত সংযমনেই ব্যক্তিগত সংযমনৰ সাধন। পৰস্পৰৰ হেতুহেতুমদ্ভাব আছে। সমাজৰ উন্নতি এক জীৱনত নহয়, অনাদি কালৰপৰা বিবেকীসকলে জীৱন সমস্যাত ভুক্তভোগী হৈ পোৱা অদ্ভুত তত্ত্ববিলাক অনন্তকাললৈ স্থায়ী হবৰ কাৰণ ভাষা-লিপিবদ্ধ হোৱাৰ আৱশ্যক। কথিত অদ্ভুতাৰ্থবিলাক সুবিন্যস্ত, সুবিভক্ত, সুসংযত স্বলঙ্কৃত বাক্যাৱলীৰ দ্বাৰা গঠিত হলে চিত্তাকৰ্ষক হয়। অসমীয়া ভাষাত ৰচনাৰ গুণ-বিষয়ক কোনো গ্ৰন্থৰ অৱতাৰণা হোৱা নাই। তেনেকুৱা এখন গ্ৰন্থৰ আৱশ্যক। ধৰ্ম্মশাস্ত্ৰ, নীতিশাস্ত্ৰ, দৰ্শন শাস্ত্ৰ, জ্যোতিষ শাস্ত্ৰ ইত্যাদি শাস্ত্ৰবিলাক আৰু ইংৰাজী ভাষাৰ অত্যাৱশ্যকীয় বিষয়ৰ গ্ৰন্থ কিছুমান অসমীয়া ভাষালৈ অনুবাদ কৰা উচিত। যেয়ে যি বিষয়ত নিপুণ তেনেকুৱা বিদ্বানসকলক ব্যক্তিগতভাৱে অৱলম্বন কৰিলে সেইবিলাক কাম হব বুলি আশা কৰিব পাৰি।

শ্ৰীনাৰায়ণ দেৱ মিশ্ৰ।
বৰপেটা।

---

# কীৰ্ত্তন আৰু নামঘোষা।

যোৱা সংখ্যাত আমি "সটীক নাম-ঘোষাৰ" সমালোচনাত নাম-ঘোষাৰ উল্লেখ কৰিছিলোঁ। মাধৱ দেৱৰ নাম ঘোষাখন অসমীয়াৰ এটা অমূল্য সম্পত্তি। কীৰ্ত্তন আৰু নাম-ঘোষাই অসমীয়া সাহিত্যত বৰ ওখ ঠাই অধিকাৰ কৰিছে।

মুঠতে ডাঙৰেৰে বিজোৱা হয় যদিও, কীৰ্ত্তন আৰু নামঘোষা জানিবা অসমীয়া সাহিত্যৰ ভাগৱত আৰু গীতা। সংস্কৃত সাহিত্যত বিখিনিত ভাগৱত আৰু গীতাই ঠাই পায়, অসমীয়া সাহিত্যত সেইখিনি ঠাই কীৰ্ত্তন আৰু নাম-ঘোষাই জুৰি আছে। এই হিচাবে, কীৰ্ত্তন আৰু নাম-ঘোষা বৰ সম্মানিত ধৰ্ম্ম-গ্ৰন্থ।

চেক্সপিয়েৰৰ পৰা লেম্বচ্ টেল ( Lamb's tale ) নতুবা মহাভাৰতৰ পৰা মৌ-মহাভাৰত লিখাদি, কীৰ্ত্তন খন ভাগৱতৰপৰা উলিওৱা হৈছে। তাৰ বাহিৰে ইয়াৰ ভাষা, ভনিতা, লিখাৰ কৌশল, চুম্বকতা, সকলোখিনি কীৰ্ত্তন প্ৰণেতাৰ নিজস্ব। এইবিলাক গুণত ইয়াৰ সমতুল্য

লিখা অসমীয়া সাহিত্যত আজিলৈকে ওলোৱা নাই। সৰু সৰু ঘৰুৱা কথাৰে জটিল ওখ ভাব মনত সুমাই দিব পৰা, সকলোৱে বুজিব পৰা সহজ অথচ সুৰুচিপূৰ্ণ মনমোহা বিনন্দীয়া ভাষাৰ ৰচনা, কীৰ্ত্তনৰ পাচত আৰু কি ওলাইছে? কীৰ্ত্তনৰ পদে পদে পদলালিত্যৰ পৰিচয়। "ক্ষীৰ সাগৰৰ মাজে ত্ৰিকুট পৰ্ব্বত"—এই অধ্যায়টো, নতুবা "পাচে ত্ৰিনয়ন, দিব্য উপবন"—ইত্যাদি, এই পদ আধ্যাত উপবনৰ বৰ্ণনাটো, পঢ়ে মানে কাৰো আমনি নেলাগে। ডাঙৰ ডাঙৰ ভক্তিমূলক আৰু ওখ দাৰ্শনিক তত্ত্বেৰে ভৰি আছে যদিও, কীৰ্ত্তনৰ আগৰপৰা গুৰিলৈ সকলোখিনিকে লোকে পঢ়িলে, লিখা-পঢ়া নজনা মানুহেও প্ৰায়েই বুজিব পাৰে। ই এটা মহৎ গুণ। ধৰ্ম্মজ্ঞান বহলাই বিয়পাবৰ অৰ্থে কীৰ্ত্তনৰ প্ৰয়োজন হৈছিল। কীৰ্ত্তনে সেই প্ৰয়োজন আশাতীতৰূপে সাধন কৰিছে। কীৰ্ত্তন পুথিখন জানিবা সুন্দৰ এধাৰী মালতী ফুলৰ মালা। ধুন নাই, পেচ্ নাই, নিৰ্ম্মল, শুচী, সুগন্ধী, সৰল, শুৱলা আৰু হৃদয়স্পৰ্শী। মুঠতে কবলৈ হ'লে, কীৰ্ত্তন একেলগে কাব্য, দৰ্শন আৰু ভক্তি-গ্ৰন্থ।

কীৰ্ত্তনৰ দৰেই নাম-ঘোষাতো কবিতা, দৰ্শন আৰু ভক্তি তিনিও একেলগে আছে। নাম-ঘোষা ভকতীয়া পথত কিছু আন বঢ়া মানুহলৈ লিখা। ইয়াৰ আগ ছোৱা সংস্কৃতৰপৰা ভঙ্গা আৰু জটিল দাৰ্শনিক তথ্যেৰে পূৰ্ণ। পাচ ছোৱা কিন্তু ভকতৰ হিয়াভৰা উচ্ছাসৰ বিপুল ঢৌৰেৰে থৌকি-বাথৌকি। প্ৰেমিক ভকতে প্ৰেমত মজি ব্যাকুল হৈ শেহত অকল ৰাগ ৰাম হৰি হৰি বুলি ভক্তিত বিভোল হৈছে! নাম-ঘোষাৰ শেহ ছোৱাৰ দৰে ভাবত তন্ময়তা, ঐকান্তিক সৰলতা, হিয়া ভৰা উচ্ছাসৰ কল্লোল থকা লিখা অসমীয়া নেলাগে আন আন সাহিত্যতো অতি বিৰল।

শঙ্কৰদেৱ আৰু মাধৱদেৱ, কাৰ লিখা ভাল তাক থিৰাং কৰিব নোৱাৰি। শঙ্কৰদেৱ স্থিৰ গম্ভীৰ অতল অপাৰ প্ৰশান্ত মহাসাগৰ আৰু মাধৱদেৱ জানিবা সেই মহাসাগৰতে পৰাগৈ কোবাল সোতৰ বিশাল মহানদ; নতুবা শঙ্কৰদেৱ জানিবা বিপুল সৌন্দৰ্য্যসম্ভাৰশালী দিগন্তব্যাপী বিৰাট হিমাচল আৰু মাধৱদেৱ জানি তাৰে পৰম মহিমাময় গৌৰীশঙ্কৰ শৈল। কিন্তু দুয়ো সুন্দৰ দুয়ো মনোৰম, দুয়ো মহান। সাহিত্য হিচাবে শঙ্কৰদেৱৰ কীৰ্ত্তন আৰু মাধৱদেৱৰ নাম-ঘোষাই আমা সাহিত্যত সৰ্ব্বপ্ৰধান স্থান অধিকাৰ কৰিছে।

কীৰ্ত্তন আৰু নামঘোষা শঙ্কৰী যুগৰ অসমী সাহিত্যৰ সৰ্ব্বোৎকৃষ্ট চানেকি। সেই কালৰ অসম দেশ সাহিত্য কেনে প্ৰাঞ্জল আছিল আৰু তাৰ গঢ়-গতি কে আছিল, এই পুথি দুখনিয়ে অতি সুন্দৰ আৰু নিখুঁ ৰূপে তাৰ নিদৰ্শন ৰাখি গৈছে। শদিয়াৰপৰা বৰ্ত্ত বঙ্গদেশৰ অন্ততঃ কোচ-বিহাৰলৈকে তেতিয়া যি এক লিখিত ভাষাই নিৰ্ব্বিবাদে বিৰাজ কৰিছিল, কীৰ্ত্ত আৰু নামঘোষা তাৰে চানেকি। তদুপৰি সে কালত এই সুবিস্তীৰ্ণ দেশৰ অধিবাসীসকলৰ ধ জ্ঞান, ৰীতিনীতি আৰু সমাজ সম্পৰ্কীয় বিষয় কিমান উন্নতি আছিল, এই পুথি দুখনিত তাৰো আভা পোৱা যায়। আজিলৈকে ইয়াৰ কোনো কোনো ঠাঁ allusion স্বৰূপে আমাৰ লিখিত সাহিত্যত সোমাই আ আৰু কথিত ভাষাতো মুখে মুখে প্ৰচলিত আ এতেকে, সাহিত্য হিচাবে কীৰ্ত্তন আৰু নামঘোষাৰ মূ অতি সৰহ।

বৰ দুখৰ কথা যে আজিকালিৰ শিক্ষিত অসমীয় অনেকে এই পুথি দুখনিৰ মোল ভালকৈ বুজিব পা নাই। তেওঁলোকৰ ভালেখিনিয়ে ইয়াক সমূলি পঢ়া নাই বুলি আমি ডাঠি কব পাৰো। গৱঁা-ভূঞা মানু ইয়াক পঢ়ে যদিও শিক্ষাৰ অভাৱত বুজিব নোৱা অনেক ঠাইত ইয়াৰ বিকৃত অৰ্থ কৰে। সেইগু নামঘোষাৰ সটীক সংস্কৰণ ওলোৱা দেখি আমি সন্তো পাইছো। কীৰ্ত্তনখনিৰো প্ৰয়োজন থকাবিলাক ক টীকাৰে সৈতে কোনো উদ্যোগী মানুহে এটি সটী সংস্কৰণ উলিয়াবলৈ আগ বাঢ়িলে বৰ সন্তোষৰ ক হব। সাম্প্ৰদায়িক হিচাবে নধৰি, সাহিত্য হিচাবে ধৰি বিশ্ববিদ্যালয়ৰ গুৰিৰপৰা আগলৈকে সকলো শ্ৰেণ পঢ়াবৰ উপযুক্ত বহুত সমল কীৰ্ত্তন আৰু নাম-ঘোষা সোমাই আছে বুলি সকলো নিৰপেক্ষ মানুহে স্বীকা কৰিব লাগিব।

---

# চীনা পটন্তৰমালা।

[ ইংৰাজী ভাঙনীৰপৰা ]

যি ভুতু এটা নমৰাকৈ শত্ৰুক পৰাজয় কৰে, তেৱেঁই আটাইতকৈ ডাঙৰ বিজেতা।

•

পচা কাঠ বেঁকা কৰিব নোৱাৰি।

•

দ'ত বাজ-কাৰেং জাকজমক তাৰ পথাৰবোৰ টকলা আৰু ভৰালবোৰ উদং।

•

যি জানে (অৰ্থাৎ জ্ঞানী জনে) কথা নকয়; যি কথা কয় সি নাজানে (অৰ্থাৎ অজ্ঞানী)।

•

কথা নোকোৱাটো স্বৰ্গীয় জ্ঞান, তথাপি তাৰ প্ৰতিদান আছে।

•

আত্ম-গৌৰৱ নকৰিবা; তেনেহলে লোকে তোমাৰপৰা কোনো কালে গৌৰৱ কাঢ়ি নিনিয়ে।

•

যি আনক বিশ্বাস নকৰে, তেওঁক আনেও বিশ্বাস নকৰে বুলি নিজে জানিব পাৰে।

•

দয়া-মমতা থকা মানুহে বিৰুদ্ধে যুঁজা যুঁজাবোকো বিচাৰ কৰে।

•

আটাইতকৈ ভাল সৈন্য ৰণোন্মত্ত নহয়।

•

আইনৰ লেপ যিমানে বাঢ়ে, চোৰো সিমানে বাঢ়িব।

•

ডাঙৰ আলিয়েদি যোৱা উজু, কিন্তু আটায়ে সৰু-সুৰা আলিহে (ডাঙৰ আলিৰ ঠাল-ঠেঙ্গুলি) ভাল পায়।

•

গেলা-পচা মঙহৰ এটা মাথোন গোন্ধ আছে।

•

বাজলৈ নোলোৱাকৈ গোটেই জগতৰ কথা জানিব পাৰি।

•

দাগ থকা হীৰা এডোখৰ নিভাঁজ সাধাৰণ পাথৰ এডোখৰতকৈ ভাল বুলি বিবেচনা কৰা হয়।

•

ঈশ্বৰৰ দাই লগোৱা মানুহে প্ৰাৰ্থনা কৰিব লগীয়া কাকো লগ নাপায়।

•

সৈমান হোৱা জিভাই সহি থাকে; আঁকোৰগোঁজালি দাঁত ধ্বংস হয়।

•

চাবলৈ হলে ভাল দৃষ্টি-শক্তি থাকিব লাগে।

•

ধন অলপ নগলে সৰহকৈ নাহে।

•

অন্যায়কৈ ঘটা ধন তপত পানী ছটিয়াই দিয়া বৰফৰ দৰে।

•

দূৰৈত গৈ ধূপ জ্বলোৱাতকৈ ঘৰৰ ওচৰত ভাল কাম কৰা শ্ৰেয়ঃ।

•

হাবিৰ ওচৰত থাকিলেও খৰি পেলনি নিনিয়াবা।

•

বাঘৰ ওপৰত উঠা মানুহে নামিবলৈ ভয় কৰে।

•

উভৈনদী হলে নাটনিৰ কথা ভাবিবা; নাটনিত পৰিলে উভৈনদী হোৱা কথা নাভাবিবা।

•

কাউৰী আৰু 'ফেনিক্স' চৰাই একে বাহত নাথাকে।

•

দূৰৈত থকা মিতিৰ-কুটুমতকৈ কাযত থকা ওচৰ-চুবুৰীয়া মানুহ ভাল।

•

চাকিত তেল নাথাকিলে শলাকানি নষ্ট হয় মাথোন।

•

জুই নুমাবলৈ যাওঁতে পাতেৰে তৈয়াৰী কাপোৰ-কানি পিন্ধি নাযাবা।

•

মানুহ যিমানে ভুৰ্ষীয়া হয় সিমানে সৰহ ভূতৰ লগত সাক্ষাৎ হয়।

•

এন্দুৰেহে এন্দুৰৰ গতি-গোত্ৰ বুজে।

•

বাটেদি যাওঁতে কথা পাতি গলে মনত ৰাখিবা, ঘাঁহতো মানুহ থাকিব পাৰে।

•

মানুহৰ ভাল কামবোৰৰ বিষয়ে ঘৰতহে জনা থাকে; কিন্তু বেয়া কামবোৰৰ কথা ভালেমান দূৰতো আনে জানে।

•

কুমাৰীৰ গুণ অসীম; ঘৈণীৰ খং অনন্ত।

•

সাপ বাঁহৰ চুঙাত সোমালেও তাৰ মেৰপাক খোৱা অৱস্থা গুচাবলৈ টান।

•

মূৰ্খ কুকুৰেহে উৰি যোৱা চৰাই ধৰিবলৈ খেদি যায়।

•

কোনো মানুহক সোণালী বৰী খাবলৈ দিলে বেমাৰৰ ভূত তত্তালিকে পলাব।

•

এটা ঘোৰা যাব খুজিলে এশটা ঘোৰা উৰাদিহ নোপোৱা হয়।

•

আলহীক লঘোনে থোৱাতকৈ তুচ্ছ-তাচ্ছিল্য কৰা বৰং ভাল।

•

জহকালিৰ পোকে বৰফৰ কথা কব নোৱাৰে; ভেকুলীয়ে স্বৰ্গৰ কথা কোৱা অযুগুত।

•

বেচিবলৈ থোৱা আটাইখিনি মদ কোনেও কে… কিনিব নোৱাৰে।

•

সৰ্ব্বোত্তম তীক্ষ্ণ শক্তিতকৈ অতি পাতল চিয়াঁহি …

•

ভাল কথা মুকুতা গোঁঠা জৰীৰ দৰে।

•

'কফিন্' ( মৰা শ কবৰ দিয়া পেৰা ) তৈয়াৰ … থলে মানুহটো নমৰে।

•

গছ খানিবলৈ হলে শিপা খানিবলৈ আৰম্ভ … লাগিব।

•

পৰ্ব্বত বগাব নোৱাৰিলে ভৈয়াম চাব নোৱাৰা।

•

চোৰে মাছ খোৱা নাচাবা; কি শাস্তি পা… তালৈহে চকু দিবা।

•

যি বলদ গৰুক পানী খুৱাবলৈ নিয়ে, সি … নিজৰ ভৰি তিয়াব লাগিব।

•

হীৰা মুকুতা নঘঁহিলে নিমজ নহয়; পৰীক্ষা ( … নহলে মানুহো সম্পূৰ্ণ নহয়।

•

লাহে-ধীৰে কাম কৰিলে ভাল বস্তু তৈয়াৰ …

•

চিন্তাহীন বিদ্যা শিক্ষাত পৰিশ্ৰম অথলে যায় … হীন চিন্তা ভয়ঙ্কৰী হৈ উঠে।

•



প্ৰতিদানৰ আশাত কৰা মৰমতকৈ সমূলি মৰম নকৰা ভাল।

•

চাৰিটা ঘোৰাৰ ৰথেও কৈ পেলোৱা কথা অতিক্ৰম কৰিব নোৱাৰে।

•

আমি দেখাটোৱেই যদি সন্দেহজনক, আমাৰ আঁৰত কোৱা কথা কেনেকৈ বিশ্বাস কৰিম?

•

মানুহৰ মাজত বুৰাতকৈ সাগৰত বুৰা ভাল।

•

মাছ মাৰিবলৈ আৰু জাল শুকুৱাবলৈ বেলেগ বেলেগ সময় আছে।

•

শিকিবলৈ আগ্ৰহ থাকিলে জ্ঞানৰ জপনাত উপস্থিত হব পাৰি।

•

লৰালৰি কৰা মানুহ ৰাজ-গমনেৰে যাব নোৱাৰে।

•

তৰমুজ-বিকোতাই নিজৰ তৰমুজ সোৱাদ বুলি সদায় ঘোষণা কৰে।

•

নৈত মাছ নাথাকিলে সামান্য মাছতো ভাল দাম পোৱা যায়।

•

ঠিক তজু' আৰু পূৰা জোখ-মাখে কাৰো হানি নকৰে।

•

এই বছৰৰ বাঁহ দেখি নাথাকিবা; বৰং অহা বছৰৰ বাঁহ-গাজহে লেখিবা।

•

শুকান আঙুলিয়ে লোণ চেলেকিব নোৱাৰে।

•

পুণ্য কাৰ্য্যৰ বিষয়ে কোৱাতকৈ কামত খটোৱা ভাল।

•

এহাজাৰ টকাৰ সুদ দিয়াতকৈ নগদ ৮০০ টকা লোৱা বৰং ভাল।

•

উঠি অহা জীয়াৰী ছোৱালী চুৰকৈ বেচা লোণৰ নিচিনা।

•

একেবাৰে আজৰিত এদিন কটালে এদিনলৈ জানিবা অমৰ হোৱা যায়।

•

ঘোৰা দৰিবলৈ হলে ঘোৰাত উঠিবা।

•

বাহিৰা চোৰক পহৰা দিব পাৰি; পৰিয়ালত থকা ঘৰুৱা চোৰক পহৰা দিয়া টান।

•

বিষয় বাব খোৱা মানুহে চৰকাৰৰ লগত দ্বন্দ কৰা অযুগুত।

•

ডাঙৰ পল্টনৰ নেতা কাঢ়ি আনিব পাৰি, কিন্তু ভুৰ্ষীয়া মানুহৰ ইচ্ছা-শক্তি কোনেও কাঢ়ি আনিব নোৱাৰে।

•

খাবলৈ 'মোটা' বস্তু, পিবলৈ পানী আৰু গাকৰ দৰে মূৰ থৈ শুবলৈ বেঁকা বাউসি থাকিলেও তাতে সুখ বৰ্ত্তিব পাৰে।

•

আনে অপমান কৰাৰ আগেয়ে কোনো মানুহে নিজক নিজে অপমান কৰিব লাগে।

•

সুগুণ অকলশৰীয়া হৈ থাকিব নোৱাৰে; তাৰ চৌপাশে ওচৰ-চুবুৰীয়াৰ উৎপত্তি হবই।

•

কোনো মানুহে নিজৰ পৰিয়ালক যি কথা শিকাব নোৱাৰে, সেই কথা আনক শিকোৱা সম্ভৱ নহয়।

•

ওচৰত থকা পানীৰ কাৰণে দূৰৰ পানী অকামিলা।

•

বনৰীয়া ঘাঁহ নাপালে ঘোৰা কেতিয়াও নোদোকা নহয়; সৌভাগ্যৰ সহায় নহলে মানুহ কেতিয়াও ধনী

হব নোৱাৰে।

•

মন স্বাধীন থাকিলে শৰীৰো সুখত থাকে।

•

দুটা মানুহৰ মন মিলিলে সিহঁতৰ তীক্ষ্ণতাই কোনো ধাতু দুফাল কৰি কাটিব পাৰে।

•

গুণ হৈছে শিপা ; ধন-সম্পত্তি হৈছে গছ।

•

বেঁকা লাঠী লোৱেৰে খুন্দিলেও সৰশেহত আগৰ নিচিনা বেঁকাই হয়।

•

অধিক গুণ থাকিলে ডাঙৰ বটাও থাকে।

•

পেলনি যোৱা সৰু এখুতুৰা মঙহে গোটেইখিনি আহাৰত মলি সানে।

•

বিধাতাই যাক মূৰ্খ কৰি জনম দিছে, তাক শিক্ষা দিবলৈ যোৱাটো ধৃষ্টতা মাথোন।

•

নিজে ৰোৱা শাক-পাচলিত সোৱাদ নাই ; লোকৰ বাৰীৰ শাক-পাচলি আটাইতকৈ ভাল।

•

যি জুইৰ আটাইতকৈ ওচৰত থাকে, তাৰ আটাইতকৈ সোনকালে গা তপত হয়।

•

যদি নিজৰ লৰা-ছোৱালীক নীৰলে জীৱন ধাৰণ কৰাব খোজা, তেন্তে সিহঁতক সদায় অলপ ভোকত থাকিবলৈ আৰু গাত জাৰ লাগিবলৈ দিবা।

•

একে ধৰণৰ দুটা ব্যৱসায়ে পৰস্পৰক ঘিণায়।

•

যি দৰৱ খায়, অথচ পথ্যৰ বিষয়ত আওহেলা কৰে, তেওঁ চিকিৎসকৰ গুণ-বিস্তাৰ ক্ষতি কৰে মাথোন।

•

অন্তঃকৰণ সমতল ভূমিত এৰা ঘোৰাৰ দৰে; তাক সহজে মেলি দিব পাৰি, কিন্তু অতি কষ্টেহে চম্ভালিব পাৰি।

•

লৰালৰিত ব্যৱহাৰ কৰিবলৈ আজৰি পৰত তৈয়াৰ কৰিবা।

•

কুকুৰাৰ বাহৰপৰা 'কেনিষ্ক'চৰাই পাব নোৱাৰি।

•

এবছৰত কাচিৎহে এজন বন্ধু কৰিব পাৰা, কিন্তু এঘণ্টাৰ ভিতৰতে এজন বন্ধুৰ জগৰ লগাব পাৰা।

•

বিধাতাই কোনো মানুহকে কাপোৰ-কানি আৰু উপাৰ্জ্জনৰ ব্যৱস্থা নকৰাকৈ কেতিয়াও নপঠিয়ায়।

•

ৰান্ধনীয়ে নিজে নষ্ট কৰা আটাৰ ক্ষতিপূৰণ কেতিয়াও নকৰে।

•

মানুহৰ মাজত বন্ধুত্ব স্থাপন হলে পানীও সোৱাদ লাগে।

•

মৰি যোৱা বৃদ্ধক হলে সন্মান কৰাঁ, কিন্তু জীয়াই থকা বৃদ্ধক তুমি সন্মান নকৰাঁ!

•

সদাশয় ( ন্যায় পথত চলা ) বিচাৰক-হাকিমৰ পেস্কাৰ চেৰেলা; ক্ষমতাশালী দেৱতাৰ পূজাৰী শকত-আৱত।

•

ভাঙৰ গুটি সিচোঁতাই ভাং আৰু উৰহী গুটি সিচোঁতাই উৰহী পায়।

•

অতীত ঘটনাবোৰ দাপোনৰ দৰে পৰিষ্কাৰ; ভৱিষ্যতৰ ঘটনাবোৰ লাৰ দৰে অপৰিষ্কাৰ।

•

ভাল ঘোৰা ঘাঁহ খাবলৈ নোভতে; ভাল তিৰোতা দ্বিতীয় বাৰ বিয়া নোসোমায়।

•



প্ৰতি ঠাইতে যাৰ বন্ধু-বান্ধৱ আছে, তাৰ প্ৰতি আটাইবোৰ ঠায়েই মধুৰ।

•

বাওঁ হাতে সোঁ হাতক হকবালেও তাৰপৰা একো লাভ নহয়।

•

নিমৰগিয়াল ভাই-ককাইতকৈ মৰমিয়াল বন্ধু-বান্ধৱেই ভাল।

•

বাঘ আৰু হৰিণা পহু একেলগে দুখুৰে।

•

চিনা-জনা বন্ধু-বান্ধৱৰ লগত মাথোন পানাহাৰ কৰিবা আৰু কবিৰ লগত কবিতা আওৰাবা।

———

(আৰু এছোৱা পাচত ওলাব)

শ্ৰীমহানন্দ বৰুৱা।

---

# নৰ্ম্মেল স্কুলৰ সাহিত্যৰ বিষয়ে।

আসাম সাহিত্য-সভা-পত্রিকাৰ তৃতীয় বছৰৰ তৃতীয় সংখ্যা কাকতত পত্রিকাৰ সম্পাদক মহাশয়ে "নৰ্ম্মেল স্কুলৰ সাহিত্য" নামৰ এটি চুটি প্ৰবন্ধ লিখিছে। কথাখিনি অতি আৱশ্যকীয় : আমি পঢ়ি পৰম প্ৰীতি লাভ কৰিছোঁ। সেই কথাখিনিকে আমি অইন ধৰণেৰে পত্রিকালৈ আগ বঢ়ালোঁ ; তাত ঠাই পালে সুখ পাম। নৰ্ম্মেল স্কুলৰ তৃতীয় বাৰ্ষিক শ্ৰেণীত উচ্চ ধৰণৰ ভাল সাহিত্য দিব লাগে ই সঁচা কথা ; কিন্তু দিবৰ সময়ত অসমীয়া উচ্চ সাহিত্য বিচাৰি পোৱা টান। আমাৰ দেশত যি দুই চাৰিজন ভাল লিখক আছে, তেখেতসকলে অভাৱটো বিদূৰিত কৰিবলৈ চেষ্টা নকৰে কিয়? এতিয়াও নৰ্ম্মেল স্কুলত বঙ্গালী শিক্ষাবিধি, জ্যামিতি আৰু মনোবিজ্ঞান চলে। শিক্ষক মহোদয়সকলে অশেষ যত্ন কৰি শিক্ষাবিধি আৰু মনোবিজ্ঞানৰ নোট দিয়ে ; তাকে ছাত্রসকলে পঢ়ে। এইবিলাক কিতাপ অসমীয়া ভাষাত নোহোৱাৰপৰা নৰ্ম্মেল স্কুলৰ ছাত্রসকলে পঢ়া-শুনা কৰাত বৰ অসুবিধা পায় ; আৰু ই ভাষাৰো এটা বৰ ডাঙৰ অভাৱ। এতিয়ালৈকে অসমীয়া ভাষা আৰু সাহিত্যৰ এখন ভাল বুৰঞ্জী ওলোৱা নাই।

নৰ্ম্মেল স্কুললৈ পঢ়িবলৈ আহিলে নিজে বজাৰ কৰি, খৰি ফালি, পাগ কৰি খাব লাগে। ই অতি সুন্দৰ ব্যৱস্থা ; বিশেষকৈ শিক্ষকৰ পক্ষে ই নিতান্ত আৱশ্যকীয়। পৰাপক্ষত নিজ হাতেৰে কাম কৰি খাবলৈ কোনো মানুহেই হেলা আৰু লাজ কৰিব নালাগে।

বৰ্ত্তমান হৈছে ধনৰ যুগ ; যাৰ ধন নাই তাৰ একো নাই বুলিব লাগে। যি নিজেই দ্ৰৰিদ্ৰ, সি আকৌ দেশৰ আৰু সাহিত্যৰ হিত-চিন্তা কৰিব কেনেকৈ? যিবিলাক শিক্ষকে নৰ্ম্মেল স্কুল পাছ কৰি যায়, তেওঁলোকে বৰ বেচি পায় যদি ২০৲ বা ২৫৲ টকীয়া বোৰ্ডৰ চাকৰি এটা : পোন্ধৰ টকাত কাম কৰা তৃতীয় বাৰ্ষিক পাছ শিক্ষকো আছে। চৰ্কাৰী চাকৰি যাৰে তাৰে ভাগ্যত মিলা টান।

আজি কালিৰ দিনত ইমান কম পইচাৰে এঘৰ মানুহ চলা যে টান তাক সকলোৱে জানে ; তথাপি পণ্ডিতসমূহৰ আৰ্থিক অভাৱৰ দুখ-দুৰ্গতি ইমান দিনে অকণো লাঘৱ হোৱা দেখা নাই। শুনিবলৈ পাইছোঁ, হেনো কোনো এজন আসাম কাউন্সিলৰ সভ্য মহাশয়ে নৰ্ম্মেল স্কুলটো তুলি দিব লাগে বুলি কাউন্সিলত প্ৰস্তাৱ এটি দাঙ্গি ধৰিছিল। প্ৰস্তাৱটো গৃহীত নহল হবলা। তেখেতৰ সেই প্ৰস্তাৱৰ মূল উদ্দেশ্য আমি বুজি পোৱা নাই। দেশৰ আৰু সমাজৰ নেতাৰ নৰ্ম্মেল স্কুলৰ প্ৰতি এনেকুৱা ভাব হোৱাটো যুক্তিসঙ্গত হয়নে নহয়, ৰাইজে ভাবি চাব। যদি উক্ত প্ৰস্তাৱক মহাশয়ৰ প্ৰস্তাৱটো গৃহীত হ'লহেতেন, তেন্তে পত্রিকাৰ সম্পাদক মহাশয়ৰ

—নৰ্ম্মেল স্কুলটো আমাৰ এটা বৰ লাগতিয়াল অনুষ্ঠান, এই বাক্যটোৰ 'লাগতিয়াল' শব্দৰ আগত এটা 'অ' বহুৱাই দিব লাগিব ; তেহে প্ৰস্তাৱক মহাশয়ৰ প্ৰস্তাৱটো সঙ্গত হব।

দেশবাসী মাত্ৰেই নিজৰ দেশ আৰু অসমীয়া ভাষাৰ উন্নতি সাধন কৰিবলৈ চেষ্টা কৰিব লাগে ; কিন্তু যি মানুহ চিৰ-অভাৱগ্ৰস্ত, তেওঁৰপৰা দেশে আৰু ভাষাই কাম পোৱা টান। পানী আৰু চাউল একেলগ কৰি দিলেও ভাত হব নোৱাৰে, তলত জুই দিলেহে ভাত হব। পণ্ডিতসকলৰ অভাৱ অভিযোগ আৰু দুখ-দৰিদ্ৰতা দূৰ নহয়মানে সিবিলাকে দেশৰ কাম কৰিবলৈ সুযোগ নাপাব। কাৰণ এঘৰ মানুহৰ পেটৰ চিন্তাৰ ভাৰ সিবিলাকৰ ওপৰত থাকে ; তদুপৰি দিনৰ বেচি ভাগ সময় স্কুলত থাকোতেই যায়।

পণ্ডিতসকলৰ বেতন কম ; সেই কাৰণে ইচ্ছা থাকিলেও সিবিলাকে ভাল বস্তু খাব লবলৈ ধন নাপায়। চিন্তাৰ ফলত সিবিলাকৰ চেহেৰা নষ্ট হয় আৰু আয়ু টুটে। দেশত সু-শিক্ষা বিস্তাৰ কৰিবলৈ হলে আৰু সাহিত্যৰ উন্নতি কৰিবলৈ হলে পণ্ডিতসকলৰ এই অভাৱ অভিযোগ দূৰ কৰিব লাগিবই লাগিব। ইতি—

শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস।

---

# বিবিধ।

শিক্ষিতৰ ধৰ্ম্ম—এই ধৰ্ম্মৰ মতেৰেহে ঈশ্বৰক পায়গৈ, এই ধৰ্ম্মৰ মতেৰে পোৱা নাযায়—এইবিলাক সমূলি মিছা কথা। আচলতে লাগে হৃদয়ত আকুলতা, তেওঁত তন্ময়তা। সেয়ে হলে, কোনো ধৰ্ম্মকে অৱলম্বন নকৰাকৈও ঈশ্বৰত পৰিবগৈ বা ওলাবগৈ পাৰি। এই আকুলতা বা তন্ময়তা ওপজোৱাটোৱেই সকলো ধৰ্ম্মৰ মূল লক্ষ্য। এই গুৰিৰ কথাকাকি যি বুজে, সেই মানুহৰ কাৰোৱে সৈতে কেতিয়াও ধৰ্ম্ম সম্পৰ্কীয় বিবাদ ঘটিব নোৱাৰে। মানুহে কয় বোলে সকলো দেশৰে শিক্ষিত মানুহৰ একেটা ধৰ্ম্ম : সেই ধৰ্ম্মও এয়ে।


* * * * *

সাহিত্য-ইতিহাস—অসমীয়া সাহিত্যৰ ক্ৰম-বিকাশৰ এখনি ভাল ইতিহাস লিখিবৰ সময় হ'ল। শঙ্কৰ দেৱৰ আগৰ যুগৰপৰা আজিলৈকে গোটেই কালছোৱাক ছোৱা-ছো কৰি লৈ কোন কোন ছোৱাত অসমীয়া সাহিত্যৰ কি কি সালসলনি হ'ল, তাৰ শুৱলা আলোচনা কৰা কিতাপ এখনি আজিকালি বহুতৰ উপাদেয় হ'ব। কোন কোন সাহিত্যিকে আমাৰ সাহিত্যত কি কি ছাব ৰাখিলে, তেওঁলোকৰ কোনে কোন কোন বিষয়ে লিখিছিল, কোনে সকলোতকৈ সৰহ বিষয়ত হাত দিছিল, কোন গৰাকীৰ লিখাত কি বিশেষত্ব আছে, কাৰ লিখাৰপৰা জাতীয় জীৱনৰ কোন বিভাগত কেতিয়া কি ফল হ'ল, লিখকসকলৰ চমু জীৱনীৰে সৈতে, এইবিলাক কথা পঢ়ি বহুতে ভাল পাব। কোনখন পুথি বা কোনটো কিতা-পৰ পৰা কেতিয়া কেনেকৈ আমাৰ সাহিত্যৰ কি উপকাৰ হ'ল, তাক অনেকে ৰঙেৰে পঢ়িব। এনেবিলাক কথা বিচাৰ কৰাও এটা ডাঙৰ সাহিত্যিক কাম। অসমীয়া সাহিত্যৰ ক্ৰমবিকাশৰ এনে বিধৰ এখন ইতিহাস সাহিত্য ভঁৰালৰ এটি প্ৰধান সমল হ'ব।

আমাৰ গৌৰৱস্বৰূপ উচ্চ শিক্ষিত সাহিত্যিকসকল কোনোবা এই কামলৈ ওলাব বুলি আমি আশা কৰিছোঁ।

তেওঁলোকৰ অনেকে আমাৰ অনেক আধুনিক লিখকক দেখিছিল, তেওঁলোকে সৈতে কথা-বাৰ্ত্তা কৈছিল, অনেকে তেওঁলোকে সৈতে বন্ধুতাও আছিল। কোনোৱে কোন কোনো লিখাৰ সম্পৰ্কে কিবা জানিব লগীয়া লাগিছিল

আসাম সাহিত্য সভা পত্ৰিকা।



৺সোমেশ্বৰ শৰ্ম্মা মেনেজাৰ।

(এওঁৰ স্মৃতি ৰক্ষাৰ্থে, এওঁৰ পুত্ৰসকলে সাহিত্য সভাত তিনি হাজাৰ টকাৰ পুঁজি দিছে)।

দৰ্পণ প্ৰেচ, গোৱহাটী।